# লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়

।। তমসো মা জ্যোতির্গময় ।।

স্থাপিত - ১৯৭৭

# আলোচনী



## স্বাধীনতাৰ সোণালী জয়ন্তী বৰ্ষলৈ উৎসৰ্গিত


সম্পাদক

মৃদুল কুমাৰ বৰা

# লঃ তেঃ কঃ মহাবিদ্যালয় আলোচনী

## ১৯৯৬-৯৭ চন

তমসো মা জ্যোতির্গময়

L.T.K. College Library
Estd 1977
Date________
Azad, North Lakhimpur

শ্ৰদ্ধাৰে

প্ৰতি

শ্ৰীযুত/যুক্তা ... ... ... ... ... ... ... ... ... ... ... ...

... ... ... ... ... ... ... ... ... ... ... ... ... ...

... ... ... ... ... ... ... ... ... ... ... ... ... ...

সম্পাদক

উপদেষ্টাঃ

ড' লাৱণ্য বুঢ়াগোহাঁই, প্ৰৱক্তা

লঃ তেঃ কঃ মহাবিদ্যালয়।

সম্পাদক

শ্ৰীমৃদুল কুমাৰ বৰা।

## ঃ সম্পাদনা সমিতি ঃ

অধ্যক্ষ ও সভাপতিঃ
শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰগোহাঁই

সম্পাদকঃ
শ্ৰীমৃদুল কুমাৰ বৰা

উপদেষ্টাঃ
ড° লাৱণ্য বুঢ়াগোহাঁই, প্ৰৱক্তা সদস্যা
শ্ৰীযুত নাৰায়ণ গগৈ, প্ৰৱক্ত সদস্য
শ্ৰীযুক্তা অঞ্জলীকা ৰাজখোৱা, প্ৰৱক্তা সদস্যা

ছাত্ৰ সদস্যঃ
শ্ৰীভূপেন চন্দ্ৰ বৰা
শ্ৰীইন্দ্ৰ নাথ
শ্ৰীভৃগুমণি হাজৰীকা

ছাত্ৰী সদস্যাঃ
শ্ৰীমতী তৃষ্ণা কাকতি
শ্ৰীমতী মঞ্জু খাটনীয়াৰ

অলংকৰণ আৰু অংগ সজ্জা :—
সম্পাদক

বেটুপাত পৰিকল্পনা ও অংকন—
শ্ৰীভৱানন্দ সোনোৱাল

বেটুপাত অলংকৰণ :— সম্পাদক

মুদ্ৰকঃ
দাস প্ৰিণ্টিং হাউচ
উত্তৰ লক্ষীমপুৰ কে, বি, ৰোড, ৭৮৭০০১

## ঃ সম্পাদকীয় কৃতজ্ঞতা জ্ঞাপন ঃ

পৰামৰ্শ দাতাঃ
অধ্যক্ষ, নাৰায়ণ চন্দ্ৰ বৰগোহাঁই,
প্ৰৱক্তা ড° লাৱণ্য বুঢ়া গোহাঁই,
প্ৰৱক্ত শ্ৰীযুত নাৰায়ণ গগৈ, শ্ৰীযুত প্ৰদীপ দত্ত,প্ৰৱক্ত
প্ৰৱক্তা শ্ৰীযুক্তা অঞ্জলীকা ৰাজখোৱা,

মুখ্য সহায়কঃ
ড° লাৱণ্য বুঢ়াগোহাঁই

পুনৰ লিপিকৰণঃ
সম্পাদক

সহযোগী— শ্ৰীনিতুল শইকীয়া
শ্ৰীপ্ৰণৱ কুমাৰ শৰ্মা

নেপথ্যতঃ
শ্ৰীইন্দ্ৰ নাথ, শ্ৰীমতী মঞ্জু খাটনীয়া, শ্ৰীভৃগুমণি হাজৰীকা, শ্ৰীমতী মিনাক্ষী বৰা, শ্ৰীমতী লিপিকা দত্ত, শ্ৰীমতী বন্দনা চাংমাই, শ্ৰীমতী তৃষ্ণা কাকতি, শ্ৰীমতী মৃনালী বৰা
আৰু
মহাবিদ্যালয়ৰ— ছাত্ৰ একতা সভা, শিক্ষাগুৰু সকল, ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকল, কৰ্মচাৰী বৃন্দ আৰু মোৰ প্ৰতি আন্তৰীকতা থকা বাইজ বৃন্দ।

# সূচীপত্ৰ


| বিষয় | লেখক/লেখিকা |
| --- | --- |
| গণ পৰিষদৰ পৰা সোণালী জয়ন্তীলৈ | শ্ৰীনাৰায়ণ চন্দ্ৰ বৰগোহাঁই, অধ্যক্ষ লঃ তেঃ কঃ মহাবিদ্যালয় |
| সম্পাদকীয় একলম | শ্ৰীমৃদুল কুমাৰ বৰা |
| **প্ৰবন্ধ** | |
| ○ পুঁজিৰ বহি প্ৰবাহ | অধ্যাপক শ্ৰীযুত ৰমেশ কাকতি |
| ○ যুৱ মানসিকতাৰ বিকৃত স্বৰূপ ৰেগিং | শ্ৰীনৰকুমাৰ দত্ত |
| ○ বৰ্তমান সমাজ আৰু যুৱ মানসিকতা | শ্ৰীউৎপল বৰুৱা |
| ○ মহা কবি ডান্টে আৰু তেওঁৰ "ডিভাইন কমেডি" | শ্ৰীসমৰ দাস |
| ○ ধৰ্ম আৰু ইয়াৰ সামাজিক ক্ৰিয়া | শ্ৰীনয়ন নাথ |
| ○ বিশ্বৰ কেইবিধমান গুৰুত্বপূৰ্ণ খেল | শ্ৰীৰাজু সোনোৱাল |
| **গল্প** | |
| ○ ভগ্ন হৃদয় | শ্ৰীধ্ৰুৱজ্যোতি চেতীয়া |
| ○ বন্ধুৰ সমাধি | শ্ৰীমতী ৰীতা গগৈ |
| ○ বেদনা ভৰা দুচকুত দুটুপাল অশ্ৰু | শ্ৰীমৃদুল কুমাৰ বৰা |
| ○ এনাজৰী | শ্ৰীমতী মিনু দত্ত |
| **অতিথিৰ শিতান :** | |
| ○ শৈক্ষিক পৰিবেশ আৰু শিক্ষাৰ মানদণ্ড | শ্ৰীযুত হেমেন্দ্ৰ কুমাৰ গগৈ, অধ্যক্ষ উঃ লঃ মহাবিদ্যালয় |

## সূচীপত্র


○ পৰিবৰ্তনৰ প্ৰাসঙ্গিকতা — শ্ৰীযুত মুকুন্দ ৰাজবংশী, অধ্যক্ষ
লঃ বাঃ মহাবিদ্যালয়

○ ছাত্ৰ সমাজৰ পৰিচয় পৰ্ব
আৰু কিছু প্ৰাসঙ্গিক চিন্তা — শ্ৰীগোবিন চন্দ্ৰ বৰা, অধ্যক্ষ
ভায়েট

○ ছাত্ৰৰ চিন্তা আৰু মনন — শ্ৰীযুক্তা ক্ষীৰদা কাকতি, শিক্ষয়িত্ৰী
আঃ বুঃ বিদ্যালয় আজাদ

কবিতা

○ তোমাৰ বাবেই কবিতা — শ্ৰীমতী মিনাক্ষী বৰা
○ এদিন এটা মুহূৰ্তৰ বাবে — শ্ৰীমনোজ কুমাৰ গগৈ
○ অনুভৱ — শ্ৰীজগত চুতীয়া
○ তোমালৈ — শ্ৰীতৰুন দাস
○ তুমি দেশ প্ৰেমিক — শ্ৰীতৰুন দাস
○ শৰতৰ তিনিটি স্তৱক — শ্ৰীৰূপজ্যোতি দত্ত
○ প্ৰতীক্ষা — শ্ৰীদিব্যজ্যোতি শইকীয়া
○ জীয়া মানুহৰ অম্বেষণ — শ্ৰীঅজয় বিপ্লৱ নাথ
○ ভিতৰলৈ আৰু ভিতৰলৈ — শ্ৰীপ্ৰদীপ দত্ত, গ্ৰন্থাগাৰীক
লঃ ডেঃ কঃ মহাবিদ্যালয়

○ সমস্যা — শ্ৰীউৎপল বৰুৱা

সম্পাদক সকলৰ বাছৰেকীয়া প্ৰতিবেদন

১৯৯৬-৯৭ চনৰ মহাবিদ্যালয় ক্ৰীয়া সপ্তাহৰ
ফলাফল সমূহ :—



**Principal**

**L. T. K. COLLEGE**

# ॥ গণ পৰিষদৰ পৰা সোণালী জয়ন্তীলৈ ॥

□ নাৰায়ণ চন্দ্ৰ বৰগোহাঁই, অধ্যক্ষ
এলঃ টিঃ কেঃ কলেজ

পৌৰাণিক ও সামন্তযুগীয়া ৰাষ্ট্ৰ-প্ৰশাসনিক প্ৰণালীৰ ওৰ পেলাই, পৰিবৰ্ত্তিত মানৱ চিন্তা চৰ্চ্চাৰ লগত খাপ-খোৱাই, ৰাষ্ট্ৰ প্ৰশাসনৰ নতুন কৌশল ও প্ৰণালীৰ উদ্ভাৱনেৰে মানৱ জাতিৰ ক্ৰমবিকাশৰ সোণালী পথ প্ৰশস্ত কৰাৰ ব্যৱস্থা হোৱা দেখি, সমগ্ৰ মানৱ জাতিৰ মনলৈ শান্তি ও প্ৰগতিৰ নিজৰা বোৱাৰ আশা বিৰিঙিছিল। এই ক্ষেত্ৰত পাশ্চাত্যৰ ৰাজনৈতিক চিন্তানায়ক সকল উল্লেখনিয় ও প্ৰসংশনীয়! প্ৰাচ্য ও পাশ্চাত্য দৰ্শনৰ সঙ্গমস্থলী ভাৰতীয় ভূখণ্ডত, অনাদি কালৰে পৰা বস-বাস কৰি অহা জন-গণেও পশ্চিমীয়া সাম্ৰাজ্যবাদীৰ শোষণ ও নিষ্পেষণৰ ওৰ পেলাই পৌৰাণিক স্থিতি পুনৰুদ্ধাৰ কৰাৰ লগত নৱ-জাগৰণৰ ৰঙীন-ৰঙেৰে আলোকিত হৈ বিশ্বৰ দৰবাৰত নিজকে চিনাকী দিব পৰাকৈ অত্যাধুনিক প্ৰগতিৰ পথেৰে অগ্ৰগতি কৰাৰ আশাৰে সকলো একত্ৰিত হৈ সাত-শতৰুক (খেদাই) আঁতৰাই ৰাম ৰাজ্য পুনৰ প্ৰতিষ্ঠিত কৰাৰ চেষ্টা নিশ্চয় আদৰণীয় ও অনুকৰণীয়। শতাব্দী জোৰা গণ আন্দোলনৰ ফলশ্ৰুতিত, বহু জাতি উপ-জাতি, কৃষ্টি-সংস্কৃতিৰে গোন্ধপ মৰা, ভিন্ন ভাষা-ভাষী লোকৰে থুপখোৱা ভিন্ন ধৰ্ম বিশ্বাসেৰে পৰিপূৰ্ণ সু-বিস্তৃৰ্ণ ভূ-ভাগৰ জন-গণে মুক্তি পোৱাৰ যোগ্যতা (আৰ্জিলৈ) অৰ্জ্জন কৰিলে অৰ্দ্ধ-শতাব্দীৰ পূৰ্বে। মুক্তি পোৱাৰ কাহিনি পুৱাতে, পশ্চিমীয়া শিক্ষাৰে সু-শিক্ষিত ভাৰতীয় চিন্তা নায়ক সকলে ৰাষ্ট্ৰ পৰিচালনাৰ নতুন চানেকি প্ৰস্তুতি কৰি নৱ ভাৰতৰ মহাসভাক অৰ্পন কৰি এনেদৰে লিখিছিল।

"আমি ভাৰতীয় সকলে ভাৰতক এখনি সাৰ্ব্বভৌম, সমাজবাদী, ধৰ্ম্মনিৰপেক্ষ, লোক-তান্ত্ৰিক গণ ৰাজ্য ৰূপে গঠন কৰিবলৈ; তথা ইয়াৰ সকলো নাগৰিকৰ বাবে সামাজিক অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায় চিন্তা অভিব্যক্তি, বিশ্বাস, ধৰ্ম্ম আৰু উপাসনাৰ স্বাধীনতাৰ প্ৰতিষ্ঠা আৰু সুযোগৰ সমতা লাভ কৰিবলৈ আৰু তেওঁলোকৰ সকলোৰে মাজত ব্যক্তিৰ মৰ্যাদা তথা জাতীয় ঐক্য আৰু সংহতি সু-নিশ্চিতকাৰী ভাতৃভাৱ বৃদ্ধি কৰিবলৈ নিষ্ঠা সহকাৰে সংকল্প কৰি আমাৰ এই সংবিধান সভাত আজি ১৯৪৯ চনৰ নৱেম্বৰ মাহৰ মুক্ত বিংশ দিৱসত ইয়াৰে দ্বাৰা এই সংবিধান গ্ৰহণ কৰিছো আৰু নিজক অৰ্পন কৰিছো"।

# সম্পাদকীয় একলম

সাম্পাদকীয় কলমৰ আৰম্ভনিতে মই স্বদেশৰ বাবে প্ৰাণ আহুতি দিয়া জ্ঞাত অজ্ঞাত শ্বহীদ সকলৰ আত্মাৰ চিৰ শান্তি কামনা কৰিলো। তেখেত সকলৰ আত্মাৰ সদগতিৰ বাবে পৰমপিতা পৰমেশ্বৰৰ ওচৰত মই প্ৰাৰ্থনা জনাইছো। লগতে আমাৰ মহাবিদ্যালয়খনি প্ৰতিষ্ঠা কৰিবলৈ যি সকল মহান ব্যক্তিয়ে কপালৰ ঘাম মাটিত পেলাই অৰিহনা যোগালে সেই সকল মহিয়সী ব্যক্তিলৈ মোৰ শ্ৰদ্ধাঞ্জলী অৰ্পণ কৰিলো।

মোৰ কলমৰ পাতনিতে মই মোৰ জ্ঞানৰ সন্ধান নোপোৱা মস্তিস্ক আৰু অকৰ্মন্য লেখনিৰে মোৰ জ্ঞানৰ প্ৰতিভা বিকাশ কৰিবলৈ মিথ্যা চেষ্টা কৰিছো। তথাপিতো পৰা নাই। প্ৰত্যেক বাৰেই মই হাৰ মানিছো। হলেও হওঁক নহলেওঁক নহওঁক ভাৱ মনত লৈ মই "উত্তৰনৰ দিশত মানৱ' শীৰ্ষক এটি আলোচনা আপোনাসৱলৈ আগ বঢ়ালো।

উত্তৰনৰ দিশত মানৱ:- প্ৰকৃতি যেতিয়া জ্ঞানৰ আন্ধাৰ সাগৰত নিদ্ৰাদেৱীৰ কোলাত আছিল, প্ৰকৃতিজাত প্ৰাণী সমূহেওঁ নিজৰ নিজৰ কল্পনাৰ সেউজীয়া পাখিৰে উটি ভাঁহি ফুৰিছিল সাগৰৰ গভীৰ তলিত। প্ৰকৃতি ধুসৰ হ'ল, সূৰ্য্য দেৱতাইও পৃথিৱীৰ ফালে মুৰ তুলি চাই পঠিয়ালে।

অতীত বাগৰি গ'ল, বৰ্তমানেও অতীতৰ বুকুত ভৱিষ্যতৰ সপোন ৰচাতেই থাকিল, তথাপিও থমকি নৰল মানুহৰ জ্ঞান পিপাসু মন। মানুহৰ পৰিবৰ্তনত প্ৰকৃতিয়েও সহাঁৰি জনালে, সংস্কৃতিৰ আইও হাবিৰ পৰা ঢপলিয়াই আহিল মানৱ সৃষ্টিৰ কৃত্ৰিম সংস্কৃতিৰ আবাস ভূমিলৈ। দিনৰ পিছত দিন আহিল, মানুহৰ মনলৈ নতুন জ্ঞানৰ সঞ্চাৰ হ'ল। জ্ঞানৰ বিকাশত সৃষ্টি হ'ল, বিজ্ঞানৰ। ডাৰউইন, লেৰ্মাকৰ সপোন সত্যত পৰিণত হ'ল, পৃথিৱীৰ অন্তভূক্ত সকলো বস্তুকে সৰু কৰি পেলালে বিজ্ঞানে।

পানীৰ সোঁত যিমানেই বেগী হয়, পাৰৰ নল খাগৰি বিৰিণাৰো সিমানেই কাল চাপি আহে। ঠিক সেই দৰেই বিজ্ঞানে মানুহক যিমানেই মহীয়ান কৰি তুলিলে তাৰ লগে লগেই বহু বিপদো চপাই আনিলে সৃষ্টি কৰিলে বিশ্ব ধ্বংশী, মানৱ ধ্বংশী "এট'ম বোমাৰ"। কিন্তু সোঁতত উভালি যোৱা নল খাগৰি বিৰিণাই পলসত খোপনি লোৱাৰ দৰেই সময়ৰ প্ৰলয়ংকাৰী ধুমুহাত মানুহে সেওঁ মানিলে নহব। মানৱ প্ৰাণৰ সৃষ্টিশীল প্ৰতিভাক কাব্যত প্ৰতিফলন কৰিব পৰাতোহে মানৱৰ কৃতিত্ব।

পল পল কৰি সময় উকলি যোৱাৰ দৰেই মানৱৰ বিজ্ঞানে দোপত দোপে আগবাঢ়ি
গ'ল। প্ৰকৃতিজাত প্ৰাণীৰ শ্বাস নিশ্বাস নহলে অস্তিত্ব নোহোৱাৰ দৰেই বৰ্তমান যুগত বিজ্ঞানৰ
অবিহনে মানৱ সমাজৰ কোনো অস্তিত্ব নাই। বৰ্তমান যুগত মানৱ সমাজে বিজ্ঞানৰ জখলাইদি
বহু উপৰলৈ উঠি গ'ল। মানৱৰ কল্যাণ কামী বিজ্ঞানে যিমান উন্নতি সাধিলে তাৰ বিপৰীতে
বিপদো আনিলে সৃষ্টি হ'ল বিস্ফোৰক সামগ্ৰিৰ। লগতে সৃষ্টি কৰিলে বিশ্বধ্বংশী পাৰমাণৱিক
বস্তুৰ। মানৱ সমাজৰ উত্তৰনৰ কালত, বিজ্ঞানৰ সহায়ত, মানৱ চন্দ্ৰ পৃষ্ঠ পালেগৈ আকাশ
মাৰ্গ'ত উৰিলে। অতীতৰ লগত বৰ্তমানৰ স্বৰ্গ-মৰ্ত্য প্ৰাৰ্থক্য হ'ল। বৰ্ব'ৰতাৰ পতন ঘটিল।
এফালে প্ৰগতি আনফালে ধ্বংশ যজ্ঞই সভ্যতাক থকা-সৰকা কৰি পেলাইছে।
বিজ্ঞানৰ অৱদাৰ অভিশাপ হৈ পৰা পৰিলক্ষিত হৈছে। হলেও বিজ্ঞানৰ প্ৰগতিৰ মাজেদি
বিশ্বৰ সকলোৰে উন্নতিয়েই আমাৰ কাম্য।

মই আগতেই কৈ আহিছো মোৰ সামান্য জ্ঞানে নিজৰ মনৰ ভাৱ বোৰ প্ৰকাশ
কৰিবলৈ যত্ন কৰিছো। যদি লিখনিত কিবা ভুল হৈছে তাৰ বাবে পঢ়ুৱৈ সকলৰ ওচৰত ক্ষমা
মাগিছো।

**পঢ়ুৱৈ সকললৈ দুয়াৰমান:—** শ্ৰদ্ধাৰ পঢ়ুৱৈ সকল ; আপোনা সবলৈ প্ৰথমতেই মোৰ
আন্তৰীক শুভেচ্ছা জ্ঞাপন কৰিলো। অ-পঢ়ু হাতেৰে বহু কষ্টেৰে আপোনা সবলৈ এখনি
সবাংৰ্গ সুন্দৰ নহলেও এখনি সাধাৰণ আলোচনী আপোনালোকৰ হাতত তুলি দিবলৈ পাই
মই নথৈ আনন্দিত হৈছো। হলেও আপোনালোকে এই আলোচনীখনক সুন্দৰ বুলিয়েই
আকোৰালী লব। আলোচনীখনত ভুল-ত্ৰুটি থকাতো স্বাভাৱিক। সকলো ভুল-ত্ৰুটি ক্ষমা কৰি
আলোচনীখনি আকোৰালী লবলৈ মোৰ ফালৰ পৰা পঢ়ুৱৈ সকলক অনুৰুধ জনাইছো।
তাৰ উপৰিও মোৰ এই আলোচনী খনি সম্পাদনা কৰাত বহুতো সংকটে দেখা
দিছিলে। মই এই সকলো অৱস্থাক আওকাণ কৰি বহুত ৰঙীন সপোন মনতলৈ আলোচনী
সম্পাদক হিচাবে নিৰ্বাচনত উঠিছিলো। কিন্তু মোৰ মনৰ কামনা পুৰ্ণ নহ'ল। সপোন সপো-
নহৈয়ে ৰল, বাস্তৱ নহ'ল। কিয়নো আমাৰ মহাবিদ্যালয়ৰ আলোচনী শিতানত থকা অনুস্থু-
পীয়া পুঁজিৰে সৰ্বাংগ সুন্দৰ আলোচনী এখন ছপা কৰা অসম্ভৱ।
মই আলোচনী বিভাগৰ সম্পাদক হলেও অন্য বিভাগৰ কামতো অধ্যক্ষ মহাশয়ক
সহায় ও হেঁচা দিবলৈ গাফিলতি কৰা নাছিলো। উদাহৰণ স্বৰূপ মই আমাৰ মহাবিদ্যালয়ৰ
আগত এখনি তোৰণ ( Gate ) সাজিবলৈ বহুত কষ্ট কৰিছিলো কিন্তু উপযুক্ত সহকৰ্মীৰ অভা-
ৱত সেই কাম কৰি উলিয়াব নোৱাৰিলো। তাৰ উপৰিও অধ্যক্ষ মহোদয়ে সন্মতি প্ৰদান নক-
ৰিলে, সেইবোৰৰ উপৰিও মহাবিদ্যালয় খনৰ সৰ্বাত্মক উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি আমি ২৩/৯/-
৯৭ তাৰিখে লক্ষীমপুৰ লোকৰ সভা সমষ্টিৰ সাংসদ সদস্য ড° অৰুন শৰ্মা দেৱক আমাৰ মহাবি-
দ্যালয়লৈ নিমন্ত্ৰণ জনাইছিলো। সাধাৰণ সম্পাদকৰ অনুপস্থিতি আমিয়েই সাংসদ সদস্য ড°
শৰ্মা দেৱক দিবলৈ তলত উল্যেখ কৰা দাবীসমুহ সহঃ এখনি স্মাৰক পত্ৰ প্ৰদান কৰাৰ ব্যৱস্থা

লওঁ। অৱশ্যে তেখেত অহাৰ দিনা সাঃ সম্পাদক আহি পোৱাত আমি সকলোৱে মিলি তেখেতক স্মাৰক পত্ৰ খন প্ৰদান কৰো। তেখেতে উক্ত স্মাৰক পত্ৰ খনি সাদৰেৰে গ্ৰহণ কৰি তথাসাধ্যে আমাৰ অভাৱ সমূহ পূৰণ কৰাৰ আশ্বাস দিছিল।

স্মাৰক পত্ৰ খনিত উল্লেখিত সমস্যাৱলী সমূহ তলত দিয়া হ'ল—

১) বিজ্ঞান শাখাৰ আধৰুৱা গৃহ নিৰ্মাণ।
২) পুথি ভঁৰালৰ উন্নতি কৰণ।
৩) খেল পথাৰৰ উন্নতি কৰণ।
৪) চাইকেল আস্থানৰ উন্নতি কৰণ।
৫) তোৰণ নিৰ্মাণ।
৬) মহাবিদ্যালয়ত পানী যোগানৰ সু-ব্যৱস্থা কৰা।
৭) ছাত্ৰ-ছাত্ৰীৰ বাবে জিৰণী কোঠা নিমাৰ্ণ।
৮) ছাত্ৰ একতা সভাৰ কাৰ্যালয় স্থায়ীভাৱে নিৰ্মাণ।
৯) ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শৌচাগাৰ প্ৰশ্ৰাগাৰ নিৰ্মাণ।
১০) খেল ধেমালীৰ সামগ্ৰি সমূহৰ অভাৱ পূৰণ কৰা।
১১) দূৰনিবতীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে যাতায়তৰ সু-ব্যৱস্থা কৰা।
১২) ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শ্ৰেণী কোঠা নিমাৰ্ণ।
১৩) ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষাদানৰ বাবে প্ৰয়োজনীয় সামগ্ৰিৰ অভাৱ পূৰণ।
১৪) ছাত্ৰ-ছাত্ৰীৰ বাবে আবাস গৃহ নিমাৰ্ণ।

এই বোৰৰ উপৰিও আৰু বহুতো মহাবিদ্যালয়ৰ উন্নতিৰ হকে কাম কৰিবলৈ আগবাঢ়িছিলো আৰু কৰিছিলো। বৰ্তমান্ত মোৰ কাৰ্য্যকাল চমু চাপি আহিছে, সেই হতুকে মই শেষত আলোচনী খনি ছপোৱাৰ কাম হাতত ললো। বহুত কষ্টেৰে আলোচনীখনি উলিয়াব লগা হোৱাত বহুত লোকক অসাধাৰণ ভাৱে কৰ লগা হৈছিল তাৰ বাবে মই এই বিদায় বেলাতে সকলোৰে ওচৰত ক্ষমা মাগিলো।

**কৃতজ্ঞতা স্বীকাৰঃ** প্ৰথমেই মই আমাৰ মহাবিদ্যালয়ৰ চিৰপুজ্য শ্ৰদ্ধাৰ অধ্যক্ষ শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বড়গোহাঁই দেৱৰ মোৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো। তাৰ পাছতেই মোৰ পুজনীয় আৰু শ্ৰদ্ধাৰ উপদেষ্টা ড: লাৱণ্য বুঢ়াগোহাঁই বাইদেউলৈ মই আন্তৰিক কৃতজ্ঞতা আগবঢ়াইছো। তেখেতে মোৰ প্ৰতি যি সৎ-দিহাপৰামৰ্শৰ সহায় সহযোগিতা আগবঢ়ালে তাৰ বাবে মই তেখেতৰ ওচৰত চিৰঋণী। আশা ৰাখিছো মোৰ ভৱিষ্যত কৰ্মজীৱনত বাইদেউৰ পৰা সংদিহা পৰামৰ্শ পাম। হলেও যদি কেতিয়াবা তেখেতৰ ওচৰত মই অমাৰ্জনীয় ভুল কৰিছিলো তাৰ বাবে মই এই ক্ষনতেই ক্ষমাভিক্ষা মাগিলো। মোৰ বিভাগৰ উপদেষ্টা মণ্ডলীৰ শ্ৰীযুত নাৰায়ণ গগৈদেৱ আৰু শ্ৰীযুক্তা অঞ্জলীকা ৰাজখোৱা বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালো।

পুৰাঞ্চল মহাবিদ্যালয়ৰ (ঘাৰমৰা) অৰ্থনীতি বিভাগৰ প্ৰৱক্তা, মোৰ দাদা শ্ৰীনৃপেন

কুমাৰ বৰা দেৱে মোক প্ৰত্যেক ক্ষেত্ৰতে যি সৎ দিহা পৰামৰ্শৰে সহায় সহযোগিতা আগবঢ়ালে তাৰে বাবে মই তেখেতলৈ আন্তৰিক অভিনন্দন ও কৃতজ্ঞতা যাছিছো । ইয়াৰ পাছতেই আৰু বি, কৰ্ণাৰৰ স্বত্বাধিকাৰ মোৰ দাদা শ্ৰীৰোচন বৰা আৰু শ্ৰীহেমন্ত বৰা দেৱলৈ তেওঁলোকৰ সহায়ৰ বাবে কৃতজ্ঞতা জনালো ।

যি সকল ছাত্ৰ-ছাত্ৰী বন্ধুবান্ধৱীয়ে মোৰ কাৰ্য্যকালত সুজাৰ নোৱাৰা সহায় আগবঢ়ালে তেওঁলোকলৈ মোৰ হীয়াভৰা মৰম ও কৃতজ্ঞতা থাকিল । বিশেষকৈ মোৰ বন্ধু ভূপেন, নিতুল, ভৃগু, ইন্দ্ৰ বান্ধৱী বন্দনা, লিপিকা, তৃষ্ণা, মঞ্জু, মুন ( মিনাক্ষী ) আদি সকললৈ মোৰ আন্তৰিক মৰম আৰু শুভেচ্ছা যাছিলো। পুণৰ মোৰ ফালৰ পৰা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈকে আন্তৰীক অভিনন্দন জ্ঞাপন কৰিলো। সদৌ শেষত আলোচনী খনি কম সময়ৰ ভিতৰতে ছপাই দিয়াৰ বাবে সমুহ প্ৰেছ কৰ্মচাৰীলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিলো ।

সামৰণি :— বাবে-বুৰি ভুলেৰে বহুত কিবা-কিবি লিখি পেলালো। তাত যদি ভুলত্ৰুটি আছে তেন্তে অজ্ঞান জনৰ লিখনি বুলি শুদ্ধৰাই পঢ়িবলৈ মই পঢ়ুৱৈ সকলক অনুৰুধ জনালো। হলেওঁ মনত পুহী ৰখা বহুত সপোন বাস্তৱ কৰি তুলিব নোৱাৰাৰ বাবে মই দুখিত। মই আশা ৰাখিছো নতুন কৈ নিৰ্বাচিত হ'ব লগা সকলেই এই অসম্পূৰ্ণ কাম বোৰ সম্পূৰ্ণ কৰি তুলিব। পঢ়ুৱৈ সমাজলৈ মোৰ ফালৰ আৰু এটি অনুৰোধ সকলো পঢ়ুৱৈয়ে যেন আলোচনী খনিৰ নতুন গজালিৰ দৰে লহ-পহকৈ বাঢ়ি অহা আমাৰ মহাবিদ্যালয়ৰ উদীয়মান লেখক-লেখিকা সকলৰ লিখনি কেইটি খৰচি মাৰি পঢ়ি তেখেত লোকক আগবাঢ়ি যাবলৈ প্ৰেৰণা দিয়াৰ লগতে উৎসাহ প্ৰদান কৰে। পুনৰ সকলোলৈকে কৃতজ্ঞতা আৰু শুভেচ্ছা যাচি, মোৰ হৈ যোৱা ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি আৰু লঃ তেঃ কঃ মহাবিদ্যালয়ৰ গৌৰবোজ্জ্বল ভৱিষ্যত কামনা কৰি সম্পাদকীয় কলমটিৰ এই খিনিতে সামৰণি মাৰিলো ।

জয়তু লঃ তেঃ কঃ মহাবিদ্যালয় ।

জয়তু লঃ তেঃ কঃ মহাবিদ্যালয়ৰ আলোচনী ।

জয়তু লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ।

- মৃদুল কুমাৰ বৰা
সম্পাদক

# পুঁজিৰ বহিঃ প্ৰৱাহ

## অসমৰ আৰ্থিক উন্নতিৰ এক অন্তৰায় — এটি পৰ্য্যালোচনা

□ ৰমেশ কাকতি, প্ৰৱক্তা অৰ্থনীতি বিভাগ

অসমৰ আৰ্থিক উন্নতিৰ বাধাৰ সৃষ্টি কৰা উপাদান সমূহৰ ভিতৰত "পুঁজিৰ বহিঃ প্ৰৱাৰ" ও এক উল্লেখযোগ্য কাৰক। দেশৰ বিভিন্ন কাৰণত টকা-পইচা, মুলধন, সম্পদ, আৰু পৰিসম্পদ জাতীয় সামগ্ৰি বাহিৰলৈ ওলাই যোৱাটোকে পুজিৰ বহি প্ৰৱাহ বোলা হয়। স্বাধীনতা লাভৰ পাছৰে পৰাই ভাৰত তথা অসমৰ উন্নয়ন ত্বৰান্বিত কৰাৰ উদ্দেশ্য যদিও প্ৰতি পাঁচ বছৰৰ মুৰে-মুৰে পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ সহায় লোৱা হৈছে, তথাপি অসমত পুঁজিৰ বহি প্ৰৱাহ সমস্যাটোৱে আৰ্থিক উন্নয়নৰ গতিক স্থৱিৰ কৰি তুলিছে। গতিকে এই সমস্যাটো আগু সমাধানৰ অবিহনে অসমৰ আৰ্থিক উন্নতি আশা কৰা মতে আগবঢ়াই নিব পৰা নেযায়। এই সমস্যাটোৱে অসমৰ আৰ্থিক উন্নতিক কেনেদৰে বাধাগ্ৰস্থ কৰিছে তাক তলৰ তালিকাৰ পৰাই বুজিব পৰা যায়।

তালিকা নং ১ ( চলিত মুল্যৰ হিচাপত )

| চন | ভাৰতৰ জনমুৰী আয় | অসমৰ জনমুৰী আয় |
|---|---|---|
| ১৯৫০-৫১ | ২৬৫ টকা | ২৯৯ টকা |
| ১৯৭০-৭১ | ৬৩৩ টকা | ৫৩৫ টকা |
| ১৯৯০-৯১ | ৫৫২৯ টকা | ৩৯২৭ টকা |

১ নং তালিকাৰ পৰা এটা কথা স্পষ্ট যে ১৯৫০-৫১ চনৰ আগলৈকে অসমৰ জনমুৰী আয় ভাৰতবৰ্ষৰ জনমুৰী আয়তকৈ বেছি আছিল। কিন্তু পৰিকল্পনা গ্ৰহণৰ পিচৰ পৰা ক্ৰমাগত ভাৱে অসমৰ জনমুৰী আয় ভাৰতৰ জনমুৰী আয়তকৈ কমি আহিছে। তালিকাৰ ১৯৭০-

৭১ চনৰ লগতে ১৯৯০-৯১ চনৰ তথ্য এইষাৰ কথাকে প্ৰতিপন্ন কৰিছে।

অন্য এটা দিশলৈ লক্ষ্য কৰা হওঁক।

তালিকা নং — ২

| চন | ভাৰতত দ্ৰৰিদ্ৰতাৰ হাৰ (%) | অসমত দৰিদ্ৰতাৰ হাৰ (%) |
|---|---|---|
| ১৯৭১–৭২ | ৫৫% | ৩৯% |
| ১৯৭৭-৭৮ | ৪৮.১৩% | ৫১% |
| ১৯৮৩-৮৪ | ৩৭% | ৪৮% |

২ নং তালিকাৰ পৰা দেখা পোৱা যে ১৯৭১ চনলৈকে সৰ্ব ভাৰতীয়পৰ্য্যায়তকৈ অসমত দৰিদ্ৰতা সীমা ৰেখাৰ তলত বসবাস কৰা লোকৰ শতকৰা হাৰ কম আছিল। কিন্তু আশী দশকৰ পৰাই অসমত দৰিদ্ৰতা সীমাৰেখাৰ তলত বসবাস কৰা লোকৰ হাৰ সৰ্ব্ব ভাৰতীয়ৰ তুলনাত বেছি হয়।

ওপৰৰ উদাহৰণ দুটাই আমাক প্ৰমাণ কৰি দেখুৱাই যে স্বাধীনতা লাভৰ পিছৰ পৰাই ভাৰতত পৰিকল্পনাৰ যোগেদি আৰ্থিক উন্নতি সাধন কৰিব বিচাৰিলেও অসমৰ আৰ্থিক উন্নয়ন সৰ্ব্ব ভাৰতীয়ৰ সতে একে হাৰতে আগুৱাই নিব পৰা নাই। এনে হোৱাৰ বহুতো কাৰণ থাকিলেও সম্পদ বা পুঁজিৰ বহি প্ৰৱাহ ইয়াৰ বাবে বহুলাংশে দায়ী। কি কাৰণেনো অসমৰ পুঁজি ভাৰত বা আন আন ঠাইলৈ বৰ্হি প্ৰৱাহ হয় তাক বিচাৰ কৰিলে তলত উল্লেখ কৰা কাৰণ সমূহ সততে চকুত পৰে। সেইয়া হ'ল —

১। অসমৰ ঘাইকৈ কৃষি প্ৰধান অৰ্থনীতি। তথাপিও কৃষিজাত সামগ্ৰি উৎপাদনত অসম স্বাৱলম্বী হব পৰা নাই। বানপানীৰ সমস্যা, উন্নত কৃষি কৌশলৰ বিষয়ে অজ্ঞতা ইত্যাদি কাৰণত অসমে আমদানি বানিজ্যনীতিৰ সহায় লব লগা হয়। খাদ্য, শস্য, ঘাইকৈ আলু, পিয়াজ নানা বিধ ডাইল, মিঠাতেল, আটা, ময়দা ইত্যাদি আমদানিৰ যোগেদি অন্য ঠাইৰ পৰা সংগ্ৰহ কৰোতে অসমৰ পৰা এক বুজন পৰিমানৰ অৰ্থ বা পুঁজিৰ বৰ্হি প্ৰবাহ ঘটে।

২। অসমত বস্ত্ৰজাত সামগ্ৰি উৎপাদনীয় উদ্যোগ গঢ়ি উঠাৰ অভিশয় সুযোগ - সুবিধা থকা সত্বেও উপযুক্ত শিক্ষা প্ৰশিক্ষণ, কাৰীকৰি কৌশলৰ ব্যৱহাৰ ইত্যাদিৰ অভাৱত কোটি কোটি টকাৰ বস্ত্ৰ সামগ্ৰি অসমৰ বাহিৰৰ পৰা ক্ৰয় কৰিব লগা হয়। ফলত নগদ টকাৰ বৰ্হি প্ৰৱাহ ঘটে।

৩। ঔষধপাতি, কলগেট, টুথব্ৰাছৰ পৰা আদি কৰি ৰেডিঅ', টি, ভি, গাড়ী-মটৰ আদিলৈকে ক্ষুদ্ৰ আৰু বৃহৎ উদ্যোগত উৎপাদিত সামগ্ৰি সমূহো অসমৰ বাহিৰৰ পৰাই সংগ্ৰহ কৰিব লগা হয়। ভাৱিলে আচৰিত লাগে যে কলম, পেন্সিলৰ দৰে সামগ্ৰি নাইবা চানাচুৰ মৰটন আদিৰ দৰে সামগ্ৰিৰ বাবটো অসমৰ পৰা নগদ পুঁজিৰ বৰ্হি গমন হয়।

৪। অসমত যি কেইটা উৎপাদনিয় খণ্ড আছে, তাৰ পৰা হোৱা সমূহ আয় পুনৰ অসমতে বিনিয়োগ নহয়। অসমৰ বাহিৰতো এই আয়ৰ এক বুজন অংশ বিনিয়োগ হয়। চাহ উদ্যোগ অসমৰ এক উল্যেখযোগ্য উৎপাদনীয় ক্ষেত্ৰ। কিন্তু ইয়াৰ এক বৃহৎ অংশৰ মালিকি স্বত্ব অনা অসমীয়াৰ হাতত থকাত এই উদ্যোগৰ পৰা হোৱা আয়ৰ এক অংশ অসমৰ বাহিৰলৈ গুচি যায়। উদাহৰণ স্বৰূপে ১৯৮৮ চনত অসমৰ চাহ কোম্পানী সমূহৰ সৰ্ব মুঠ লাভ হয় ৩৬.৩২ কোটি টকা। ইয়াৰে ১১.১৩ কোটি টকা অসমত বিনিয়োগ কৰা হয়। ইয়াৰ বিপৰীতে ২৫.১৯ কোটি টকা অসমৰ বাহিৰত বিনিয়োগ কৰা দেখা পোৱা যায়। অন্য এটা উদাহৰণো এই খিনিতে আগবঢ়াব পাৰি। অসমৰ চাহ উদ্যোগৰ উপাৰ্জিত ধনেৰে তামিলনাডুত এটা তাপ বিদ্যুৎ প্ৰকল্প গঢ়ি তোলাৰ চেষ্টা চলি আছে। এই প্ৰকল্পটোৰ অনুমানিক ব্যয় প্ৰায় ১৫০০ কোটি টকা। এনেদৰেও অসমৰ পৰা নগদ পুঁজিৰ বৰ্হি প্ৰৱাহ ঘটিছে।

৫। অসমৰ চুকে-কোণে অৱস্থিত বানিজ্যিক বেংক বোৰেও অসমৰ পৰা পুঁজিৰ বৰ্হি প্ৰৱাহত অৰিহনা যোগাইছে। বানিজ্যিক বেংকৰ নীতি মতে সিবিলাকৰ মুঠ সংগৃহীত পুঁজিৰ ৬০% আৰু গাঁৱলীয়া বেংক বোৰে ১০০% ৰাজ্যখনত ঋণ দান কাৰ্য্যত ব্যৱহাৰ কৰিব লাগে। কিন্তু কাৰ্য্য ক্ষেত্ৰত দেখা পোৱা যায় যে বানিজ্যিক বেংক বোৰে সংগৃহীত ধনৰ এক বুজন অংশ অসমৰ বাহিৰতহে বিনিয়োগ হোৱাত সহায় কৰিছে। উদাহৰণ স্বৰূপে ১৯৯৬ চনৰ ৩০ চেপ্তেম্বৰলৈকে অসমৰ মানুহে বানিজ্যিক বেংকত জমা কৰা মুঠ ধনৰ পৰিমান আছিল ৪১৪৬ কোটি টকা। ইয়াৰে মাথোন ১৫০০ কোটি টকাহে অসমৰ বাৰ্ষিক পৰিকল্পনাত খৰচ হয়। কিন্তু ভাৰতৰ অন্যান্য ৰাজ্যত সংগৃহীত সৰ্বমুঠ পুঁজিতকৈও অধিক ধন ৰাজ্যখনৰ বাৰ্ষিক পৰিকল্পনাত ব্যৱহাৰ হোৱা দেখা যায়।

৬। ৰাজ্যচৰকাৰে বিভিন্ন প্ৰয়োজনত বিভিন্ন সময়ত ৰাজ্যৰ বাহিৰৰ পৰা ঋণ লব লগাত পৰে। এনে ঋণ সুদে-মূলে ঘুৰাব লগা হোৱাত পুঁজিৰ বৰ্হি প্ৰৱাহ হয়।

৭। অসমৰ অন্যতম সম্পদ "পনীয়া সোণ" বা খাৰুৱা তেলৰ পৰাও এক বুজন পৰিমানৰ নগদ পুজি হেৰুৱাব লগাত পৰে। উদাহৰণ স্বৰূপে প্ৰচলিত বজাৰ দৰত এক টন খাৰুৱা তেলৰ দাম ৩৮৫০.০০ টকা। ইয়াৰে মাথোন ৫২৮ টকাহে অসমে ৰয়েল্টিৰ বাবদ লাভ কৰে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰে বছৰী উৎপাদিত পাঁচ নিযুত টন খাৰুৱা তেল শোধনাগাৰ প্ৰতিষ্ঠানক

বিক্ৰী কৰি ৫২১.৫ কোটি টকা লাভ কৰে। পুনৰ চেণ্ট্ৰেল চেচ্ ( Central cess ) ৰ বাবটো ১৫০ কোটি টকা অতিৰিক্ত ভাৱে সংগ্ৰহ কৰে। কিন্তু এই বৃহৎ পৰিমানৰ পুঁজি অসমতে বিনিয়োগ নকৰি অসমৰ বাহিৰতো বিনিয়োগ কৰা হয়। গতিকে অসমৰ পুঁজিৰ বহি প্ৰৱাহ ঘটে।

৮। মাজে মাজে দেখা দিয়া আইন-শৃংখলাজনীত কাৰণত সামৰিক শক্তিৰ সহায় লওতেও অসমৰ পৰা নগদ পুঁজিৰ বৰ্হিগমন ঘটে।

৯। প্ৰতি বছৰে দেখা দিয়া বানপানী সমস্যা, মেলেৰীয়া, অচিন জ্বৰ ইত্যাদি সমস্যা বোৰেও নগত পুঁজিৰ বৰ্হি প্ৰৱাহ হোৱাত সহায় কৰে।

১০। চিকিৎসা, ভ্ৰমণ, শিক্ষা, প্ৰশিক্ষণ ইত্যাদি বাবদো অসমৰ পৰা পুঁজিৰ বৰ্হি প্ৰৱাহ হোৱা দেখা যায়।

১১। অসমৰ বিভিন্ন চৰকাৰী, বেচৰকাৰী সেৱা, উদ্যোগ প্ৰতিষ্ঠান ইত্যাদিত অসংখ্য অনা-অসমীয়া লোক নিযুক্ত হৈ আছে। এই সকল লোকৰ দৰমহা বানচ ইত্যাদিৰ বাবদ এক বৃহৎ পৰিমানৰ নগদ পুঁজিৰ বৰ্হি গমন ঘটে।

ওপৰত আলোচনা কৰাৰ বাদেও আৰু বহুতো কাৰণ বিচাৰিলেও হয়তু ওলাব। এনেদৰে পুঁজিৰ বৰ্হি প্ৰৱাহ ঘটি অসমৰ আৰ্থিক গাঠনি টনকিয়াল কৰাত বাধাহে যে সৃষ্টি কৰিছে সেইয়া সহজ অনুমেয়। সেয়েহে এই সমস্যাটো সমাধানৰ কল্পে আমি সুনিশ্চিত ভাৱে কাৰ্য্য পন্থা হাতত লোৱা দৰকাৰ। অসম ভাৰতৰ অবিচ্ছেদ অংগ গতিকে অসম তথা ভাৰত চৰকাৰে এই সমস্যাতো সমাধান কৰিবলৈ থ স্বম্যাদী আৰু দীৰ্ঘ ম্যাদী দুয়ো প্ৰকাৰৰ আঁচনি গ্ৰহণ কৰা উচিত। ইয়াৰ লগতে দেশৰ সচেতন নাগৰিক সকলেও সময়োচিত পদক্ষেপ লব লাগে। নাগৰিক সচেতনা জগাই এই সমস্যা বহুলাংশে কমাব পাৰি। দেশৰ ভিতৰতে অন্যতম ব্যয়ৰ যোগেদি নিত্য ব্যৱহাৰ্য্য সামগ্ৰিৰ উৎপাদন কৰি এহাতে সকলো প্ৰকাৰ আমদানি হ্ৰাস কৰি ৰপ্তানিত উৎসাহ প্ৰদান কৰিব পৰাকৈ উদ্যোগ নীতি গ্ৰহণ কৰাৰ লগতে প্ৰশিক্ষণৰ ব্যৱস্থাত গঢ়ি তুলিলে এই সমস্যা সমাধান হোৱাৰ থল আছে। দেশৰ সকলো প্ৰকাৰৰ উপাৰ্জন উপযুক্ত উৎপাদনীয় ক্ষেত্ৰত এনেদৰে ব্যৱহাৰ কৰিবলৈ লাগে যাতে এহাতে উৎপাদন ব্যয় কমি প্ৰতি- যোগিতাত ফেৰ মাৰিব পাৰে। অন্যহাতেদি পুঁজিৰ বৰ্হি প্ৰৱাহ হ্ৰাস হয়। ইয়াৰ লগতে দেশৰ আইন - শৃংখল, আভ্যন্তৰীন নিৰাপতা আদিও বিশ্বাসযোগ্য হোৱা দৰকাৰ কৰ্মমুখী প্ৰেৰণা দেশৰ প্ৰতি দায়বদ্ধতা ইত্যাদি গুণবোৰ দেশৰ জনসাধাৰণৰ বিবেকত ঠাই পালে এই সমস্যা সহজে সমাধান হব। অন্যথা সু-পৰিকল্পিত অৰ্থিক পৰিকল্পনা গ্ৰহণ যোগেদিও অসমৰ আৰ্থিক উন্নয়ন ভাৰতীয় পৰ্য্যায়লৈ নিবপৰা নাযাব।

বিঃ দ্ৰঃ প্ৰৱন্ধটো লিখোতে বহু কেইখন কিতাপৰ সহায় লোৱা হৈছে (লিখক)

বিক্ৰী কৰি ৫২১.৫ কোটি টকা লাভ কৰে। পুনৰ চেণ্ট্ৰেল চেচ্ ( Central cess )-ৰ বাবটো ১৫০ কোটি টকা অতিৰিক্ত ভাৱে সংগ্ৰহ কৰে। কিন্তু এই বৃহৎ পৰিমাণৰ পুঁজি অসমতে বিনিয়োগ নকৰি অসমৰ বাহিৰতো বিনিয়োগ কৰা হয়। গতিকে অসমৰ পুঁজিৰ বহি প্ৰৱাহ ঘটে।

৮। মাজে মাজে দেখা দিয়া আইন-শৃংখলাজনীত কাৰণত সামৰিক শক্তিৰ সহায় লওতেও অসমৰ পৰা নগদ পুঁজিৰ বহিৰ্গমন ঘটে।

৯। প্ৰতি বছৰে দেখা দিয়া বানপানী সমস্যা, মেলেৰীয়া, অচিন জ্বৰ ইত্যাদি সমস্যা বোৰেও নগত পুঁজিৰ বহি প্ৰৱাহ হোৱাত সহায় কৰে।

১০। চিকিৎসা, ভ্ৰমণ, শিক্ষা, প্ৰশিক্ষণ ইত্যাদি বাবদো অসমৰ পৰা পুঁজিৰ বহি প্ৰৱাহ হোৱা দেখা যায়।

১১। অসমৰ বিভিন্ন চৰকাৰী, বেচৰকাৰী সেৱা, উদ্যোগ প্ৰতিষ্ঠান ইত্যাদিত অসংখ্য অনা-অসমীয়া লোক নিযুক্ত হৈ আছে। এই সকল লোকৰ দৰমহা বানচ ইত্যাদিৰ বাবদ এক বুজন পৰিমাণৰ নগদ পুঁজিৰ বহি গমন ঘটে।

ওপৰত আলোচনা কৰাৰ বাদেও আৰু বহুতো কাৰণ বিচাৰিলেও হয়তু ওলাব। এনেদৰে পুঁজিৰ বহি প্ৰৱাহ ঘটি অসমৰ আৰ্থিক গাঠনি টনকিয়াল কৰাত বাধাহে যে সৃষ্টি কৰিছে সেইয়া সহজে অনুমেয়। সেয়েহে এই সমস্যাটো সমাধানৰ কল্পে আমি সুনিশ্চিত ভাৱে কাৰ্য্য পন্থা হাতত লোৱা দৰকাৰ। অসম ভাৰতৰ অবিচ্ছেদ অংগ গতিকে অসম তথা ভাৰত চৰকাৰে এই সমস্যাটো সমাধান কৰিবলৈ থ স্বম্যাদী আৰু দীৰ্ঘ ম্যাদী দুয়ো প্ৰকাৰৰ আঁচনি গ্ৰহণ কৰা উচিত। ইয়াৰ লগতে দেশৰ সচেতন নাগৰিক সকলেও সময়োচিত পদক্ষেপ লব লাগে। নাগৰিক সচেতনা জগাই এই সমস্যা বহুলাংশে কমাব পাৰি। দেশৰ ভিতৰতে অন্যতম ব্যয়ৰ যোগেদি নিত্য ব্যৱহাৰ্য্য সামগ্ৰিৰ উৎপাদন কৰি এহাতে সকলো প্ৰকাৰ আমদানি হ্ৰাস কৰি ৰপ্তানিত উৎসাহ প্ৰদান কৰিব পৰাকৈ উদ্যোগ নীতি গ্ৰহণ কৰাৰ লগতে প্ৰশিক্ষণৰ ব্যৱস্থাত গঢ়ি তুলিলে এই সমস্যা সমাধান হোৱাৰ থল আছে। দেশৰ সকলো প্ৰকাৰৰ উপাৰ্জন উপযুক্ত উৎপাদনীয় ক্ষেত্ৰত এনেদৰে ব্যৱস্থাৰ কৰিবলৈ লাগে যাতে এহাতে উৎপাদন ব্যয় কমি প্ৰতিযোগিতাত যেৰ মাৰিব পাৰে। অন্যহাতেদি পুঁজিৰ বহি প্ৰৱাহ হ্ৰাস হয়। ইয়াৰ লগতে দেশৰ আইন - শৃংখলা, আভ্যন্তৰীন নিৰাপত্তা আদিও বিশ্বাসযোগ্য হোৱা দৰকাৰ কৰ্মমুখী প্ৰেৰণা দেশৰ প্ৰতি দায়বদ্ধতা ইত্যাদি গুণবোৰ দেশৰ জনসাধাৰণৰ বিবেকত ঠাই পালে এই সমস্যা সহজে সমাধান হব। অন্যথা সু-পৰিকল্পিত অৰ্থিক পৰিকল্পনা গ্ৰহণ যোগেদিও অসমৰ আৰ্থিক উন্নয়ন ভাৰতীয় পৰ্য্যায়লৈ নিবপৰা নাযাব।

বিঃ দ্ৰঃ : প্ৰৱন্ধটো লিখোতে বহু কেইখন গ্ৰন্থৰ সহায় লোৱা হৈছে ( লিখক )

সামাজিক পৰিবেশ গঢ়ি তুলিবৰ বাবে সমাজত বাস কৰা প্ৰতিজন ব্যক্তিৰ সৈতে এক ওচৰ সম্বন্ধ গঢ়ি তোলাৰ অতি প্ৰয়োজন। কিয়নো এনে সম্বন্ধই ব্যক্তি সকলৰ মাজত দেখা দিয়া ভুল বুজাবুজিৰ আঁতৰ কৰি সামাজিক বান্ধোন কটকতীয়া কৰি তুলে। সমাজত ঐক্য, সংহতি গঢ়ি তোলাৰ বাবে বিহু আদি উত্তম মাধ্যম।

বৰ্তমান সমাজ ব্যৱস্থাত সংস্কৃতিৰ নামত জাতিসত্বাৰ মানুহ ঐক্যবদ্ধ হোৱাৰ বিপৰীতে গোষ্ঠীবদ্ধহৈ পৰিছে। অসমক মাতৃভূমি হিচাপে গ্ৰহণ কৰি স্থায়ী ভাৱে বাস কৰা ভিন্ন ধৰ্ম ভাষা বৰ্ণ, সম্প্ৰদায়, জাতি, জন-জাতিৰ লোকক ঐক্যবদ্ধ কৰি এটা বৃহৎ অসমীয়া জাতি গঢ়ি তোলাৰ বাবে বিষ্ণু ৰাভা, জ্যোতি প্ৰসাদ আদি পূৰ্বপুৰুষ সকলে যি কঠোৰ সাধনা কৰিছিল তাক আজি অসমীয়াই পাহৰি পেলালে। সৰু সৰু জাতি সমূহে সমাজ সংস্কৃতিৰ ঘাই সুঁতীৰ পৰা আজি নিজকে বিচ্ছিন্ন কৰি ৰখাৰ চেষ্টা কৰিছে। জন-জাতি সকলৰ মাজত চলি থকা জাতি প্ৰাধান্য আৰু বৰ্ণ প্ৰাধান্যৰ কঠোৰ আঘাটৰ হেঁচাত উমি উমি জ্বলি থকা তুহ জুইৰ বিক্ষোভ গোটেই অসমতে বিস্ফোৰিত হৈ পৰিছে। সম্প্ৰতি আৰ্মকা, আটাছু, আবছু, চাহ জনজাতি, কোঁচ ৰাজবংশী, কাৰ্বি আৰু অন্যান্য গোষ্ঠীবাদী সংগঠন সমূহৰ পৃথকত্ববাদী শাসনৰ দাবীত চলা আন্দোলনতো সুক্ষ্ম ভাৱে ফহিয়াই চালেই আমি বুজিব পাৰিম যে সহজ সৰল মানুহবোৰৰ আৱেগ অনুভূতিও আঘাত সনাই অন্যতম কাৰণ সাম্প্ৰতিক পৰিস্থিতিত বিভিন্ন জাতি উপজাতি, ধৰ্মীয় ভাষা, গোষ্ঠী বৰ্ণৰ মহামিলনৰ আৰু সমন্বয়ৰ প্ৰতীকশিল্পী বিষ্ণু প্ৰসাদ ৰাভাই কৈছিল "অসমৰ সত্য চাৰিও আৰু অৱনত জাতি সমূহৰ আন আন উন্নত জাতি সমূহক লগতে একে আসনতে ঠাই দিবলৈ অসমৰ প্ৰত্যেক ৰাজনীতিজ্ঞ আৰু সমাজনেতা সকলে চেষ্টা কৰা উচিত। তাকে নকৰিলে অৱনত জাতিসমূহৰ বুকুত বিদ্ৰোহৰ অগ্নি জ্বলাই অসমত গৃহ কন্দলৰ বাঁহ সাজি দিয়া হব। ঐক্য অবিহনে সৌন্দৰ্য্যৰ বিকাশ আৰু প্ৰগতি অসম্ভৱ।

বৰ্তমানৰ ত্ৰুতিপূৰ্ণ শিক্ষা ব্যৱস্থাই বাস্তৱ পৰিস্থিতিৰ সৈতে মুখামুখি হব পৰাকৈ জনগণক শিক্ষিত কৰি তুলিব পৰা নাই। শিক্ষিত সমাজ এখন যেতিয়া অন্ধ বিশ্বাসত মজি থাকে, যেতিয়া লৈকে বৈজ্ঞানীক দূৰদৰ্শিতাই শিক্ষাৰ মৰ্য্যাদা আগবঢ়াব নোৱাৰে তেতিয়ালৈকে সমাজখনে কোনো যুক্তিতে প্ৰত্যাহ্বান জনোৱাৰ সাহস নাথাকে। কিন্তু শিক্ষা মানে উপনিবেশিক শিক্ষাৰ কথ নহয়। জীৱন শিক্ষাৰ প্ৰতি প্ৰস্তুতি গ্ৰহণেই হব লাগে।

অসমৰ যুৱ মানসিকতা বুলি কলে এইটোৱেই আমাৰ মনলৈ আহে যে অসমৰ ভোগলীক সীমাৰেখাৰ অন্তৰ্গত সমাজৰ সম্প্ৰতিক কালত গঢ়ি উঠা ধ্যান ধাৰণা আৰু যুৱসমাজত গঢ় লৈ উঠা এটা বাস্তৱসন্মত বিশ্বাস। অসমৰ যুৱ মানসিক সম্পৰ্কে কবলৈ হ'লে এই মানসিকতাৰো অতীত, বৰ্তমান আৰু ভৱিষ্যত সময়ৰ তুলনামূলক দৃষ্টিৰে চোৱাৰ প্ৰয়োজন আছে। অতীত আৰু ভৱিষ্যত এই দুই সময়ৰ সম্পৰ্কে আমাৰ প্ৰবন্ধত প্ৰাধান্য নিদি সাম্প্ৰতিক কালত যুৱ মানসিকাৰ

ওপৰত্তে আলোচনাৰ মুখ্য উদেশ্য হ'লেও সমাজৰ বৰ্তমান ফলশ্ৰুতিতো হৈছে অতীত্ত কৰ্মফলৰ ফলাফল। সেইদৰে বৰ্তমানৰ কৰ্মৰ ফলাফলৰ ওপৰত্তে ভৱিষ্যত্ত নিৰ্ণয় হব। এই প্ৰসংগত্তে অতীত্ত ভবিষ্যতৰ বিশেষ উল্লেখ হ'লেও বৰ্তমানৰ যুৱ মানসিকতাৰ এটা বিশ্লেষণ দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে।

সাম্প্ৰতিক কালত যুৱ মানসিকতা সম্পৰ্কে সমগ্ৰ দিশত্তে এপাক চকু ফুৰালেই দেখা যায় উদভ্ৰান্ত পৰিস্থিতি আৰু অশান্ত যুৱ মানসিকতাৰ এটা প্ৰতিচ্ছবি। পঞ্চাচ দশকত ৰাজনৈতিক ভাৱে প্ৰত্যক্ষ উপনিবেশিক শাসনৰ পৰা মুক্ত এখন ৰাষ্ট্ৰৰ জন্ম লাভ কৰে। যুৱসমাজ এতিয়াব ডাঙৰ দীঘল হৈছে, এনে এটা যুগত, যিটো যুগত্ত জীৱনধাৰা হৈ পৰিছে বহু সমাজৰ লগত জড়িত। যুৱ সমাজৰ সেই অতীতৰ সমাজৰ কৰ্মফল স্বৰূপেই কিছু ক্ষেত্ৰত হোৱা অকৃতকাৰ্য্যতাৰ লগতে সমাজৰ এছাম মানুহৰ ওপৰত হেঁচাৰ ফলতেই সেই চাম মানুহৰে এটা পৰম শক্তিকমু গোটেই যুৱক সমাজত পৰিবৰ্তন মুখী হিচাপে হয় আৰু প্ৰতিৰোধ ব্যৱস্থা গঢ়ি উঠে। সেয়ে হ'লেও প্ৰত্যেক সমাজৰ সামগ্ৰিক সমস্যা বেলেগ বেলেগ গা কৰি উঠে। কিন্তু এই কথা সত্য যে সকলো সমাজতেই এই যুৱশক্তিৰ প্ৰভাৱৰ ফলস্বৰূপে উত্তৰণ নাইবা তথাকথিত ৰূপৰ পৰিবৰ্তন ঘটে। আপেক্ষিক ভাৱে, আজিৰ সামাজিক মূল্যাংকণ পদ্ধতি হৈ পৰিছে অধিক প্ৰতিযোগিতামূলক, যাৰ ফলত আজিৰ যুৱসমাজে কেৱল এফালেই তাল ৰাখি চলাতো অসম্ভৱ অমুক্তিকৰ হৈ পৰিছে। চাবলৈ গলে আজিৰ যুৱক বা যুৱতীয়ে কেতিয়াও কেৱল পাঠ্যক্ৰমৰ মাজত্তে থাকি এজন প্ৰকৃত যুৱক হিচাপে সম্পূৰ্ণতা অৰ্জন কৰিব নোৱাৰে, যেতিয়ালৈকে বাহিৰৰ জগত খনৰ জটিলতাৰ সতেওঁ ভালদৰে চিনাকী হ'ব নোৱাৰে। অভাৱ, অনাটন, অনাভ্যস্ততাৰ এই ক্ষিপ্ৰ গতিৰ লগত আজি যুৱ সমাজেও নামি পৰিছে বাস্তৱৰ কদৰ্ম অনুভূতিৰ লগত। তাৰে এচাম যুৱকে পথ বিছাৰি নাপাই বিভ্ৰান্তহৈ দেওঁলীয়া হৈ পৰিছে। আন এচাম অৱতীৰ্ণ হৈছে অক্ষয় সংগ্ৰামৰ দুখৰ বুকুতো অধিক উজ্জ্বলহৈ জীয়াই থকা পনলৈ। অৱশ্যে সময়ৰ সৈতে সম্বন্ধয় হৈছে আজিৰ যুৱ সমাজ। কোনো ক্ষেত্ৰত আজিৰ যুৱসমাজ ইমান তললৈ নামিছে যে তেওঁলোকে ৰাষ্টাই ঘাটে, চুকে কোণে কিছুমান অশ্লীল ব্যভিচাৰত নিজকে লিপ্ত কৰা দেখা গৈছে। অন্যহাতে প্ৰাশ্চাত্যৰ লগত সংস্কৃতিৰ পোহাৰ মেলিবলৈ গৈ মদ, মাংস, ব্লু-ফিল্ম আদিৰে ব্যৱহাৰেই অধিক ক্ষেত্ৰত গ্ৰহণীয় হৈ পৰা দেখা গৈছে। সংস্কৃতিৰ আচল ৰূপটোনো কি? এই বিষয়ে আজিৰ যুৱসমাজে অকণামান ধৈৰ্য্য, সুস্থিৰতা আৰু একাগ্ৰতাৰে অধ্যয়ন চলোৱা প্ৰয়োজন একেবাৰে নোহোৱাকৈ পলমকৈ হলেও চলোৱা প্ৰয়োজন আহি পৰিছে। যুৱসমাজৰ অতীতৰ কৰ্মৰ ফল স্বৰূপেই কিছু ক্ষেত্ৰত হোৱা অকৃতকাৰ্য্যতাৰ লগতে সমাজৰ এচাম মানুহৰ ওপৰত পৰা হেঁচাৰ ফলতেই সেই চাম মানুহৰে এটা পৰম শক্তিৱন্ত গোটেই যুৱক সমাজত পৰিবৰ্তন মুখী

হিচাপে সৃষ্টি হয় আৰু প্ৰতিৰোধ ব্যৱস্থা গঢ়ি উঠে। সেয়ে হলেও প্ৰত্যেক সমাজৰ সামগ্ৰীক সমস্যা বেলেগ বেলেগ গা কৰি উঠে। কিন্তু এই কথা সত্য যে, সকলো সমাজতেই এই যুৱশক্তিৰ প্ৰভাৱৰ ফলস্বৰূপে সমাজৰ উত্তৰণ নাইবা তথাকথিত ৰূপৰ পৰিবৰ্তন ঘটে। সমাজৰ প্ৰতিটো পৰিবৰ্তনৰ যুগসন্ধিত এই সমস্যাবোৰ এনেদৰে কেন্দ্ৰীভূত হৈ পৰে যে, আমুল পৰিবৰ্তনৰ বাবে সৰ্বতো প্ৰকাৰৰ ভাৰকেন্দ্ৰ যুৱ সমাজলৈ হস্তান্তৰ হয়। সাম্প্ৰতিক কালৰে আন্তজাতিক মানচিত্ৰত প্ৰান্তে প্ৰান্তে গঢ়ি উঠা পৰিবৰ্তনৰ প্ৰক্ৰিয়াই বোলা যাওঁক কি বিপ্লৱেই বোলা যাওঁক একে সংহতিৰ সংজ্ঞাৰ নিৰূপন কৰিলেও এই বিপ্লৱ বা জাগৰণৰ কাৰণে ঠাই ভেদে পৃথক হোৱাৰ লগতে প্ৰতিৰোধ পদ্ধতিৰো প্ৰাৰ্থক্য হয়। সেই একে দৃষ্টি ভংগীৰেই সাম্প্ৰতিক কালৰ অসমৰ যুৱসমাজৰ মানসিকতা প্ৰভাৱো মৌলিকভাৱে পৃথক আৰু এই জাগৰণৰো মূল বিষয় সমূহ নিজস্ব ভাৱে গঢ়ি উঠা।

ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ অবাধ শোষণৰ ধাৰাবাহিকতা, অসমৰ সামাজিক, অৰ্থনৈতিক তথা ৰাজনৈতিক ক্ষেত্ৰ সমূহত তথাকথিত ভাৰত স্বাধীনৰ পিছৰ পৰা অব্যাহত আছে। এনে শোষণৰ ফলত বিগত দুটা দশকত অসমত বিভিন্ন মাধ্যমত হৈ যোৱা আন্দোলন সমূহৰ ভিন্নমুখী প্ৰাসঙ্গি কতা থাকিলেও ইয়াৰ প্ৰধান সুৰ একেটাই। আশীৰ দশকত দেশ জুৰি অসমীয়া ভাষাৰ প্ৰতিষ্ঠাৰ বাবে ভাষা আন্দোনৰ পৰা নবৈৰ দশকৰ জাতিয় সংস্কৃতিৰ সংৰক্ষণৰ প্ৰাণাহুতিলৈকে একেই সুৰ। ইয়াত এচামে আত্মত্যাগেৰে দৃঢ়তাৰ উদাহৰণ দাঙি ধৰিছে। আন এচামে কিন্তু এনে ঘোৰ সময়ত স্বাৰ্থ সিদ্ধিৰ লুকাভাকু খেলি বিভিন্ন সুবিধাৰে সাময়িক ভাৱে লাভ বান হৈছে।

যি কি নহওক যুৱক সমাজ খনেই হৈছে বহল ক্ষেত্ৰত পৰজীৱি বা পৰমুখাপেক্ষী। গতিকে তেওঁলোকৰ উন্নতি, অৱনতি লক্ষ্য আদি গঢ়াত বহুখিনি অভিভাৱক বা প্ৰাপ্তবয়স্ক সকলৰ সু-পৰামৰ্শ উপদেশ বা সহযোগিতাৰ ওপৰতো নিৰ্ভৰ কৰে। বৰ পৰিতাপৰ কথা, এচাম সামৰ্থ্যশীল পিতৃমাতৃ বা অভিভাৱকেও এতিয়াৰ যুৱসমাজক ধনসম্পত্তি আহৰণ কৰাই জীৱনৰ পৰম ধৰ্ম হিচাপে জীৱন গঢ়াত অৰিহণা যোগাইছে। যাৰে বাবেও আজিৰ যুৱসমাজ জীৱনৰ পৰামৰ্শ কথা পাহৰি যোৱা পৰিলক্ষিত হৈছে। ইয়াৰ বাবে আজিৰ যুৱসমাজেই কেৱল জগৰীয়া যে তাক অভিভাৱক তথা বুদ্ধিজীৱি সকলেও দকৈ চিন্তা কৰি চাবৰ হ'ল। কম বেছি পৰিমানে আজি কি যুৱক কি অভিভাৱক সকলোকে একাকাৰ কৰি সমগ্ৰ জনসাধাৰণৰ জীৱন যাত্ৰাতেই আদি পৰিছে উশৃংখলতাৰ বা বৰঞ্চ সঁচা

কৰবলৈ গলে আমাৰ প্ৰাপ্তবয়স্ক সকল বা পিতৃমাতৃ সকল অভিজ্ঞ হিচাপে, জীৱন বোধ সম্পন্ন হিচাপে যিমান উদাৰ, ক্ষমতাশীল বুজাবুজি ভাৱেৰে সকলো খামখিয়ালী মনোভাৱ এৰি বহল দৃষ্টি সম্পন্ন হ'ব লাগিছিল, সেইয়া যুৱক সমাজৰ অৱস্থাতোতকৈ যেন বহুত কম। ডা' দিপালী দত্তৰ এষাৰি বৰ সত্য কথা "সিহঁতক আমি নুবুজো!" বোলা এটি প্ৰবন্ধত উল্লেখ কৰিছে এনেদৰে— "আমি প্ৰাপ্তবয়স্ক সকলে যুগৰ পিছত যুগ ধৰি নতুন পুৰুষ সকলক হেয় জ্ঞান কৰি আহিছো"। তেওঁ আকৌ কৈছে "আমাৰ নতুন পুৰুষ বা যুৱক যুৱতী সকলক আমি নুবুজো। সেই বুলি সিহঁতক বুজিবলৈ প্ৰয়াস নকৰি নিৰ্বিকাৰ চিত্ত হৈ বহি থকাৰ দৰে ডাঙৰ ভুল কৰাটো আমাৰ অনুচিত"। শেষত ড' দিপালী দত্তৰ ভাষাৰে "—আমাৰ সন্তান্তসকলক আমি দৰ্জিৰ দৰে সময়ে সময়ে জুলি নাথাকিলে সিহঁত আমাৰ অচিনাকী হোৱাতো স্বাভাৱিক। সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক পৰিবৰ্তনৰ লগত সামঞ্জস্য ৰাখি আমি জোখাৰ ফিটাডালো দীঘল চুটি কৰিব লাগিব—।"

( মহাবিদ্যালয় বাৰ্ষিক ক্ৰীড়া সপ্তাহত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত। )

---

"বেয়াকথা কি ? দুৰ্বলতাৰ পৰা নিৰ্গত হোৱা আটাইবোৰ কথাই বেয়া।"

—নীৎসে

"আজিকালি পঢ়িবলৈ সকলোৱে জানে, কিন্তু কি পঢ়িব লাগে সেইটোহে নেজানে।"

—বাৰ্ণাডশ্ব'

"এশ বন্দুকৰ গুলিককো মই ভয় নকৰো, ভয় কৰো এখন সামান্য বাতৰি কাকত।"

– নেপোলিয়ন

"যি এবাৰ বিশ্বাস ঘাটকতা কৰিছে, তাক তুমি কেতিয়াও বিশ্বাবত নলবা।

—বাৰ্ণাডশ্ব'

শ্ৰীভুপেন কুমাৰ ঘৰা
স্নাতক ২য় বৰ্ষ ১৯৯৭-৯৮

# মহাকবি ডাণ্টে আৰু তেওঁৰ "ডিভাইন কমেদি"

সমৰ দাস
উঃ মাঃ প্ৰথম বাৰ্ষিক।
বিজ্ঞান শাখা।

মধ্যযুগীয়া ইটালীৰ প্ৰখ্যাত আৰু প্ৰতিভা সম্পন্ন কবি ডাণ্টে ইটালীৰেই নহয়;
বিশ্বশীৰ্ষ স্থানীয় কবি সকলৰ অন্যতম! ডাণ্টেক কোৱা হয় মধ্যযুগৰ সৰ্বশ্ৰেষ্ঠ আৰু সৰ্বশেষ প্ৰতিভূ।
আকৌ কোৱা হয় যে ৰেঁনেছা তথা নৱজাগৰণ নামৰ প্ৰসিদ্ধ ইউৰোপীয় মানসৰ যুগান্তকাৰী
আন্দোলনৰো প্ৰথম উদগাতা আছিল ডাণ্টে। ডিভাইন কমেডিৰ দৰে অতি উচ্চ স্তৰৰ কাব্য
গ্ৰন্থ ৰচনা কৰি ইটালীয়ান ভাষাসাহিত্যক গৰিমা মন্দিত কৰাৰ লগতে বিশ্ব সাহিত্যকো সমৃদ্ধ
কৰি ডাণ্টে মহাকবিৰূপে সুধীজন স্বীকৃত হৈছে। ডাণ্টেৰ ডিভাইন কমেডি আছিল এখন মৃত
জগতৰ সামাধিক্ষেত্ৰ আৰু এখন নতুনকৈ জন্ম হব ধৰা জগতৰ গভাশয়।

খৃষ্টীয় ১২৬৫ চনত ইটালীৰ ফ্লোৰেঞ্চ নগৰত মহাকবি আলিঘিয়েৰি ডাণ্টেৰ জন্ম হৈছিল।
ডাণ্টে আছিল অতিশয় অধ্যয়সায়ী আৰু অধ্যয়নশীল। ফ্লোৰেঞ্চৰ তৎকালীন জীৱন ধাৰাৰ লগত
সম্বন্ধিত প্ৰায় সকলো বিষয়ৰ জ্ঞান আয়ত্ব কৰিছিল। চিত্ৰবিদ্যা আৰু সংগীতৰ প্ৰতি তেওঁৰ বিশেষ
অভিৰুচি আছিল। ১৮ বছৰ বয়সৰ পৰাই তেওঁ দাৰ্শনিক ভাৱৰ কবিতা লিখিবলৈ আৰম্ভ কৰি
ছিল। সম্ভ্ৰান্ত পৰিয়ালত জন্ম গ্ৰহণ কৰিলেও ডাণ্টেৰ সমগ্ৰ জীৱন আছিল সংঘাট পূৰ্ণ। ডাণ্টেৰ
প্ৰাৰম্ভীক জীৱনৰ সবাতোকৈ উল্লেখযোগ্য আৰু স্মৰণীয় ঘটনা হ'ল কিশোৰী বিয়েট্ৰিছৰ লগত
তেওঁৰ প্ৰথম সাক্ষাৎ। ১২৭৪ চনত তেওঁ বিয়েট্ৰিছক প্ৰথম লগ পায়। তেতিয়া বিয়েট্ৰিছৰ বয়স
৯ বছৰ আৰু ডাণ্টেৰ বয়সো ৯ বছৰ। প্ৰথম দৰ্শণতে বিয়েটিছৰ প্ৰতি ডাণ্টে গভীৰ ভাৱে
আসক্ত হয়। বিয়েট্ৰিছৰ খন্তেকীয়া সানিধ্যত ডাণ্টেই চিৰন্তন প্ৰেমৰ এক অনাস্বাদিত সুখ অনুভৱ
কৰে। কিন্তু বিয়েট্ৰিছ অন্য পুৰুষৰ লগত বিবাহপাশত আৱদ্ধ হয়। ৩৫ বছৰ বয়সত ১২৯০ চনত
বিয়েট্ৰিছৰ মৃত্যু হয়! বিয়েট্ৰিছৰ অকাল মৃত্যুৱেই ডাণ্টেৰ বাবে আছিল অতিশয়, বেদনা দায়ক।
দুখ আৰু শোকত মৰ্মাহত হৈ ডাণ্টেই কৈছিল, "মোৰ জীৱনৰ পৰা সমস্ত আনন্দ অন্ত নিহিত হ'ল,
মই এতিয়া শূণ্য, নিৰাস, নিৰানন্দ, ভগ্নহৃদ হয়। তেওঁৰ প্ৰথম গ্ৰন্থ প্ৰেমগীতৰ সংকলন "নৱ
জীৱন"ৰ অন্তিম অধ্যায়ত ডাণ্টেই লিখিছে— "কেউ বছৰমান অনিশ্চিত জীৱন যাপন কৰাৰ পিছত

মই এক অভিনৱ মানসিক স্থিতি অনুভৱ কৰিছো আৰু এই অনুভৱৰ বাবে মই সংকলবদ্ধ হৈছো ; যেতিয়ালৈকে মই অধিক যোগ্যতাৰে অধিক সফলতাৰে বিয়েট্ৰিছৰ গুণ গান কৰিবলৈ সমৰ্থ নহয়, তেতিয়ালৈকে মই তেওঁৰ বিষয়ে একোৱেই নিলিখো। এই উদ্দেশ্য সিদ্ধিৰ বাবে মই যথাসাধ্যে চেষ্টা কৰি আছো আৰু যদি মই ভগবদ ইচ্ছাত আৰু কেই বছৰ মান জীয়াই থাকো, তেন্তে তেওঁৰ বিষয়ে মই এনে কথা লিখিম যি কথা কোনো নাৰীৰ বিষয়ে আগতে কোনেও লিখা নাই। ঈশ্বৰৰ ইচ্ছাত মই মহিমাময়ীৰ সাক্ষাৎ লাভ কৰিম।" ডান্টেৰ এনে অবিচল মানসিক আৰু দৃঢ়তা সংকল্পৰ পৰিণতিত সৃষ্টি হ'ল এখন যুগজয়ী মহাকাব্য ডিভাইন কমেডি।

ডান্টেই বিয়েট্ৰিছন মৃত্যুৰ এবছৰৰ পিছত ১২৯১ চনত প্ৰথমখন গ্ৰন্থ আৰু ১৩০০ চনত দ্বিতীয় খন গ্ৰন্থ ৰচনা কৰে। সেয়ে হলেও বিয়েট্ৰিছৰ স্মৃতিয়ে তেওঁক নিৰন্তৰ বিক্ষুব্ধ কৰিবলৈ ধৰে আৰু "নৱজীৱনত" কৰা সংকল্প অনুসৰি তেওঁৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ ডিভাইন কমেদি লিখিবলৈ আৰম্ভ কৰে। এই ঐশ্বৰিক কাব্য খন লিখি কবিয়ে বিয়েট্ৰিছৰ প্ৰতি থকা তেওঁৰ অসীম আসক্তি আৰু শ্ৰদ্ধাপূৰ্ণ প্ৰতিচ্ছবি বিশ্ব কবি সভাত দাঙি ধৰিলে।

ডিভাইন কমেডি তিনিখণ্ডত বিভক্ত। প্ৰথম খণ্ড ইনফাৰ্ণো। ইয়াত নৰকৰ আৰু পাপীৰ কষ্টভোগৰ বৰ্ণনা আছে। দ্বিতীয় খণ্ডত পাৰ্গেটৰীয়। ইয়াত জীৱাত্মাৰ কৃত কৰ্মৰ অনুশোচনা আৰু পাপৰ প্ৰায়শ্চিতৰ বৰ্ণনা আছে। তৃতীয় খণ্ড পেৰেডাইজ। ইয়াত স্বৰ্গৰ বৰ্ণনা আছে। ইয়াত পোহৰ সৌন্দৰ্য্য আৰু সংগীতৰ আভা বিস্ফুৰিত হৈছে। কাব্য খনৰ এই তিনি খণ্ডত সন্নিবিষ্ট বৰ্ণনাৰ যোগেদি পাপ, প্ৰায়শ্চিতৰ আৰু আত্মদৰ্শনৰ পটভূমিত ডান্টেই সম্ভাবনা পূৰ্ণ মানৱ জীৱনৰ এক মহাশক্তিৰ অভিমুখে ক্ৰমিক উত্তৰণৰ কথাই কব বিচাৰিছে। ডান্টেৰ বিশ্বাসত মানুহে যিমানেই বেয়া কাম নকৰক, যিমানেই পাপ নকৰক তাৰ পৰা উদ্ধাৰৰ পথো মানুহৰ সম্মুখত আছে। ঈশ্বৰে মানুহৰ বাবে ঐহিক সুখ আৰু পৰলৌকিক আনন্দ দুয়োটাৰে পথ নিৰূপন কৰিছে। কিন্তু জীৱনৰ অনন্ত সুখৰ উপলব্ধি ভগবদ দৰ্শন অবিহণে সম্ভৱ নহয়। ডিভাইন কমেডি অন্তৰালত এনে তাৎপৰ্য্যই নিহিত আছে।

ডিভাইন কমেডি বিয়েট্ৰিছৰ ৰূপৰ পৰাই সৃষ্টি হৈছিল। ডিভাইন কমেডিৰ নায়ক ডান্টে নিজেই আৰু নায়িকা বিয়েট্ৰিছ। কাব্যখনৰ কথা বস্তু এনে ধৰণৰ গভীৰ অৰণ্যত পথ হেৰুৱাই ডান্টেৰ ইফাল সিফালে ভ্ৰমি আছে। তেও দিশহাৰা, কোনো সহায়ক নাই, কোনো সাৰথি নাই। সকলো যেন স্বাৰ্থ লোলোপতাৰে তেওক গ্ৰাস কৰিবলৈ উদ্দিগৰ। অবৰ্ণনীয় বাধা বিপত্তীৰ মাজতো তেও পথ অন্বেষন কৰিছে। ভ্ৰমি ফুৰোতে তেও এখন ৰমনীয় পৰ্বতৰ কাষত উপনীত হ'ল। পৰ্বতত উঠিব খোজোতে কাম, ক্ৰোধ, মোহ ৰূপী তিনিটা হিংস্ৰ জন্তুৱে তেওক আক্ৰমণ কৰিলে তেও পৰ্বতৰ পৰা তললৈ পতিত হ'ল। যন্ত্ৰনাত তেও ছটফটা

বলৈ ধৰিলে। এনেসময়ত ডাণ্টেৰ সম্মুখত প্ৰসিদ্ধ কবি ভাৰ্জিল আবিভূত হ'ল আৰু ডাণ্টেক কলে যে স্বৰ্গৰ তিনি গৰাকী দেৱী মেৰী, লিউসী আৰু বিয়েট্ৰিছে মোক পথ প্ৰদৰ্শনৰ বাবে তোমাৰ ওচৰলৈ পঠাই দিলে। ভাৰ্জিল ডাণ্টেৰ সহযাত্ৰী হ'ল হিল আৰু পৰ্গেটুৰীৰ মাজেদি অগ্ৰসৰ হওঁতে তেওঁলোকে সুদূৰ আৰু অদূৰ অতীতৰ বহু বিখ্যাত আৰু কুখ্যাত ব্যক্তিক লগ পালে। এই সকলৰ কোনো কোনোৰে অসীম যন্ত্ৰনা ভোগ কৰিছে, কোনো কোনোৱে লঘু দণ্ড মূৰ পাতি লৈ নিজৰ পাপ কৰ্মৰ প্ৰায়চিত্ৰ কৰিছে। পাপী সকলৰ প্ৰতি ডাণ্টেই কেতিয়াবা দুখ, কেতিয়াবা ঘৃণা অনুভৱ কৰিছে। পৰ্গেটুৰীয়ৰ বিভিন্ন স্তৰত প্ৰায়চিত্ৰ কামী পাপী বাস কৰিছে। ইয়াত জীৱাত্মাই দি দণ্ড ভোগ কৰিছে তাৰ উদ্দেশ্য শুদ্ধিকৰণ। গতিকে ইয়াত অপমান বোধৰ কোনো কথা নাই। নিম্নস্থ দুখন লোক অতিক্ৰম কৰি ডাণ্টে পৰ্বতৰ শিখৰত উপনীত হয় ইয়াতেই পাৰ্থিৱ স্বৰ্গ অৱস্থিত। এই স্বৰ্গত তেওঁ প্ৰেমিক বিয়েট্ৰিছক ৰহস্য ময় আভাৰে আবেষ্টিত হৈ থকা দেখা পালে। এই সময়লৈকে ভাৰ্জিল ডাণ্টেৰ লগত আছিল আৰু তেওঁ ডাণ্টেক বিয়েট্ৰিছৰ হাতত গতাই অন্তৰ্ধ্যান হ'ল। বিয়েট্ৰিছে ডাণ্টেক স্বৰ্গৰ বিভিন্ন স্থানলৈ লৈ গ'ল। অৱশেষত তেওঁলোকে শীৰ্ষস্থ স্বৰ্গত উপনীত হ'ল। ইয়াতেই ভগৱান বিৰাজমান বিয়েট্ৰিছে ডাণ্টেক কলে যে আমি ভগৱানৰ স্বৰ্গ পালো। এই স্বৰ্গ পোহৰ আৰু প্ৰেমেৰে পৰি-পূৰ্ণ। ইয়াৰ অধিবাসী সকলক তুমি অন্যতম ৰূপত দেখা পাব। ডাণ্টেৰ অন্তদৃষ্টি জাগ্ৰত হয়। তেওঁ পোহৰৰ এখন নদী দেখা পালে। নদীখনৰ দুয়ো পাৰে ৰমনীয় পুষ্প বৃক্ষ। নদীখনৰ গৰ্ভত পৰা স্ফুলিংগ উদ্ভৱ হৈ পুষ্পৰ ওপৰত পৰিছে। বিয়েট্ৰিছৰ কথা মতে ডাণ্টেই তলমূৰ কৰি নদী-খনলৈ চালে; দেখিলে সেই পুষ্প, সেই নদী অধিক ৰহস্যময়ী বৈভৱৰ ৰূপান্তৰীত হৈছে। ডাণ্টেৰ দৃষ্টিত তেতিয়া প্ৰতিভাত এক বিশাল জ্যোতি লোক। এয়ে ভগৱানৰ নিবাসধাম। আশ্চৰ্য্যকিত হৈ ডাণ্টেই প্ৰেমিকাক কিবা কব খোজোতেই দেখিলে বিয়েট্ৰিছ অন্তৰ্নিহিত হৈছে আৰু তেওঁৰ ঠাই অন্য এক ভাবামুৰ্ত্তি বৃদ্ধ বাৰ্ণাড থিয় হৈ আছে। বাৰ্ণাডে ডাণ্টেক কলে বিয়েট্ৰিছ স্বৰ্গৰ উচ্চ-তম স্থানত নিজ মনেৰে লক্ষ সিংহাসনত সমাসীন হৈ আছে। ডাণ্টেই ওপৰলৈ চালে আৰু প্ৰেয়-সীক দৰ্শন কৰি অত্যন্ত বিনম্ৰতাৰে তেওঁৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলে। বিয়েট্ৰিছে ডাণ্টে ফালে চাই মিচিকিয়াই হাঁহিলে আৰু অনন্ত জ্যোতি পুঞ্জত বিলীন হৈ গ'ল! বাৰ্ণাডে ডাণ্টেক ঈশ্বৰ ধামৰ সম্পূৰ্ণ গৰিমা দৰ্শন কৰিলে। ডাণ্টেই ভগৱান দেখিলে আৰু সম্পূৰ্ণ ৰহস্য অৱগত হ'ল। ডাণ্টেৰ ইচ্ছা সেই ইচ্ছাত একাত্মীভূত হৈ গ'ল যি ইচ্ছাত সূৰ্য্য, চন্দ্ৰ, গ্ৰহ, উপগ্ৰহ, নক্ষত্ৰাদি পৰিচালিত হৈছে। আন কথাত কবিৰ ইচ্ছাৰ ভগৱানৰ ইচ্ছাৰ লগত মিলি গ'ল।

( বিঃ দ্ৰঃ ছা লৈ লিখা ) লিখক।

প্ৰবন্ধ

# ধৰ্ম্ম আৰু ইয়াৰ সামাজিক ক্ৰীয়া

ময়ূণ নাথ
স্নাতক ২য় বৰ্ষ
অসমীয়া বিভাগ।

আমাৰ এই পৃথিৱীখনৰ প্ৰতিজন ব্যক্তিৰ ওপৰতেই এটা শব্দৰ প্ৰভাৱ কম বেছি পৰিমানে পৰি আহিছে। সেই শব্দতো হ'ল "ধৰ্ম"। এই বিশ্বৰ প্ৰতিখন সমাজতেই ধৰ্ম বিৰাজমান। পৃথিৱীত এনে এখন সমাজ নাই যত ধৰ্ম নাই। সেয়েহে এই ধৰ্মৰ প্ৰভাৱ সকলো জনসাধাৰণৰ ওপৰত পৰাতো স্বাভাৱিক। এই খিনিতে এষাৰ কথা কব পাৰি যে ধৰ্ম মানৱ সমাজৰ বাবে এক সৰ্বব্যাপ্ত আৰু চিৰন্তন সামাজিক সংস্থা। মানুহৰ সামাজিক জীৱনত ধৰ্ম অঙ্গা - অঙ্গীভাবে জড়িত। এই সৰ্বব্যাপ্ত আৰু চিৰন্তন সামাজিক সংস্থাটো বিষয়ে এক সম্যক জ্ঞান লাভ কৰাটো এটা কৰ্তব্য বুলি কলেও বেছি কোৱা নহব কিজানি। ধৰ্মৰ বিষয়ে ভালদৰে জানিবলৈ যোৱৰ পহিলাতে অৱগত হব লাগিব। আমাৰ মানৱ সমাজত ধৰ্ম জন্ম হ'ল কেনেকৈ আৰু ধৰ্ম কি? ধৰ্মৰ বিষয়ে কিছু জ্ঞান লাভ কৰাতো বিশেষ প্ৰয়োজনীয় কিয়নো ধৰ্মই সামাজিক ক্ৰিয়াত এক লেখত লবলগীয়া বৰঙণি আগবঢ়াই আহিছে। ধৰ্মৰ উৎপত্তিৰ বিষয়ে যদি আঁত বিচাৰি যাও তেন্তে তাৰ বিষয়ে বিভিন্ন ধৰণৰ বিশ্লেষণ পাওঁ কিন্তু কথা হ'ল সিবোৰ বিৰ্তক মূলক। ধৰ্মৰ বিষয়ে যিবোৰ মতবাদ পোৱা যায় তাৰে এটি মতবাদৰ মতে ভবা হয় আত্মাৰ বিষয়ে থকা মানুহৰ প্ৰগাঢ় বিশ্বাসেই ধৰ্ম উৎপত্তিৰ মূল কাৰণ। এইটো মতবাদৰ মতে ভাবি লোৱা হয় যে সকলোৰে জীৱন স্বৰূপ হ'ল আত্মা। এই আত্মাৰ অবিহনে হেতু মৃত বা জীৱিত বুলি দুটা অৱস্থাকে নাথাকিলেহেঁতেন। এই খিনিতে টাইলৰৰ এষাৰ কথা উল্লেখনীয়। তেওঁৰ মতে মানুহৰ মৃত্যু হলেও আত্মাটো জীৱিত অৱস্থাত থাকে। আৰ্থ্যৎ মানুহৰ মাজত ই বিশ্বাস যে আত্মাৰ কোনো দিনেই মৰণ নাই। সেই কাৰণে জনসাধাৰণে বিশ্বাস কৰে যে মানুহ মৃত্যু হোৱাৰ পিছত আত্মাই প্ৰেতাত্মাৰ ৰূপলৈ মানুহৰ মাজত নানা ধৰণৰ বিপদ বিঘিনি ঘটায়। এই বিপদ বিঘিনি বোৰৰ পৰা হাত সাৰিবলৈ মানুহে প্ৰেতাত্মাৰ উদ্দেশ্যে নানা ধৰণে পূজা পাতল কৰে আৰু কালক্ৰমত এই পূজা - পাতল, যাগ - যজ্ঞই ধৰ্ম হিচাপে পৰিগণিত হয়। ধৰ্মৰ বিষয়ে এইখিনি মতবাদ আলোচনা কৰা সিদ্ধান্তটোক কোৱা হয়।

সৰাত্মাবাদ। এই সিদ্ধান্তৰ উপৰিও ধৰ্মৰ উৎপত্তি আন এটা সিদ্ধান্তৰ মতে—প্ৰকৃতি খনৰ প্ৰভাৱহে দৰাচলতে ধৰ্ম জন্ম হোৱাৰ মুল কাৰণ। কিয়নো আদিম মানৱ সমাজে মায়াবৰী জীৱন যাপন কৰিছিল। তেতিয়াৰ সময়ত তেওঁলোকে প্ৰকৃতি খনৰ বিভিন্ন শক্তিবোৰৰ বিষয়ে কোনো সম্যক চিন্তা চৰ্চা কৰিব পৰা নাছিল বা নাজানিছিল। প্ৰকৃতিখনৰ চন্দ্ৰ, সূৰ্য্য বায়ু পানী আদি প্ৰাকৃতিক শক্তিবোৰক একো একোটাহত অলৌকিক শক্তি বুলি লৈছিল বা বিশ্বাস কৰিছিল আৰু তেওঁ লোকে ভাৱি লৈছিল মানৱ সমাজত ঘটা ৰোগ ব্যাধি, দুভীক্ষ, মাৰামৰক, আদি সকলো বিলাকৰ প্ৰভাৱ এই শক্তিবোৰৰ। সেয়েহে আদিম মানৱ সমাজে এই জটিল সমস্যা বোৰৰ পৰা হাত সাৰিবলৈ প্ৰাকৃতিক শক্তিবোৰৰ নামত পূজা-পাতল আদি কৰিছিল। অৱশেষত গৈ সেই পুজা-পাতলৰ পৰাই ধৰ্ম উৎপত্তি হ'ল আমাৰ মানৱ সমাজত। সিবোৰ যি কি নহওঁক আমি এই সিদ্ধান্তৰ পৰা কিছু অৱগত হলো যে নানা ধৰণৰ কাৰণৰ ফলস্বৰূপেই ধৰ্ম জন্ম হবলৈ পালে। যেতিয়াৰে পৰা ধৰ্ম উতপত্তি হ'ল তেতিয়াৰে পৰা মানৱ সমাজত ধৰ্ম এখনি বোৱতি নদীৰ দৰে প্ৰৱাহিত হৈ আহিছে, ক্ৰমাগত ভাৱে।

ইয়াৰ লগে লগে ধৰ্মই কিছুমান উল্লেখযোগ্য কাৰ্য্য সমাধা কৰি আহিছে। এই ধৰ্মৰ সামাজিক ক্ৰিয়াৰ বিষয়ে সম্যক জ্ঞান লাভ কৰাটো অতি প্ৰয়োজনীয়। কিন্তু তাৰ আগতে জানিব লাগিব ধৰ্ম কি? বা ধৰ্ম কাক বোলে? ইয়াৰ উত্তৰত অতি চমুকৈ কব পাৰি যে ধৰ্ম মুলতঃ অলৌকিক শক্তিৰ ওপৰত থকা মানুহৰ এক গভীৰ বিশ্বাস আৰু এই বিশ্বাসৰ ওপৰত ভিত্তি কৰি প্ৰদৰ্শন কৰা কিছুমান বিশেষ আচৰণ আৰু কাৰ্য্য কলাপৰ সমষ্টি। সমাজৰ জনসাধাৰণে অতীতৰ পৰা বৰ্তমানলৈকে নানা কাৰণ বৰ্ষত অলৌকিক শক্তিৰ ওপৰত বিশ্বাস কৰি আহিছে। সেই কাৰণে সমাজৰ প্ৰতিজন ব্যক্তিয়েই ভাৱে যে সমাজত ঘটি থকা বিভিন্ন ধৰণৰ ঘটনাবোৰ একোটা অলৌকিক শক্তিৰ দ্বাৰা কাৰ্য কৰি হয়। গতিকে এই শক্তিবোৰক উদ্দেশ্য কৰি জনসাধাৰণে বিভিন্ন ধৰণৰ পূজা, প্ৰাৰ্থনা, নৃত্য আদি ক্ৰিয়া সম্পাদনা কৰে। এই ক্ৰিয়া সমষ্টিকে ধৰ্ম বুলি আখ্যা দিয়া হয়। অৰ্থাৎ ধৰ্ম বুলি কোৱা হয়। মানৱ সমাজত ধৰ্মই এক উল্লেখ যোগ্য প্ৰভাৱ বিস্তাৰ কৰি আহিছে। এই চিৰন্তন সামাজিক সংস্থাটোৰ বিষয়ে কেইজনমান আগশাৰী সমাজ শাস্ত্ৰবিদে একোটাইত সংজ্ঞা আগবঢ়াই আমাক ধৰ্মৰ বিষয়ে স্পষ্ট জ্ঞান আহৰণ কৰাত বিশেষ সহায় কৰিছে। কিংছলি ডেভিয়ে কৈছে "মানৱ সমাজত ধৰ্ম এনে এক সাৰ্বভৌমিক, স্থায়ী আৰু ব্যাপক সামাজিক সংস্থা যাৰ বিষয়ে নিয়াৰিকৈ বুজিব নোৱাৰিলে মানৱ সমাজৰ বিষয়ে সম্যক জ্ঞান আহৰণ কৰাটো দুৰুহ হব"

Johnson ৰ মতে "Areligion is a more or less coberent system of beliefs

and practices concerned with super natural order to beings, place other anbities"

ইয়াৰ ওপৰিও আন আন কোনোৱে কৰ খুজে ধৰ্ম মানে হ'ল ভগৱান বা দেৱ দেৱীক পূজা কৰা। এইদৰে বিভিন্ন জনে বিভিন্ন ভাৱে সংজ্ঞা আগবঢ়াই আহিছে।

ওপৰত কৈ অহা হৈছে যে ধৰ্মৰ কিছুমান বিশেষ সামাজিক কাৰ্য্যত অংশগ্ৰহণ কৰি আহিছে। এখন সমাজ সুচাৰু ৰূপে পৰিচালনা কৰি নিয়াত ধৰ্মৰ অৱদান ইমান সুদূৰ প্ৰসাৰী যে তাৰ মুল্য সহজে দিব নোৱাৰি। সেয়েহে তাক কোৱা হয় অমূল্য অৱদান। আমাৰ সামাজিক জীৱনত কেতিয়াবা এনেকোৱা কিছুমান সমস্যা আগমন হয় যি সমস্যা আন সামাজিক সংস্থাবোৰে যেনে আইন, প্ৰথা আদিয়ে সমাধা কৰিব নোৱাৰে। কিন্তু তেনে কঠিন সমস্যা বোৰকো ধৰ্মৰ হেলাৰঙে আতৰ কৰি সমাজ একোখনক এটা সেন্দুৰীয়া পথোৰ আগবঢ়াই নিয়ে। ইয়াৰ মুখ্য কাৰণ হিচাপে আমি ধৰিব পাৰো জনসাধাৰণৰ ধৰ্মলৈ থকা ভয় আৰু এক গভীৰ বিশ্বাস। সমাজ একোখনত ভাল বেয়া দুয়োটাই অংগা-অংগীভাৱে জড়িত। সেয়েহে সামাজৰ ব্যক্তিসকলে কোনোবা মুহুৰ্ত্তত বেয়া পথে থোৰটো স্বাভাৱিক। কিন্তু বেয়া পথৰ যাত্ৰী হোৱা ব্যক্তিকো ধৰ্মই এটি সুন্দৰ পথলৈ আগবাঢ়াই দিব পাৰে। ধৰ্মলৈ থকা গভীৰ বিশ্বাস আৰু ভয়ৰ কাৰণটো অসামাজিক কাম কৰিবলৈ সৎসাহস কৰিব নোৱাৰে। অ.ন এটা ডাঙৰ কথা হ'ল ধৰ্মৰ লগত পাপ আৰু পুণ্য এই শব্দ দুটা বিশেষ ভাৱে জড়িত। এই পাপ পুণ্যৰ প্ৰভাৱেও জনসাধাৰণৰ ওপৰত উল্লেখনিয় হিচাপে কাম কৰিছে। কিয়নো সকলো ধৰ্ম প্ৰাণ ব্যক্তিয়েই বিশ্বাস কৰে যে পাপ কাম কৰিলে মানুহে নৰকত স্থান পায়। আৰু পুণ্য কামৰ ফল-স্বৰূপে মানুহে লাভ কৰিব পাৰে স্বৰ্গৰ মুখ্যস্থান। সেয়েহে সকলো ব্যক্তিয়েই স্বৰ্গগামী হোৱাটো মনে প্ৰাণে বিছাৰে। সেই কাৰণে ধৰ্ম প্ৰিয় লোকে কোনো প্ৰকাৰৰ অসামাজিক কামৰ প্ৰতি মনোগ্ৰাহী নহয়। ইয়াৰ ওপৰিও ধৰ্মৰ কিছুমান অনুশাসনমুলক নীতি নিয়ম আছে। এই কঠোৰ অনুশাসনমুলক নীতি নিয়ম সমূহৰ মানুহৰ বাবে আৱশ্যপালনীয় হিচাপে বিবেচিত হয়। এই ধৰ্মৰ অনুশাসনবোৰ নিৰ্দিষ্ট কোনো এজন ব্যক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়, বৰং সামূহিকতাৰ মাজেদিহে সেই বোৰৰপ্ৰভাৱ পৰিলক্ষিত হয়। গতিকে ধৰ্মৰ নীতি নিয়ম সমূহ ভংগ কৰা মানে সামুহিক অনুভূতিত আঘাট কৰা বুলি বিশ্বাস কৰে আৰু অনুভূতিত আঘাট কৰাটো এটা দুখনীয় কথা বুলি মনতে ভাবি লয়। ইয়াৰ ফলস্বৰূপে ধৰ্মৰ নীতি নিয়মবোৰ ভালদৰে পালন কৰি সমাজৰ উন্নতি হোৱাটো প্ৰতিজন ব্যক্তিয়েই কামনা কৰে।

ধৰ্মৰ প্ৰভাৱ ইমানেই সুদূৰ প্ৰসাৰীযে আজি কুৰি শতিকাতো অথাৎ আজিৰ বিজ্ঞানৰ যুগতো মানুহে তাক এক মূহুত্বৰ কাৰণেও এৰি দিব পৰা নাই। কিয়নো এই ধৰ্মই মানুহৰ

মনলৈ কঢ়িয়াই আনে শান্তি আৰু প্ৰৱিত্ৰতাৰ এক উজ্জ্বলমুখী ভাৱধাৰা। মানুহৰ জীৱনটো বহু কঠিন পংকিলতাৰে ভৰা। এনে এটা জীৱনলৈ কোনো মূহুৰ্ত্তত আহি পৰে কিছুমান বিপদৰ ঢৌ। এই বিপদৰ সময়ত ধৰ্মকে সাক্ষী কৰি মানুহে ধৰিবলৈ সক্ষম হয় ধৈৰ্য্য। ধৰ্মৰ এই গুণটোকো এটি মহান গুণ হিচাপে ধাৰণা কৰিব পাৰি।

ওপৰৰ আলোচনাৰ পৰা কব পাৰি যে মানৱ সমাজত ধৰ্মৰ গুৰুত্ব আৰু মহত্ব অতি শক্তিশালী আৰু সুদূৰ প্ৰসাৰী। ধৰ্ম নামৰ এই সংস্থাটো মানুহৰ মাজত নথকা হলে সমাজত কিছুমান বেমেজালিয়ে দেখা দিয়াটো স্বাভাৱিক বুলি কলেও ভুল কোৱা নহব নিশ্চয়।

কিংছলি ডেভিছে কৈছে "ধৰ্মৰ বিষয়ে ভালদৰে বুজিলে এখন সমাজৰ বিষয়ে সম্যক জ্ঞান লাভ কৰাটো সহজ নহয়। যদি সেয়ে হয় তেন্তে আমি সমাজৰ এজন ব্যক্তি হিচাপে সমাজ খনৰ কথা ভালদৰে জানিবই লাগিব আৰু সমাজৰ বিষয়ে জ্ঞান আহৰণ কৰিবলৈ হলে ধৰ্মৰ দিশত সম্যক জ্ঞান থকাটো অতি প্ৰয়োজনীয়। সেয়েহে ধৰ্ম আৰু ইয়াৰ সামাজিক ক্ৰিয়াৰ বিষয়ে ভালদৰে অৱগত হোৱাটো বাঞ্চনীয়। □

( বিঃ দ্ৰঃ এই প্ৰবন্ধটি লিখোতে উচ্চতৰ মাধ্যমিক আৰু স্নাতক বৰ্ষৰ কাৰণে যুগুত কৰা কেইবা খনো সমাজ শাস্ত্ৰৰ সহায় লোৱা হৈছে লিখক - । )

— মহৎ লোকৰ বাণী —

" কোনো শিল্পী যদি প্ৰকৃততে মহৎ নহয় তেনেহলে তেওঁৰ শিল্পকৰ্মত বিপ্লৱৰ কোনো মৰ্ম্মগত অংশ প্ৰতিফলিত নোহোৱাকৈ নাথাকে "

লেনিন —

সংগ্ৰাহক —

শ্ৰীনিতুল শইকীয়া।

স্নাতক ২য় বৰ্ষ।

# বিশ্বৰ কেইবিধমান গুৰুত্বপূৰ্ণ খেল

ৰাজু সোনোৱাল
স্নাতক প্ৰথম বাৰ্ষিক
বিজ্ঞান শাখা।

ফুটবল :- বৰ্তমান সময়ত বিশ্বৰ আটাইতকৈ জনপ্ৰিয় আৰু আকৰ্ষণীয় খেল হৈছে ফুটবল। পৃথিৱীৰ প্ৰায়বোৰ দেশেই ফুটবল খেলে। কিন্তু এই জনপ্ৰিয় খেলবিধৰ জন্ম কেনেকৈ, ক'ত, আৰু কেতিয়া হৈছিল তাক লৈ দ্বি-মত আছে। ফুটবলৰ জন্ম ৰহস্য লৈ নানা মুনিৰ নানা মত পোৱা যায়। কোনো কোনোবাৰ মতে ফুটবলৰ জন্ম স্থান হ'ল চীন। যিচুখ্ৰিষ্ট জন্মৰ কেইবা শতিকাৰো পুৰ্বে চীনৰ "চু-চো" নামৰ এবিধ খেলৰ পৰাই ফুটবলৰ জন্ম বুলি বহুলোকে কব খোজে। আন এচামে আকৌ কব খোজে ফটবলৰ জন্ম স্থান ইংলেণ্ডৰ ৰোম বা গ্ৰীচ।

আৰম্ভনীতে ফুটবলৰ নিয়ম কানুন আছিল বিশৃংখল। ই এক প্ৰকাৰৰ যুদ্ধৰ দৰেই আছিল। ফুটবলক লৈ এখন চহৰৰ এটা অংশৰ লগত আন এটা অংশৰ যি ধৰণৰ কাজিয়া বা প্ৰতিদণ্ডিতাৰ আৰম্ভ হৈছিল সি এক প্ৰকাৰৰ ৰক্তক্ষয়ী যুজ" আছিল। অৱশেষত সংযত আকৰ্ষণীয় ৰূপত সজাই পৰাই বিস্তাৰ, প্ৰতিপালন আৰু প্ৰচাৰৰ দায়িত্ব লয় ইংৰাজ সকলে। ফুটবলৰ নতুন নিয়ম কানুন তৈয়াৰ কৰি সাম্ৰাজ্যবাদী ব্ৰিটিছ সকলে যলৈকে যায় তালৈকে ইয়াক লৈ যাবলৈ আৰম্ভ কৰিলে। দ্বাদশ শতিকাৰ পৰা ইংলেণ্ডত ফুটবলৰ আন্তৰ্জাতিক ফুটবল সন্থা গঠন হোৱাৰ পিছৰে পৰা ফুটবল খেলাই সাৰ্বজনীন স্বকৃতি লাভ কৰে। এক নিয়ন্ত্ৰিত নীতি নিয়মৰ মাজেৰে ই বৰ্তমানৰ মৰ্য্যাদা লাভ কৰিবলৈ সমৰ্থ হৈছে।

ফুটবল খেলৰ বাবে দুটা দল আৰু প্ৰত্যেক দলৰে এঘাৰজনকৈ খেলোৱৈ থাকে। ফুটবলতো হৈছে চামৰাৰ এটা গোলাকাৰ ফোপোলা বস্তু। বলটোৰ পৰিধি হব লাগিব ২৮ ইঞ্চিৰ বেছি। ই ২৭ ইঞ্চিৰ কম হব নোৱাৰিব। বলটোৰ ওজন ১৬ আউন্সৰ বেছি আৰু ২৪ আউন্সৰ কম হ'ব নোৱাৰিব। সৰু ল'ৰা ছোৱালীৰ বাবে সৰু আকৃতিৰ বলো আছে। ফুটবল খেল পথাৰ ১০০ ৰ পৰা ১৩০ গজ দীঘল আৰু ৫০ ৰ পৰা ১০০ গজ পৰ্য্যন্ত বহল হব লাগিব। খেল পথাৰৰ দুয়োফালে থকা গলপষ্ট দুটা ২৪ ফু বহল আৰু ৮ ফুট ওখ হব লাগিব।

ক্ৰিকেট: - ফুটবলৰ দৰে জনপ্ৰিয়তাৰ শীৰ্ষবিন্দুত আৰোহণ কৰি বিশ্বৰ সকলো শ্ৰেণীৰ লোকৰ অন্তৰ স্পৰ্শ কৰিব নোৱাৰিলেও ক্ৰিকেট বৰ্তমান বিশ্বৰ এক উত্তেজনাপুৰ্ণ আৰু আকৰ্ষণীয় জনপ্ৰিয় খেলত পৰিণত হৈছে।

প্ৰাচীন ইংলণ্ডত ক্ৰিকেটৰ উৎপত্তি। বহু বছৰৰ পূৰ্বে ইংলেণ্ডত প্ৰচলিত ষ্টুলবল খেলৰ পৰাই কালক্ৰমত ক্ৰিকেটৰ উৎপত্তি হৈছে। ইংলেণ্ডত প্ৰথমতে ১৭৫০ চনতেই ক্ৰিকেট ক্লাব এটাৰ স্থাপন হৈ ক্ৰিকেট খেলৰ সূচনা হৈছিল। যদিও ১৭৮৭ চনত গঠন হোৱা বিখ্যাত মেৰ্লবৰ্ণ ক্ৰিকেট ক্লাব ( সংক্ষেপে এম, চি, চি, ) কেই ক্ৰিকেটৰ হোৱা বুলি অভিহিত কৰা হয় আৰু ইয়েই এই খেল বিধৰ নিয়ন্ত্ৰক হিচাপে কাম কৰি আহিছে। ১৮১৪ চনত লণ্ডনৰ ছেন্ট জনচ উড পাৰাত টমাছ লৰ্ড নামৰ এগৰাকী ভদ্ৰলোকৰ পৰা মাটি কিনি এম, চি, চি, ৰ সদস্য সকলে তেওঁলোকৰ খেলৰ ঠাই উলিয়াই লয়। পুৰণি মাটিৰ মালিকৰ নাম অনুসৰি খেলপথাৰ খনৰ নাম হৈ পৰে লৰ্ডৰ খেল পথাৰ।

ক্ৰিকেটৰ প্ৰতিতো দলত ১১ জনকৈ খেলোৱৈ থাকে। এখন খেল এদিনীয়া, দুদিনিয়া তিনিদিনিয়া আদি হব পাৰে। প্ৰতিতো দলে বেটিং আৰু বলিং কৰাৰ সুবিধা লাভ কৰে। এটা দলৰ আটাইকেইজন খেলুৱৈয়ে বেটিং কৰি সমাপ্ত কৰিলে এটা ইনিংছ সমাপ্ত হয়। দুটা ইনিংছ মিলি যি দলবেই ৰাণ সংখ্যা অধিক হব সেই দলেই জয়ীয়ো হব।

২২ গজ দূৰত্বৰ দুয়োকাষে ২২ ইঞ্চি ওখকৈ তিনিডাল কৈ ষ্টাম্পেৰে দুয়োৰে উইকেট গড়া হয়। একাষৰ পৰা এজন বলাৰে দৌৰি আহি প্ৰতিপক্ষৰ এজন বেটচ মেনলৈ বলতো মাৰি পঠিয়ায়। বেটচ্ মেনজনে হয় বলতো বেটেৰে লাহেকৈ বাধা দি থব, নহয় দূৰলৈ মাৰি পঠিয়াব। প্ৰতিপক্ষৰ মুঠ এঘাৰ গৰাকী খেলুৱৈয়ে বলটো ধৰিব নোৱাৰিলে বলতো খেল পথাৰৰ চৌদিশে দিয়া চিহ্ন পাৰ হৈ গুচিগলে বেটচ্মেনে চাৰি অথবা ছয় ৰাণ পায়। বলাৰ জনৰ বল বেটচ্মেনৰ বেটত নালাগি ষ্টাম্পত লাগিলে তেওঁ আউট হব। বেটচ্মেনৰ বেটত লাগি বলটো ওপৰলৈ উঠিলে আৰু বিপৰীত পক্ষৰ কোনোৱে বলটো ওপৰতে ধৰিলে তেওঁ আউট হব। এজন আউট হলে আন এজনে বেট ধৰিবলৈ আহে।

এজন বেটচমেনে বলতো মাৰি পিটচৰ আনটো প্ৰান্তত থকা খেলুৱৈজনৰ সৈতে স্থান সলনি কৰি ৰাণ সংগ্ৰহ কৰে। এজন খেলুৱৈয়ে এশৰাণ কৰিলে তেওঁ চেঞ্চুৰী কৰা বুলি কোৱা হয়। আনহাতে এজন বলাৰে একেবাহে তিনিটা উইকেট লাভ কৰিলে হেট্ৰিক কৰা বুলি কোৱা হয়।

প্ৰতিযোগিতা মূলক ক্ৰিকেটত ক্ৰিকেটৰ সাধাৰণ নীতি নিয়মলৈ যথেষ্ট সালসলনি কৰা হয়। খেল এখন পৰিচালনা কৰাৰ বাবে প্ৰয়োজন হোৱা দুগৰাকী আম্পায়াৰৰ উপৰিও ক্ৰিকেট খেল এখন পৰিচালনাৰ বাবে তৃতীয় আম্পায়াৰ আদিও নিয়োগ কৰা হয়।

মাৰাথাণ :— মাৰাথান বিশ্বৰ এবিধ প্ৰাচীন খেল। এই মাৰাথান দৌৰ এথলেটিকছৰ ভিতৰত পৰে যদিও ইয়াক এবিধ পৃথক খেল হিচাপে বৰ্ণনা কৰিব পাৰি। ই এক প্ৰকাৰৰ

দীৰ্ঘ দূৰত্বৰ দৌৰ। ২৬ মাইল দূৰত্ব দৌৰি অতিক্ৰম কৰা টোৱেই মাৰাথান বোলা হয় যদিও ই বহু নিয়ম কানুনৰ মাজেৰে পৰিচালিত হৈছে। মাৰাথান দৌৰৰ জন্ম সম্পৰ্কত এটা কাহিনী আছে, যীশুৰ জন্মৰ ৪৯০ বছৰৰ পূৰ্বে গ্ৰীচ দেশৰ মাৰাথান নামৰ ঠাই এডোখৰত এথেন্সৰ সৈন্যসকলৰ লগতে পাৰস্য ৰজা দেৰায়ছৰ সৈন্যৰ তুমুল যুদ্ধ হয়। অৱশেষত এথেন্সৰ সৈন্যসকলে যুদ্ধত জয়লাভ কৰিলে। যুদ্ধ জয়ৰ বাতৰি ২৬ মাইল আঁতৰৰ এথেন্সত দিবলৈ ফাইডিপাডিচ নামৰ এজন সৈনিকে যুদ্ধ ক্ষেত্ৰৰ পৰা দৌৰ আৰম্ভ কৰিছিল। অৱশেষত যুদ্ধ জয়ৰ বাতৰিটো ৰাজধানীত দিবলৈ সমৰ্থ হয়। এই কথা মনত ৰাখিয়েই অলিম্পিকত মাৰাথান দৌৰ অন্তৰ্ভুক্ত কৰা হয়।

এথলেটিক্সঃ— এথলেটিকছ হৈছে সকলোবোৰ ক্ৰীড়াৰ উৎস। ফুটবল, হকী, বাস্কেটবল আদি সকলোবোৰ খেলত প্ৰয়োজন হোৱা দৌৰ, জাপ, খোজ কঢ়া, দলিওৱা আদিক সামৰি লৈছে এথলেটিকছে। এথলেটিছ ১০০ মিটাৰ, ২০০ মিটাৰ দৌৰ, হাইজাম্প, পলভল্ট, জেভলিন, ডিছকাচ আদিৰ প্ৰতিযোগিতাই বিশ্বৰ ক্ৰীড়াপ্ৰেমী ৰাইজক ইমানেই আকৰ্ষিত কৰে যে অলিম্পিক এচিয়াৰ গেমছ আদিত এই প্ৰতিযোগিতা সমূহ লৈ যথেষ্ট উৎসাহ দেখিব লৈ পোৱা যায়। ১০০ মিটাৰ দৌৰৰ কাৰ্ল লুইছ, বেন জনছন, লিনফাৰ্ড ক্ৰিষ্টি, প'লভল্টৰ চাৰ্গেই বুবকা আদিৰ জনপ্ৰিয়তা সেয়েহে আজি ইমান বেছি।

হকী — হকী খেলসমূহৰ ভিতৰত অন্যতম। হকী খেল প্ৰথমতে ব্ৰিটিছ সকলৰ মাজত প্ৰচলিত হয়। যদিও ই পূৰ্ণাঙ্গ ৰূপ লয় ভাৰতীয় সকলৰ হাতত। ভাৰতীয়সকলৰ হাততেই হকীয়ে বিশ্বক্ৰীড়া পথাৰত সমাদৰ লাভ কৰে। বৰ্তমান হকীয়ে অলিম্পিক ক্ৰীড়া সমাৰোহত এক সন্মানজনক স্থান লাভ কৰিবলৈ সক্ষম হৈছে। অলিম্পিকৰ হকীত ভাৰতীয় পুৰুষ দলটোৱে ১৯২৮ চনৰ পৰা একেৰাহে ছয়বাৰ চেম্পিয়নৰ সন্মান অৰ্জন কৰিছে। ১৯৬৪ আৰু ১৯৮০ চনৰ অলিম্পিক হকীতো ভাৰত চেম্পিয়ন হয়। ১৯৬০ চনত ভাৰতৰ পৰা অলিম্পিকৰ হকীৰ সোণৰ পদক কাঢ়ি লয় পাকিস্তানে।

হকী খেলৰ নিয়ম কানুন ফুটবলৰ লগতে যথেষ্ট মিল আছে। ইয়াতো প্ৰতি পক্ষতে এঘাৰ জনকৈ খেলুৱৈ থাকে। চামৰাৰ বিশেষ ভাৱে তৈয়াৰী এটা কঠিন গোলাকাৰ বল বিশেষ ভাৱে নিৰ্মিত কাঠৰ ষ্টিকৰ সহায়ত সঞ্চালন কৰি হকী খেলা হয়। হকী খেল পথাৰ আৰু গলপষ্ট ফুটবল আকাৰত সৰু। হকী বলতো ক্ৰিকেট বলৰ আকৃতিৰ।

হকী নামটো "হুকড়ষ্টীক" অৰ্থাৎ আগবেকা লাঠিৰ অৰ্থ বুলি বিশেষজ্ঞ সকলে বিশ্বাস কৰে। ১৮৮৩ চনত ইংলেণ্ডৰ উইম্বলডন ক্লাবে হকীৰ আধুনিক নিয়মাৱলী প্ৰস্তুত কৰে।

১৯০০ চনত এই খেলে অলিম্পিকত অন্তভূক্ত কৰা হয়।

বাস্কেটবল ঃ— ১৮৯১ চনত আমেৰিকা যুক্তৰাষ্ট্ৰত প্ৰথমতে প্ৰচলিত হোৱা এই বিধ খেলৰ উদ্ভাৱক হ'ল ড° জেমচনেইস্মিথ। ইনড'ৰ হ'ল এটাৰ ভিতৰত আজৰি সময়ত ড° স্মিথে এটা ফুটবল আৰু দহ ফুট ওপৰত ৰখা এটা খৰাহীৰ সহায়ত এই খেল আৰম্ভ কৰিছিল। পিছলৈ বিভিন্ন নিয়মাৱলীৰ জনপ্ৰিয় হৈ পৰা বাস্কেটবল খেল বিধ আউটডৰ খেল হিচাপেও প্ৰতিষ্ঠিত হবলৈ আৰম্ভ কৰে আৰু ১৯৩৬ চনত ই অলিম্পিকত অৰ্ন্তভূক্ত হয়।

বাস্কেটবল কট এখনৰ দুয়োমুৰে থকা দুটা খুটিৰ ওপৰত দুখন বৰ্ডত দুটা বাস্কেট ৰখা হয় দহ ফুট উচ্চতাত। এটা দলে প্ৰতিপক্ষৰ বাস্কেটবল প্ৰৱেশ কৰোৱাব পাৰিলেই পইণ্ট লাভ কৰে। প্ৰতিতো দলত মুঠ পাঁচজনকৈ খেলুৱৈ থাকে। অতিৰিক্ত খেলুৱৈৰ সংখ্যা পাঁচৰ পৰা সাত জন হয়। খেল আম্পায়াৰ আৰু ৰেফাৰীয়ে পৰিচালনা কৰে।

ভলীবল :— ভলীবল ইনড'ৰ আৰু আউতড'ৰ উভয়তে খেলিব পৰা এবিধ জনপ্ৰিয় খেল। এখন কৰ্টত সমানে দুভাগ কৰি মাজত এখন নেটৰ ব্যৱস্থা কৰি দুয়োকালে ছজনীয়া দুটা দল ৰখা হয়। ফুটবলৰ আকৃতিৰ কিন্তু ফুটবলতকৈ পাতল এটা বল হাতেৰে বিপক্ষৰ কৰ্টৰ মাটিত পেলোৱাৰ চেষ্টাতোৱেই হৈছে ভলীবলৰ পইণ্ট সংগ্ৰহৰ নিয়ম। খেল পৰিচালনা কৰে নেটৰ দুয়োফালে থকা দুজন আম্পায়াৰে। ১৫ পইণ্টৰ গেমত এই খেল খেলা হয়। বিশেষ পৰিস্থিতিত ১৮ বা ২০ পইণ্টলৈ খেল চলে।

বেডমিণ্টন :— ভাৰতৰ মহাৰাষ্ট্ৰৰ পুনা চহৰত ১৮৭৩ চনত ইংৰাজ সৈনিক সকলে এই খেলবিধ আয়ত্ব কৰি ইংলেণ্ডলৈ গৈ তাক প্ৰচলন কৰে। প্ৰথমতে পুনা চহৰত আৰম্ভ হোৱাৰ বাবে এই খেলৰ নাম "পুনা" হয় যদিও ইংলেণ্ডত এই খেল বিধৰ প্ৰধান পৃষ্ঠপোষক ডিউক অব ব' ফোৰ্টৰ নিজৰ গাৰৰ নামেৰে এই খেলবিধৰ নামাকৰণ কৰা হয় বেডমিণ্টন বুলি।

বেডমিণ্টন খেল একক আৰু দ্বৈত শাখাত খেলিব পৰা যায়। ই প্ৰধানকৈ ইনড'ৰ গেম। এখন "ৰেকেট" নামৰ বেট আৰু পাতল পাখিৰে নিৰ্মিত বলৰ সহায়ত এখন কৰ্ট নেটেৰে সমানে দুভাগ কৰি এই খেল খেলা হয়। বিভিন্ন পৰিস্থিতিত ১১,১৫,২১ ত একোটা গেম সম্পূৰ্ণ কৰা হয়। আম্পায়াৰ, লাইন জাৰ্জ আৰু চাৰ্ভিছ জাৰ্জে খেল পৰিচালনা কৰে।

বেডমিণ্টৰ কৰ্ট ছিংগলচত ৪৪ ফুট দীঘল আৰু ১৭ ফুট বহল হয় ডবলছত বহল ২০ ফুট হয়। কৰ্টত সমানে ভাগ কাৰ নেটখন ৫ ফুট উচ্চতাত থাকে। ৰেকেটৰ সহায়ত পাখিৰ বলটো বিপক্ষৰ কৰ্টৰ মাটিত পেলাব পাৰিলেই পইণ্ট পোৱা হয়।

টেবল টেনিছ :— সৰু প্লাষ্টিকৰ বল আৰু কাঠৰ ওপৰত চামৰা বা স্পঞ্জ লগোৱা বিশেষ বেট বা ৰেকেটৰ সহায়ত টেবুল টেনিছ এখন টেবুলৰ ওপৰত কৰ্ট আঁকি খেলা হয়। এখন নেটৰ দ্বাৰা টেবুলৰ ওপৰত কৰ্টখনক সমানে দুভাগ কৰা হয়। ইনড'ৰ গেমৰ ভিতৰত উল্লেখযোগ্য এই খেল একক আৰু দ্বৈত উভয় শাখাতে খেলা হয়। বেডমিণ্টনৰ সৈতে খেলৰ নিয়মৰ যথেষ্ট মিল আছে।

লন টেনিছ :— প্ৰথমতে টেনিছ খেল পকা দেৱালেৰে আগুৰা এখন সৰু পথাৰত হৈছিল। বৰ্তমান টেনিছ মুকলি পথাৰত ভলীবল বা বাস্কেট বলৰ দৰে কৰ্টত খেলা হয়। পূৰ্বতে পকা বেৰত বিশেষ ধৰণৰ ৰাবাৰৰ সৰু বল এটা এখন বেডমিণ্টনৰ ৰেকেটক আকৃতিৰ বেতেৰে মাৰি পঠিয়াই প্ৰতিপক্ষক সাৱধান কৰি দি মুখেৰে উচ্চাৰণ কৰা হৈছিল "tenets" (অৰ্থাৎ ধৰিবা)। এই শব্দতোৰ পৰা খেলবিধৰ নাম ৰখা হৈছিল টেনিছ। বৰ্তমান ঘাঁহৰ কৰ্টত খেলা হয় বাবে এই খেলবিধৰ নাম ৰখা হ'ল লন টেনিছ। তাৰশ্যে বৰ্তমান কঠিন বোকা মাটি আৰু কৃত্ৰিম কৰ্টতো টেনিছ খেলা হয়। ছিংগলছ আৰু ডাবলছ উভয় শাখাতে এই খেল অনুষ্ঠিত হয়। ছিংগলছত কৰ্ট বহলে ২৭ ফুট আৰু ডবলছ ৩৬ ফুট। কৰ্টৰ দৈৰ্ঘ্য সকলো সময়তে ৭৮ ফুট। দুয়োপক্ষই দুফালে ৰেকট লৈ সাজু হৈ থাকে। দুয়ো ফালৰ কৰ্ট'ত বল এবাৰ ড্ৰপ খোৱাৰ পাছত ওভতাই পঠাবলৈ চেষ্টা কৰা হয়। নোৱাৰিলেই প্ৰতি- পক্ষই পইণ্ট লাভ কৰে। পইণ্ট ১ ৰ পৰা গননা নকৰি কৰা হয় পোন্ধৰৰ পৰা। তাৰ পিছত ৩০, ৪০ আৰু ৫০ বা গেম। দুটা গেমত আগ বাঢ়ি থাকি ছয় গেমত জয়ী হলে এটা চেট লাভ কৰে।

সাঁতোৰ :— বিভিন্ন প্ৰকাৰৰ জল ক্ৰীড়াৰ ভিতৰত সাঁতোৰ হৈছে এবিধ জন প্ৰিয় খেল। অলিম্পিক, এছিয়া গেমছ আদিত সাঁতোৰে এক গুৰুত্ব পূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সাঁতোৰৰ বিভিন্ন প্ৰতিযোগিতা আছে। হাত আৰু ভৰি চালনাৰ নিয়ম অনুসৰি ব্ৰেষ্ট ষ্ট্ৰোক, বেক ষ্ট্ৰোক, চাইড ষ্ট্ৰোক, বাটাৰ ফ্লাই, ট্ৰাজেন আদিৰ উপৰিও ডাইভিং সাঁতোৰ বা জল ক্ৰীয়াৰ উল্লেখ যোগ্য বিভাগ। প্ৰতিযোগিতা মুলক সাঁতোৰ সমুহ বৰ্তমানে কৃত্ৰিম জলাশয়ত অনুষ্ঠিত হয়। পৰিৱেশ আৰু পৰিস্থিতিৰ সৈতে ৰজিতা থুৱাই কৃত্ৰিম জলাশয়ৰ পানী উষ্ণতা নিয়ন্ত্ৰণ কৰা হয়।

প'ল' — ঘোঁৰাৰ ওপৰত উঠি খেলা ই এক প্ৰকাৰৰ হকী খেল। প'ল' প্ৰথমতে ভাৰতবৰ্ষ আৰু পাৰস্যত খেলা হৈছিল। তেতিয়া অৱশ্যে এই খেলবিধৰ নাম আছিল চৌগাম বা চৌগান পিছত ই তিব্বতীয় সকলৰ হাতত পৰি পুলু নাম লয়। পুলু গছৰ শিপাৰ পৰা এই খেলৰ

বলতো তৈয়াৰ কৰা হয় বাবেই এই খেল বিশ্বৰ নামো পুলু ৰখা হৈছিল । ইংৰাজ সকলে ভাৰতৰ এই খেল আয়ত্ব কৰি বিদেশলৈ নিয়ে।

হকী খেলৰ দৰে ষ্টিক একো ডাল হাতত লৈ ঘোঁৰাত উঠি মাটিত থকা বল আগবঢ়াই নিব লাগে বাবে প'ল' খেলৰ ষ্টিক কেইডাল দীঘলীয়া হয়। বলটো তৈয়াৰ কৰা বাঁহৰ মুঢ়া শিপাৰে সৈতে ঘুৰণীয়াকৈ কাটি। এটা বলৰ ব্যাস হয় চাৰে তিনি ইঞ্চি। হকীৰ দৰে দল বান্ধি খেলা হয় বাবে প'ল'ৰ খেলপথাৰ খন ডাঙৰ হব লাগে।

**বক্সিং :—** খালী হাতেৰে ইংলেণ্ডত আৰম্ভ হোৱা ঘুচিয়া ঘুচীৰ খেলাই বক্সিং আখ্যা পায়। মুষ্টিযুদ্ধ বা বক্সিৰ আন্তৰ্জাতিক নিয়ম কানুন থিক হয় ১৮৬৫ চনত। বৰ্তমানৰ আধুনীক বক্সিং খালী হাতেৰে নহয়, এযোৰ হাত মোজা পিন্ধিহে খেলা হয়। গ্লবছ যোৰ চামৰাৰে তৈয়াৰী। পুৰণি সময়ত এজনে আনজনৰ ওচৰত হাৰ স্বীকাৰ নকৰালৈকে বক্সিং চলি আছিল। বৰ্তমান নিৰ্দ্দিষ্ট সময়ৰ তিনিটা ৰাউণ্ডৰ বিশেষ পইণ্টৰ ব্যৱস্থাৰে খেলৰ মীমাংসা কৰা হয়। ৰেফাৰীয়ে যি সিদ্ধান্ত লয় সেয়াই চুৰান্ত শৰীৰৰ ওজন অনুসৰি বক্সিং প্ৰতিযোগিতা সমূহত বিভিন্ন ওজনৰ গ্ৰুপত পৃথকে পৃথকে খেল চলোৱা হয় বক্সিং খেলৰ বাবে এখন ষ্টেজৰ প্ৰয়োজন হয়।

**মল্লযুদ্ধ :—** মল্লযুদ্ধ বা কুস্তি এবিধ প্ৰাচীন খেল। ই প্ৰাচিন কালত ঠিক খেল নাছিল, ই আছিল এক প্ৰকাৰৰ কাজিয়া। ইয়াৰ অৱস্থান যিয়েই নহওক ভাৰতত কিন্তু ই অতি প্ৰাচীন কালৰে পৰা জনপ্ৰিয়। বৰ্তমান বহুনিয়ম কানুনৰ মাজেৰে মল্লযুদ্ধ অলিম্পিকৰ খেলত পৰিণত হৈছে। শৰীৰৰ ওজনৰ ওপৰত নিৰ্ভৰ কৰি মল্লযুদ্ধ বিভিন্ন ওজনৰ শাখাত ভাগ কৰি পেলোৱা হয়। মল্লযুদ্ধও কোমল ষ্টেজ এখনৰ ওপৰত এক নিৰ্দ্দিষ্ট ৰিঙৰ মাজত খেলোৱা হয়।

**ভ ৰোত্তোলন :—** শৰীৰৰ শক্তি পৰীক্ষা কৰা খেলৰ ভিতৰত কুস্তিৰ পিছতেই ভাৰাত্তোলন। ইয়াক এক প্ৰকাৰ ব্যায়ামৰ শাৰীতো পেলাব পাৰি। এডাল লোহাৰ দণ্ডৰ দুয়োমুৰে নিৰ্দ্দিষ্ট জোখত প্লেটসমূহ সংযোগ কৰি খেলুৱৈ সকলক দাঙিবলৈ দিয়া হয়। যিজনে বেছি ওজন দাঙিব তেওঁকেই শ্ৰেষ্ঠ বুলি কোৱা হয়। ভাৰাত্তোলন কেইবা প্ৰকাৰৰো আছে। যেনে লাইটৱেট, মিডলৱেট, লাইট হেভীৱেট, মিডল হেভীৱেট, হেভীৱেট, চুপাৰ হেভীৱেট ইত্যাদি।

**ডবা** ডবা হ'ল এবিধ মনঠাণ্ডা কৰি একান্ত মনোযোগেৰে খেলা মানসিক খেল। প্ৰথমতে ইয়াৰ প্ৰচলন হয় ভাৰতত চতৰঞ্জ হিচাপে। পিছলৈ নিয়ম কানুন সলনি কৰি নাম দিয়া হয় ডবা। এখন বড'ক ৬৪ টা সৰু সৰু বৰ্গ ক্ষেত্ৰত ভাগ কৰি এই খেল খেলা হয়। বৰ্গ আৰু কলা ৰঙৰ যোল্লটাকৈ গুটিৰে দুজনে এই খেল খেলে। দুয়োটা দলৰে এজনকৈ ৰজাৰ গুটি থাকে। এই ৰজাক অক্ষত অৱস্থাত ৰাখিবলৈকে বাকী পোন্ধৰতা গুটি আগবঢ়াই দি খেলা হয়। ই ভাৰতৰ প্ৰাচীন ৰজা সম্ৰাট সকলৰ খেল আছিল। এতিয়া ই বিভিন্ন নিয়ম কানুনেৰে আন্ত ৰাষ্ট্ৰীয়

খেলত পৰিণত হৈছে।

**কেৰম :—** কেৰম হ'ল এবিধ ইনড'ৰ গ্ৰেম। অৱশ্যে মুকলিতো এই খেল খেলিব পৰা যায়। ভাৰতত কেৰমৰ জনপ্ৰিয়তা আছে যদিও প্ৰকৃততে কেৰম হৈছে এবিধ বিদেশী খেল। এখন চাৰিকোণীয়া আৰু চাৰিটা কোণত পাকেত লগোৱা প্লাইউডৰ বৰ্ডত বগ-বগা গুটিবে সজাই লৈ এটা ষ্ট্ৰাইকাৰৰ সহায়ত আঙুলীৰে টোকৰ মাৰি খেলা খেল। বৰ্ডখনৰ চাৰিওপিনে সৰু কাঠৰ বীট মৰা থাকে। দুজন বা চাৰিজনে মিলি এই খেল খেলিব পাৰি। যিজনে তেওঁৰ ভাগত থকা গুটি কেইটা পাকেটত ভৰাব পাৰে তেওঁ বা সেই জনৰ দলকেই বিজয়ী ঘোষণা কৰা হয়।

**বিলিয়াৰ্ড —** বিলিয়াৰ্ড আন এবিধ ইনডৰ গ্ৰেম। এখন টেবুলৰ ওপৰত কেইটামান সৰু সৰু বলা লৈ কিউ নামৰ বিশেষ লাঠীৰ সহায়ত খোচ মাৰি এটা বলৰ সৈতে আন এটা বলৰ ঠেকাঠেকী লগাই বলসমূহ টেবুলৰ সংলগ্ন পকেটত পেলাবলৈ চেষ্টা কৰা হয়।

**কাবাডী আৰু খো-খো —** আমাৰ দেশৰ কাবাডী খো-খো ইতিমধ্যে যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিছে যদিও অলিম্পিকত অন্তৰ্ভূক্তিৰ বাবে এতিয়াও বহু বছৰ বাকী আছে। এই দুয়োবিধ খেলাই হৈছে দলীয় খেলা পথাৰত কট্ আঁকি লৈ দুয়োবিধ খেল খেলা হয়। বিশেষকৈ এছিয়া মহাদেশৰ ভিতৰতেই দুয়োবিধ খেলৰ জনপ্ৰিয়তা সীমাবদ্ধ হৈ আছে। দুয়োবিধ খেলতেই শাৰীৰিক শক্তিৰ পটুতাই আগ স্থান লাভ কৰে।

**তৰোৱাল যুঁজ ফেন্সিং :-** আমাৰ দেশৰ তৰোৱাল যুঁজই আমেৰিকা আৰু ইউৰোপৰ কোনো কোনো অঞ্চলত নাম পায় ফেন্সিং। ফেন্সিং খেলৰ বাবে যিবোৰ তৰোৱাল ব্যৱহাৰ কৰা হয় তাৰ ধাৰ নাথাকে; আগটোও জোঙা নহয়। এক নিৰ্দ্দিষ্ট কট্ৰ ভিতৰত থাকি দুজনে হাতত তৰোৱাল লৈ যুঁজ কৰে আৰু তৰোৱালৰ ভোটা আগটো বিপৰীত পক্ষৰ গাত লগাবলৈ যত্ন কৰে। তাতেই হৰা জিকা বিচাৰ কৰা হয়।

**জুডো আৰু কাৰাটে :-** জুডো আৰু কাৰাটে হৈছে এবিধ জনপ্ৰিয় মাৰ্চিয়েল আৰ্ট'চ। এই দুয়োবিধেই সাধাৰণতে আত্ম ৰক্ষাৰ কৌশল যদিও বৰ্তমান ব্যায়াম তথা খেলা হিচাপেই সমগ্ৰ বিশ্বতে অধিক জনপ্ৰিয় হৈ পৰিছে। এই দুইবিধ কৌশলৰ সহায়ত খালীহাতেৰে অস্ত্ৰ শস্ত্ৰ লৈ আক্ৰমণ কৰা আক্ৰমণকাৰীৰ বাধা দিব পৰা যায়। জুডোৰ উদ্ভাৱণ হ'ল চনীত। ই প্ৰায় মল্লযুদ্ধৰ নিয়মাৱলীকেই অনুসৰণ কৰে। কাৰাটেৰ উদ্ভাৱক হৈছে চীন দেশৰ বৌদ্ধ ভিক্ষুসকল ভাৰততো এই খেল দুবিধে ক্ৰমে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সমৰ্থ হৈছে।

**ৰাগবী** ৰাগবী হৈছে এবিধ হাতেৰে খেলা বিশেষ ধৰণৰ ফুটবল খেল। সেয়েহে ইয়াক ৰাগবী ফুটবল খেলও বোলা হয়। ৰাগবীৰ বলটো হৈছে ডিম্বাকৃতিৰ। হাতৰ লগতে ৰাগবীত

ভৰিতুখনৰো ব্যৱহাৰ হয়। ইউৰোপ আৰু আমেৰিকাত ৰাগবী অতি জনপ্ৰিয় খেল। ৰাগবী খেল চাবলৈ আমেৰিকা, ইউৰোপত হাজাৰ হাজাৰ দৰ্শকৰ সমাৱেশ হয়।

অলিম্পিয়াৰ পৰা অলিম্পিক :— গ্ৰীক সকলে বিভিন্ন প্ৰকাৰৰ উৎসৱ পালন কৰিছিল। প্ৰায় বিলাক উৎসৱেই খেল ধেমালী আৰু প্ৰতিযোগিতা আছিল। এই বিলাকৰ ভিতৰত ডাঙৰ উৎসৱটো আছিল দেৱতা জিউচৰ সন্মানাৰ্থে পতা ক্ৰীড়া প্ৰতিযোগিতা। অলি-ম্পিয়া চহৰত প্ৰতি চাৰি বছৰৰ মুৰে মুৰে এই ক্ৰীড়া উৎসৱ পতা হৈছিল। আলিম্পিয়া জিউচ মন্দিৰ মহান গ্ৰীক ভাস্কৰ ফিদিয়াচে নিৰ্মাণ কৰা জিউচৰ বিশাল মুৰ্ত্তি এটা এই মন্দিৰত আছিল। মুল মন্দিৰৰ কেউফালে আৰু বহু মন্দিৰত অন্যান্য দেৱ দেৱীৰ মুৰ্ত্তি আৰু বীৰ সকলৰ মুৰ্ত্তি প্ৰতিস্থাপিত হৈছিল। মন্দিৰ সমূহৰ লগত ডাঙৰ ক্ৰীড়া অনুশীলনী ভৱন আছিল।

গ্ৰীচৰ সকলো স্বাধীন নাগৰীকৰে অলিম্পিয়াৰ ক্ৰীড়া উৎসৱত অংশ গ্ৰহণ কৰাৰ অধিকাৰ আহিল যদিও এই ক্ৰীড়াত অংশ গ্ৰহণ কৰিবলৈ বছৰ জোৰা সাধনাৰ আৱশ্যক হৈছিল। কৃষক আৰু কাৰীকৰ সকলে এই দৰে অনুশীলন কৰিবলৈ সময় নাপাইছিল। তদুপৰি ৰথ প্ৰতিযোগিতা, ঘোঁৰা দৌৰ আদিৰ বাবে ঘোঁৰা আৰু ৰথ কিনিবলৈ দুখীয়া কৃষক, কাৰীকৰ সকলৰ ধন নাছিল। গতিকে কেৱল ধনী সকলেহে প্ৰতিযোগিতাত যোগদান কৰিব পাৰিছিল। আটাইত কৈ ডাঙৰ কথা আছিল যি সকলে নিজৰ জীৱন বিপন্ন কৰি ঘোঁৰা, ৰথ চলাই প্ৰতিযোগিতাত প্ৰথম হৈছিল সেই জনক বিজয়ী বুলি ঘোষণা কৰা নহৈছিল। জয়লাভৰ পুৰস্কাৰ দিয়া হৈছিল ঘোঁৰা আৰু ৰথৰ মালিক সকলকহে। বিজয়ী সকলক নিজৰ নিজৰ চহৰত যথেষ্ট সন্মান কৰা হৈছিহ। বিভিন্ন চহৰত বিজয়ী সকলৰ প্ৰস্তৰ মুৰ্ত্তি স্থাপন কৰা হৈছিল। অলিম্পিয়াত নাৰীৰ প্ৰৱেশ নিসিদ্ধ আছিল। আইন ভংগ কাৰী নাৰীৰ একমাত্ৰ শাস্তি আছিল মৃত্যুদণ্ড। যি মাহত অলিম্পিক খেলা হৈছিল সেই মাহক প্ৰৱিত্ৰ মাহ হিচাপে গনা কৰা হৈছিল। অলিম্পিকৰ সময়ত যুদ্ধ বিগ্ৰহ বন্ধ কৰা হৈছিল। গ্ৰীকসকলে বছৰ গননা আৰম্ভ কৰিছিল প্ৰথম অলিম্পিক আৰম্ভ হোৱা বছৰৰ পৰা। কিংবদন্তি অনুযায়ী খ্ৰী: পূঃ ৭৭৬ অব্দৰ পৰা অলিম্পিক আৰম্ভ হৈছিল। ❑

( সহায়লৈ )

# "যুৱ মানসিকতাৰ বিকৃত স্বৰূপ ৰেগিং"

নৱকুমাৰ দত্ত
স্নাতক প্ৰথম বৰ্ষ

শিক্ষাৰ এক কলংক স্বৰূপ ব্যাধি ৰেগিং যুৱ উচ্ছৃংখলতাৰ এক বিকৃত ৰূপ বুলি ব্যাখ্যা দিব পাৰি। নৱাগত ছাত্ৰ-ছাত্ৰীসকলক ৰেগিং নামত অমানৱীয় কিছুমান ব্যৱহাৰ কৰা হৈ আহিছে অসমৰ প্ৰায়বোৰ মহাবিদ্যালয়ত। প্ৰধানতঃ নতুন বৰ্ষ এটাত নামভৰ্ত্তি কৰাৰ পিছতেই যুৱ-যুৱতীৰ ওপৰত ৰেগিংৰ বিষ বিয়পী পৰে। চিনা পৰিচয়ৰ নামত জঘন্য কাম সংঘটিত হৈছে, চিনিয়ৰ ছাত্ৰ ছাত্ৰীৰ জুনিয়ৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত। প্ৰতি বছৰেই এই ব্যাধিটোৰ ওপৰত সংবাদ পত্ৰ, আলোচনী আদিত ব্যাপক লেখা-মেলা পৰিলক্ষিত হয়। কিন্তু পিছত সকলো ফুটুকাৰ যেন হৈ পৰে। আজি কেইবছৰ মানৰ পৰা এই ৰেগিং নামৰ বস্তুটোৱে অসমৰ শিক্ষানুষ্ঠান বোৰত এনেদৰে ঠাই পাইছে, ই যেন মহাবিদ্যালয়ৰ পাঠ্য ক্ৰমৰ এক অংশস্বৰূপ। গতিকে এই ৰেগিংৰ ভয়ত কোনোবাই শিক্ষানুষ্ঠান সলনি কৰে ঘৰলৈ উভতি আহিছে বা আত্মহত্যা কৰিবলৈও বাধ্য হৈছে। দৰাচলতে নতুন কলেজ এখনত প্ৰৱেশ কৰাৰ সময়ত যি আনন্দ উল্লাসৰ প্ৰয়োজন এজন ছাত্ৰ-ছাত্ৰীৰ সেই আনন্দ নিমিষতে উৰি যায় এই ৰেগিংৰ ভয়তেই। শিক্ষানুষ্ঠান বোৰৰ নামভৰ্ত্তি হোৱাৰ লগে লগে বিয়পী পৰে এই ৰেগিং নামৰ ব্যাধিতোৱে। উল্লেখযোগ্য যে হোষ্টেল সমূহত ৰেগিংৰ প্ৰভাৱ অধিক। ইয়াত অন্তৰ্ভুক্ত হোৱা নতুন ছাত্ৰ-ছাত্ৰীসকলে তিনিমাহ মানৰ কাৰণে চৰম অত্যাচাৰ ভুগিবলৈ বাধ্য। দৰাচলতে চিনিয়ৰ ছাত্ৰ-ছাত্ৰী সকলে জুনিয়ৰ ছাত্ৰ ছাত্ৰীক এনে সাভূত নাশ্ৰাব্য কাম কৰিবলৈ নিৰ্দেশ দিয়ে যে তাক কেৱল ভুক্তভোগি সকলেহে বুজিব পাৰিব। প্ৰধানকৈ ৰাতি ৰেগিংৰ অত্যাচাৰ হোষ্টেল সমূহত বৃদ্ধি পায়। সন্ধিয়া সাত মান বজাৰ পৰা নিশা বাৰ বজা পৰ্য্যন্ত, আনকি নিশাটোত নৱাগত সকলৰ ওপৰত ৰেগিংৰ অত্যাচাৰ অব্যাহত থাকে। এই সময়ত চিনিয়ৰ ছাত্ৰ-ছাত্ৰীসকল স্বয়ং ক্ষমতাশালী হিচাপে দেখা দিয়ে। অৰ্থাং কৰিবলৈ বাধ্য নহয় তেন্তে তেওঁ শিক্ষানুষ্ঠান ত্যাগ কৰিবলৈ বাধ্য হয়। ই এক দৈনন্দিন ঘটনা হৈ পৰিছে। তদুপৰি বহু ছাত্ৰ-ছাত্ৰীক ৰেগিংৰ নামত চিগাৰেট ড্ৰাগছ আদি নিচাযুক্ত দ্ৰব্য সেৱন কৰিবলৈও বাধ্য কৰাইছে বহু কলেজত। যোৱা বছৰত কটন মহাবিদ্যালয়ৰ মেধা ছাত্ৰ গৰ্গৰাম গগৈৰ আত্মহত্যাৰ বিষয়ে সকলোৱে জ্ঞাত। এই দৰেই ৰেগিংৰ বলি হৈ নিজৰ ভৱিষ্যত অন্ধকাৰ কৰি তুলিছে বহু নৱাগতাই। গুৱাহাটীৰ কেইবাখনো নামজ্বলা মহাবিদ্যালয়ত ৰেগিংৰ অত্যাচাৰ অধিক। এই

দৰে অব্যাহত থকা ৰেগিংৰ অত্যাচাৰ বন্ধ কৰিবৰ বাবে শিক্ষা বিভাগে আগভাগ লোৱাৰ সময়
হ'ল। ছোৱালী ছাত্ৰবাস সমূহতো ৰেগিংৰ অত্যাচাৰ অধিক। ইয়াতো অশ্লীলভাৱে ৰেগিং চলে।
যুৱ উচ্ছৃংখলতাৰ অন্যতম অংগ ৰেগিং বন্ধ কৰিবৰ হ'লে নিম্ন উল্লেখিত ব্যৱস্থা সমূহ
লব পাৰি—

১) প্ৰতিখন কলেজৰ ছাত্ৰ একতা সভাই ৰেগিংৰ ক্ষেত্ৰত কঢ়া ব্যৱস্থা গ্ৰহণ কৰিব লাগে।
প্ৰয়োজন বোধে ৰেগিং বিৰোধী সভা গঠন হ'ব লাগে। এই সভাই কলেজ সমূহত ৰেগিংৰ
বন্ধ কৰিবৰ বাবে পৰিবেশ গঠন কৰিব লাগিব।

২) নৱাগত আদৰণি সভা নামভৰ্ত্তিৰ কম দিনৰ ভিতৰত উৎযাপন কৰাৰ দিহা হওক।
এই সভাতেই মুকলি ভাৱে চিনাপৰিচয়ৰ ব্যৱস্থা লওঁক।

৩) ছাত্ৰ ৰাসৰ অধীক্ষক আৰু মনিটৰ ৰেগিংৰ ক্ষেত্ৰত সৰ্তক হোৱা উচিত যাতে কোনো
নবাগত ছাত্ৰ-ছাত্ৰী অযথা শাস্ত্ৰিৰ সম্মুখিন হ'ব লগা নহয়।

৪) ৰেগিং কৰা ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয়ৰ তৰফৰ পৰা শাস্ত্ৰি দিয়াৰ ব্যৱস্থা লওক।

৫) সৰ্বোচ্চ ছাত্ৰ সংগঠন আছুৱে ৰেগিংৰ ক্ষেত্ৰত এক বাস্তৱিক কাৰ্য্য-সূচী গ্ৰহণ কৰা
উচিত। ✳

—"মহৎ লোকৰ বাণী"—

"প্ৰকৃত মানুহজনক তিনিটা লক্ষণেৰে চিনা যায়। উদ্দেশ্যত উদাৰতা, কাৰ্য্য সম্পাদনাত মানৱতা আৰু কৃত কাৰ্য্যতাত আত্ম সংযম"— বিচমাৰ্ক।

সংগ্ৰাহক
শ্ৰীজগত চুতীয়া
স্নাতক ১ম বৰ্ষ

# : কুইজ :

- O পৃথিৱীৰ কোন দেশৰ মানুহে প্ৰথমে কিতাপ লিখিছিল ?
- উঃ মিছৰীয় সকলে ।
- O পৃথিৱীৰ সবাতোকৈ ডাঙৰ আকাৰৰ কিতাপখনৰ নাম কি ?
- উঃ "জাৰ্মান প্ৰিন্স" । কিতাপখন দীঘলে প্ৰায় ১২ ফুট আৰু বহলে ৪ফুট । কিতাপখনৰ ওজন ২ টনতকৈ অধিক ?
- O পৃথিৱীৰ প্ৰথম অভিধান কোনে উলিয়াই ? আৰু কেতিয়া প্ৰকাশ হয় ।
- উঃ চীন পণ্ডিত লা-আউৎসে খৃষ্ট পূৰ্ব একাদশ শতিকাত ।
- O বিশ্বৰ প্ৰথম পুঁথিভড়ালতো ক'ত স্থাপিত হৈছিল ?
- উঃ বেবিলনত ।
- O অন্ধই পঢ়িব পৰা কিতাপ কোনে আৱিস্কাৰ কৰে ?
- উঃ ফ্ৰান্সৰ লুই ব্ৰেইলে ।
- O পৃথিৱীৰ সৰ্বপ্ৰথম বাতৰিখনৰ নাম কি ?
- উঃ চীন দেশৰ "চিংপাওঁ" ।
- O অসমীয়া ভাষাত কম্পিউতাৰত লিখা প্ৰথম গ্ৰন্থ খনৰ নাম কি ?
- উঃ ড° দিলীপ কুমাৰ দত্তৰ "মই প্ৰেমত পৰিলো নেকি" ।

সংগ্ৰাহক :—

ইন্দ্ৰ নাথ

স্নাতক দ্বীতিয় বাৰ্ষিক

- O "ৰেডিঅ' চেণ্টাৰক" অল ইণ্ডিয়া ৰেডিঅ'লৈ কেতিয়া সলনি কৰা হয় ?
- উঃ ১৯৩৬ খ্ৰীষ্টাব্দত ।
- O "ভুজিয়া" শব্দতো ক'ত ; কাৰ নামত হৈছে ?
- উঃ ৰাজস্থানত। B. K: ৰাজকুমাৰৰ নামত ।
- O প্ৰথম অসমীয়া চাহ খেতিয়ক কোন ?
- উঃ জগনাথ বৰা ।

O নৌ বাহিনীৰ প্ৰথম অসমীয়া মহিলা কামাণ্ডাৰ কোন ?
উঃ ডা০ বাৰবাৰা ঘোষ।
O আধুনিক অলিম্পিকৰ জনক কোন ?
উঃ বেৰন পেৰেদি কোৱাৰটিন।
O ভাৰতৰ প্ৰথম মহিলা চিকিৎসক কোন ?
উঃ আনন্দী বাই যোশী।
O "অনুসন্ধানৰ" লেখক কোন ?
উঃ হোমেন বৰগোঁহাঞি।

সংগ্ৰাহক
শ্ৰীমতী অনুপ্ৰভা নাথ
স্নাতক প্ৰথম বৰ্ষ

O আৰবী কলেজ ক'ত ?
উঃ ৰঙ্গিয়াত।
O কোন নদীত মাছ নাই ?
উঃ জড়ন নদীত।
O কোন সাগৰত জাহাজ নচলে ?
উঃ চাৰাগাছা সাগৰত।
O কোন সাপে চলাচল কৰোতে ঝুম ঝুম শব্দ হয় ?
উঃ দক্ষিণ আফ্ৰিকাৰ "ব্যাটেল স্নেক"।
O কোন গছৰ ফলে পোহৰ দিয়ে ?
উঃ ফিলিপাইন দ্বীপপুঞ্জৰ বাংগিলুচ বেঙ গছৰ ফলে।
O কোন প্ৰাণীৰ আঠুত কাণ থাকে।
উঃ ফৰিঙৰ।

সংগ্ৰাহক
□ তপন জ্যোতি বৰুৱা
উঃ মাঃ ২য় বৰ্ষ

"চুটিগল্প যেন এটি পাখি লাহী পখিলা। নাচি নাচি
উৰি আহে এক লহমাৰ বাবে, এটা ফুলৰ
পাহিত বহি মৌ-চোঁহে তাৰ পাছত
উৰা মাৰি কোনোবাখন
পায়গৈ"

— ড° মহেন্দ্ৰ বৰা

# গল্প

## এই সংখ্যাৰ গল্প শিতানৰ নিবেদনঃ—

১। ভগ্ন হৃদয়
২। বন্ধুৰ সমাধি
৩। বেদনা ভৰা চুচকুত চুটুপাল অশ্ৰু
৪। এনাজৰী

# ভগ্ন হৃদয়

ধ্রুবজ্যোতি চেতীয়া
উঃ মাঃ প্ৰথম বাৰ্ষিক।
বিজ্ঞান শাখা।

মৃত্যুৰ সতে যুঁজ কৰি কৰি প্ৰতিটো মূহুৰ্ত্তই মোৰ বাবে যন্ত্ৰনাময় হৈছে। অথচ মোৰ বয়সেই বা কিমান হৈছে? মৃত্যুৰ দুৱাৰদলিত ভৰি দিয়াৰ বয়সটো মোৰ এতিয়াও হোৱা নাই। মোৰ ক'ত সমনীয়াই এতিয়াও স্বপ্নৰ ৰঙীন বলয়ৰ মাজত উটি ভাহি ফুৰিছে। কিন্তু মোৰ কি হৈছে? কেইমাহ মানৰ আগৰে পৰা কিবা এক যন্ত্ৰনাত মই ছট্‌ফটাই ফুৰিছোঁ। মাত্ৰ কেইমাহ মানৰ ভিতৰতে মোৰ হাঁহি হেৰাই গ'ল আশাবোৰ কৰবাত সিচঁৰিত হৈ পৰিল। ষাঠি বছৰীয়া বৃদ্ধৰ দৰে প্ৰতীটো মূহুত্ব মই বিছনা খনতে পৰি থাকিবলগিয়া হৈছে। নাই, জীয়াই থাকিবৰ মোৰ আৰু অলপো ইচ্ছা নাই।

ঘৰখনৰ প্ৰত্যিটো কোঠাত এতিয়া মৃত্যুৰ নীৰৱ ছায়াই লুকা ভাকু খেলি আছে। চৌদিশে যেন মৰিশালীৰ স্তব্ধতা। বেলিটো কেতিয়াবাই পশ্চিম আকাশত ডুব দিলে। দিক্ বলয়ৰ সিপাৰত লুকাই থকা আন্ধাৰ খিনিয়ে দৌৰি আহি সাৱটি ধৰিলে নিশাৰ পৃথিৱী খনক। ধীৰ শান্ত পদক্ষেপে মোৰ কোঠালৈ মা সোমাই আহিল আৰু কোঠাতোৰ লাইটবোৰ জ্বলাই দিলে। মা মোৰ বিচনাৰ কাষ চাপি আহিল। প্ৰাণহীন কাঠ এটুকুৰাৰ দৰে বিচনাখনত পৰি আছো মই। চকু দুটা মেলি মাৰ মুখলৈ চালো। ওঁঠ দুটা সামান্য কঁপি উঠিল। কিবা এটা কবলৈ খুওর চেষ্টা কৰিছিলো কিন্তু নোৱাৰিলো। অবুজ চকুপানী দুগালে দি বৈ গ'ল।

বহুত দিনৰ মুৰত আজি প্ৰতিমাৰ ফটোখন উলিয়াই ললো। তাইৰ ফটোত যেন আজি মই কিবা এটা বিছাৰি পাইছো। পলক নেপেলোৱা কৈ ফটোখনলৈ চাইৰলো। মুখত এক ঐশ্বৰ্যামময় হাঁহি লৈ প্ৰতিমা মোৰ কোলাত শুই আছে আৰু মই বহি আছো। তাইৰ মুখত কি যে দাপ্তি। আৰু এতিয়া, এতিয়া ছাগৈ তাই আপোনজনৰ কোলাত মুৰ থৈ শুই আছে আৰু তাইৰ অবিহনে নিংসাৰ হৈ মই বিচনাত পৰি আছো। নাই, নাই আৰু নোৱাৰি। ফটোখন

আতৰাই থলো। আকৌ দুগালে অশ্ৰু নামি আহিল। মই জানো মোৰ আৰু বেছি সময় নাই। খুওৱ বেছি মই দুই এদিনৰ ভিতৰতে এই পৃথিৱীৰ পৰা বিদায় ল'ম। কিন্তু মৃত্যুৰ আগতে মই মোৰ করুণ কাহিনী সকলোকে জনাই থৈ যাব বিচাৰো, সেয়েহে অতি কষ্টেৰে কাগজ কলম তুলি ললো।

আজি মোৰ এই নিসঙ্গ অৱস্থাক লৈ বিভিন্ন মানুহৰ কৌতুহলৰ অন্ত নাই। কোনোবাই হয়তো দুখ অনুভৱ কৰিছে আৰু কোনোবাই হয়তো মোৰ কথা পাতিয়েই গধূলীৰ আড্ডা জমাই দিছে।

সেই সময়ত মই বজাৰলৈ গলে নাইবা আন কৰবালৈ গলে এটা পথেৰেই গৈছিলো। সেই পথটোৰে গলে এটা ঘৰৰ ফালে মই সদায় চাইছিলো। কাৰণ ঘৰটোত এজনী ধুনীয়া ছোৱালী আছিল। ধীৰ শান্ত, নিজু, স্বভাৱৰ ছোৱালীজনী দেখিলেই এক বুজাব নোৱাৰা অথচ ভাল লগা অনুভুতিৰ দেহৰ মাজেৰে বৈ গৈছিল। সামান্য ৰঙা হলেও ঘন দীঘল চুলি একোচ পিছলৈ বৈ পৰিছিল আৰু গাল দুখন অস্তগামী সূৰ্য্যৰ ৰাঙলী কিৰণৰ দৰে। যেন বেজিৰ সামান্য খোচ এটাতে তেজ ওলাই আহিব। ছোৱালীজনীৰ চকু যুৰি আজিও মোৰ চকুৰ আগত ভাঁহি আছে। কিমান ধুনীয়া আছিল সেই চকু যুৰি। কেতিয়াবা ছোৱালীজনিয়ে ঘৰৰ সন্মুখৰ ৰঙা-নীলা হালধীয়া ফুলেৰে ভৰি থকা ফুলনি খনত ফুলবোৰ লাৰি থাকে। যেন ফুলৰ পৰা মৌ চুহিবলৈ অহা এটা পখিলাহে। কেতিয়াবা ঘৰৰ সন্মুখৰ বাৰান্দাখনৰ চিৰিত বহি থাকে। মই ঘৰটোৰ ফালে চালে প্ৰায়েই ছোৱালী জনীক দেখা পাও আৰু তেতিয়া এক বুজাব নোৱাৰা পুলকেৰে মোৰ মনটো ভৰি পৰে। লাহে লাহে মই মোৰ হৃদয়ৰ দোৱাৰত কোনোবাই টোকৰ দিয়া গম পাইছিলো। মোৰ ভাৱ হৈছিল মই প্ৰেমত পৰিলো নেকি? সচাঁকৈয়ে মই ছোৱালী জনীৰ প্ৰেমত পৰিছিলো।

সেইদিনা মই বজাৰৰ পৰা আহি আছিলো। ইতিমধ্যে বৰষুণ দিবলৈ আৰম্ভ কৰিছিল। ছাটিতো মেলি লৈছিলো। হঠাৎ দেখিলো মোৰ পৰা মাত্ৰ অলপ আঁতৰত সেই ছোৱালী জনী খৰখোজেৰে ঘৰলৈ গৈ আছিল। তাইৰ হাতত ছাটি নাছিল। মই মনতে ভাবিছিলো আজি চিনাকী হোৱাৰ সুবিধা কন পালো। মই অলপ বেগাই গৈ ছোৱালীজনীক লগ ধৰিছিলো। সামান্যতম এটা গল খেকাৰি মাৰি মই তাইক মোৰ উপস্থিতিৰ উমান দিছিলো। তাই মোৰ ফালে ঘূৰি চাইছিল। মই কৈছিলো "বেয়া নোপোৱা যদি মোৰ লগতে যাব পাৰিলাহেঁতেন" তাই মিচিকিয়াই হাঁহি এটা মাৰি ধন্যবাদ বুলি কৈ মোৰ ছাটিৰ তলত সোমাই পৰিছিল।

অলপ দূৰ দুয়ো নীৰৱ। নাই তাইৰ ফালৰ পৰা যে কিবা কব মই অনুভৱ নকৰিলো।
মই নিজেই আৰম্ভ কৰিছিলো।

"তোমাক নামটো"?

অলপ পৰ ষৈ তাই উত্তৰ দিছিল "মোৰ নাম প্ৰতিমা বৰা"।

"আপোনাৰ নামতো"?

মই কৈছিলো, "মোৰ নাম আকাশ দত্ত।"

ইতিমধ্যে ছোৱালী জনীৰ ঘৰৰ সন্মুখ; অ' নহয় প্ৰতিমাৰ ঘৰৰ সন্মুখ পাইছিলোহি আৰু তাই মোক বিদায় সম্ভাষণ দি গুচি গৈছিল।

তাৰ পাছত প্ৰায়ে দুজনে সিজনক লগ পাইছিলো। দুজনে সিজনৰ দুখ-সুখৰ কথা পাতিছিলো। লাহে লাহে আমাৰ দিনবোৰ গৈ আছিল। হঠাৎ এদিন মই প্ৰতিমাক সুধি পেলাইছিলো। প্ৰতিমা মই তোমাক ভাল পাওঁ এই ক্ষেত্ৰত তোমাৰ মন্তব্য কি মই জানিব বিচাৰো? সেইদিনা একো নোকোৱাকৈ গুচি গৈছিল প্ৰতিমা। মুখত খংৰ চাপ বিদ্যমান। তেতিয়া মই বুজিছিলো প্ৰতিমাই মোক নিশ্চয় ভাল নাপায়। কিন্তু... — ... তাই যদি মোক ভালেই নাপায় তেন্তে কিয় তাই মোক ইমান কাষলৈ টানি আনিছিল। মোক জ্বলাবলৈ নেকি? নে অন্য কিবা কাৰণত? হয়তো প্ৰেমৰ প্ৰতি তাইৰ কোনো ধাৰণাই নাই। সেই দিনা মই নিজকে সান্ত্বনা দিবলৈ উপায় পোৱা নাছিলো। সেই বুলি মই প্ৰেম ভালপোৱাক ঘিণ নকৰো। প্ৰেম নহলে এই পৃথিৱী জানো জীয়াই থাকিব পাৰিব? প্ৰেমৰ বাবেইটো পৃথিৱী আজিও জীয়াই আছে।

এনেদৰে বহুদিন পাৰ হৈ গৈছিল, ভাবিছিলো প্ৰতিমাৰ পৰা কোনে সহাৰি নেপাম। নেপাম ছাগৈ যৌৱনৰ আমেজ আৰু মাদকতা।

আকাশ দা, "কি ভাবিছে, গলাৰ প্লট নেকি?"

মই এনেয়ে ঘৰৰ পদুলী মুখত থকা আহঁত গছ জোপাৰ তলত বহি কিবা এটা ভাবি আছিলো। হঠাৎ প্ৰতিমাৰ মাত শুনি মই চক খাই উঠিছিলো। মই নিজকে বিশ্বাস কৰিব পৰা নাছিলো কিন্তু হয় সেয়া প্ৰতিমাই আছিল।

আকাশ দা, "আপোনাৰ বাবে বৰভাল খবৰ এটা আছে।

ভাল খবৰ, মোৰ বাবে কি ভাল খবৰ হব পাৰে?

"আপুনি চকু বন্ধ কৰক।"

বহুত পৰলৈকে প্ৰতিমাৰ মাত শুনুনি মই চকু মেলিছিলো। কিন্তু তেতিয়া আৰু তাত প্ৰতিমা নাছিল। তাৰ পৰিবৰ্তে তাত আছিল মাত্ৰ এখিলা বগা কাগজ যত লিখা আছিল "I Love You"। মই আচৰিত হৈ গৈছিলো এয়া কি? হঠাৎ মোৰ মনত পৰিল মই যে প্ৰতিমাক

বহা বুলিও নকলো।

এনেদৰেই আমাৰ দুয়োৰে ভাল পোৱা আৰম্ভ হৈছিল। আমি দুয়ো দুয়েকে পাই বৰ সুখী আছিলো। হৃদয় উজাৰি ভাল পাইছিলো দুয়ো দুয়োকে। মনৰ আনন্দত আমি কল্পনাৰ ঘোঁৰা চেকুৰাইছিলো। অনন্দৰ কাৰেংঘৰ সাজিছিলো। অনুভৱ কৰিছিলো জীয়াই থকাৰ মাদকতা উত্তাল আবেগৰ বশৱৰ্তী হৈ এদিন দুয়ো ইজনে সিজনৰ পৰা আতঁৰি নোযোৱাৰ সংকল্প লৈছিলো।

আমাৰ প্ৰেম হৈ পৰিছিল বহুযুগৰ সাধনাৰ শিলৰ প্ৰতিমূৰ্ত্তি। পাখীলগা সময়ৰ গতিত খোজ মিলাই আগবাঢ়ি গৈছিল আমাৰ প্ৰেম প্ৰীতি আৰু ভালপোৱাৰ হাঁহি আনন্দৰ মাজেৰেই পাৰ হৈছিল দুটা জীৱন।

হৰ্থাৎ এদিন গম পাইছিলো প্ৰতীমাই প্ৰাঞ্জল নামৰ এজন ধনী ঘৰৰ ল'ৰাক ভাল পায়। মই নিজেও সিহঁতক বহুদিন দেখিছিলো। মোৰ কিন্তু ধাৰণা তেনেকুৱা নাছিল। মই ভাবিছিলো তাই প্ৰাঞ্জলক কেৱল বন্ধু ভাৱেৰেহে ভাল পাইছিল। সেয়েহে মই তাইক কেতিয়াও এই বিষয়ে সুধা নাছিলো। মোৰ সকলো মৰম প্ৰতীমাক উজাৰি দিছিলো। এনেদৰেই আমাৰ সময় বোৰ পাৰ হৈ আছিল। লাহে লাহে মই অনুভৱ কৰিছিলো মোৰ প্ৰতি থকা প্ৰতিমাৰ মৰম ভালপোৱা কমি গৈছে। তথাপিতো মই নিজৰ বিশ্বাসত অতল আছিলো।

ভাগ্যৰ বিধান কোনেও খণ্ডাব নোৱাৰে, মোৰো সেয়ে হ'ল। কোনো অবাঞ্চিত দিনৰ অবাঞ্চিত মুহূৰ্ত্তত প্ৰতিমাক এদিন পলাই গৈছিল প্ৰাঞ্জললৈ ছিগি গৈছিল আমাৰ মাজৰ সম্বন্ধ। লগতে কাঢ়ি লৈ গৈছিল মোৰ জীয়াই থকৰ উৎসাহ উদ্দীপনা।

লাহে লাহে প্ৰকৃতিয়ে বাগৰ সলালে। চুৰমাৰ হৈ গৈছিল মোৰ হৃদয়। মই কিন্তু অলৰ অচৰ। মোৰ হৃদয়ত অঁকা আছে এতিয়াও প্ৰতিমাৰ প্ৰতিচ্ছবি। এয়া মোৰ জীৱনত পাৰ হৈ যোৱা এটা ভূমিকম্প যি মোৰ সকলো সপোন সকলো আশা ঠান বান কৰি পেলালে। আৰু আজিও মই জীয়াই আছো এখন তপ্ত হৃদয় আৰু এটা প্ৰাণহীন মৰাশৰ দৰে দেহা লৈ। প্ৰতিমা যাক মই মোৰ হৃদয়ৰকৈ বেছি ভাল পাইছিলো, মনপক্ষী উৰা মাৰে মোৰ আজিও প্ৰতিমাৰ কাষলৈ। এতিয়াও পাহৰা নাই, মোৰ মৰণৰ বেলিকাও পাহৰা নাই মই আমাৰ প্ৰতিশ্ৰুতি বোৰলৈ। □

—ঃ কৌতুক ঃ—

গিতু ঃ — ল'ৰ বোৱেনো কি কথা পাতে জানিবলৈ মন যায় পায়।

মিনা ঃ — কিনো কথা পাতিব আৰু আমি পতাবোৰকে পাতে

গিতুঃ— ইচ্ বাম। ল'ৰা বিলাক ইমান অসভ্যনে ?

সংগ্ৰাহক
শ্ৰী প্ৰদীপ পৰাগ দত্ত, স্নাতক ১ম বৰ্ষ

# বন্ধুৰ সমাধি

ৰীতা গগৈ
স্নাতক দ্বিতীয় বাৰ্ষিক

আজি বন্ধৰ দিন। ঘৰত থাকি মনটো বৰ ভাল লগা নাই। কিবা এটা নিঃসঙ্গতাই যেন মোক বৰকৈ আমনি কৰিছে। বতৰটোৰ বৰ থিক নহয়। অলপ পিছতে হয়তো বৰষুণ দিব। ক'লা মেঘ বোৰে ঘনাই ঠাই সলাইছে। কাউৰী বিলাকে কা-কা কৰি যেন কিবা কঢ়িয়াই আনিছে। আনদিনা আজৰি সময়ত "বিস্ময়" খন মেলি লও। কিন্তু আজিছোন সেইখনো পঢ়িব মন যোৱা নাই। শেষত চকু পৰিল পুৰণি আলমাৰিতোলৈ। প্ৰথম দৃষ্টিত চকু পৰিল কাঞ্চন বৰুৱাদেৱৰ "অসীমত যাৰ হেৰাল সীমা" কিতাপ খনত। লাহেকৈ সেই-খনকে টানি আনিলো। এখোজ দুখোজ কৰি বাট ললো বাৰাণ্ডাৰ চকী খনৰ ওচৰলৈ। দুই এক পৃষ্ঠা পঢ়িবলৈ যত্ন কৰিলো। নাই নোৱাৰি। মনতোছোন আজি কতো বহাব পৰা নাই। কিয় এনে হৈছে আজি কব নোৱাৰো। কিতাপখন কাষৰ টেবুল খনতে থৈ লাহেকৈ ওলাই আহিলো গোলাপ, তগৰ, নাৰ্জি আদি ফুলেৰে পতা মোৰ সৰু বাগিছা খনলৈ। কি? এজোপা গছতো এপাহো ফুল নাই। ইমান ফুলেৰে ভৰি থকা ফুলনিৰ ফুলবোৰ আজি গ'ল কলৈ। খুওব খং উঠিছিল সিহঁতৰ ওপৰত। তাৰ পাছত হঠাৎ মনত পৰিল এফাঁকি কবিতালৈ

"অমানিশা ভয়াল ৰাতি
নাপাবা তুমি পূৰ্ণিমাৰ জোন
পাবা কেৱল আন্ধাৰ
কেৱল আন্ধাৰ"

ইপিনে সিপিনে চাই পুনৰ পদূলি মুখলৈ ওলাই আহিলো। নাইতো ক'তো আজি-ছোন চিনাকী মানুহ এজনো নাই। ক'ত গ'ল আজি মানুহবোৰ সকলো শেষ হৈ গ'ল নেকি? নে সকলোৰে একেই নিসংগতা।

হঠাৎ আতৰলৈ চকু পৰিল। এজন মানুহ এইপিনে আহি আছে। খোজবোৰ যেন খুব ধীৰ গতিৰ। তেওঁৰ খোজ কাতলৰ পৰা অনুমান কৰিব পাৰি, পথতো যে তেওঁৰ বাবে অচিনাকী। অলপ ৰৈ যাব খুজে, পুনৰ কি ভাৱি জানো আকৌ খোজ দিয়ে। মইও মানুহ-জনৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিছো গভীৰ ভাৱে। মানুহজন যিমানেই আগবাঢ়ি আহিছে সিমা-

নেই চিনাকী যেন লাগিছে। হাতত এটা ভি, আই, পি,। কান্ধত এটা ওলমাই লোৱা বেগ। মানুহজনে ছাগে ইমান বয়-বস্তুৰে খুওব কষ্ট পাইছে। বেছেৰা কৰ পৰা বা আহিছে, কলৈ বা যায় তাৰ কি থিক। এইবোৰ ভাৱি থাকোতে কেতিয়ানো মোৰ ওচৰ পালেহি ধৰিবই নোৱাৰিলো।

মানুহজনে লাহেকৈ মাত দিলে এইখন এঙ্গাৰ খোৱা গাওঁ নেকি? মই প্ৰায় নোছোৰাকৈয়ে উত্তৰ দিলো— হয়। কাক বিচাৰিছে? তেওঁ মোক প্ৰশ্ন কৰিলে গীতা গগৈক চিনি পোৱা নেকি?

এইবাৰ মই ভালকৈ লক্ষ্যকৰি দেখিলো মানুহৰ মুখ খনচোন চিনাকী যেন লাগিছে। কিন্তু ক'ত বা লগ পাইছিলো! মই বিনম্ৰ সুৰত কলো হয় চিনিপাওঁ, কিন্তু মই ৰডিয়াৰ পৰা আহিছো। বৰ্তমান ডিব্ৰুগড়ত M. B. B. S. পঢ়ি আছো। গীতা মোৰ স্কুলীয়া জীৱনৰ বান্ধৱী। ভাৱিলো তাইক বহুদিন লগ পোৱা নাই। গতিকে লগ কৰি যাওঁ।

মই প্ৰশ্ন কৰিলো — যদি বেয়া নোপোৱা তোমাৰ নামটো কবা নেকি?

মোৰ নাম হামিদ খান। তেওঁ উত্তৰ দিলে। পুৰণি বন্ধু হামিদক লগ পাই মোৰ মনতো আনন্দত নাছি উঠিল। কিন্তু তাক মইয়েই যে সেই গীতা তাৰ পৰিচও নিদি ঘৰলৈ নিমন্ত্ৰণ কৰিলো। সি মোৰ নিমন্ত্ৰণ ৰক্ষা কৰি সোমাই আহিল আমাৰ ঘৰলৈ।

বাৰণ্ডাত ভৰি দিছো দেউতাই বাতৰি পঢ়ি আছে। তেওঁ মোলৈ চাই মাত লগালে— কি হ'ল গীতা? কোন তেওঁ? মই জানো, দেউতাই কথা পাতিবলৈ পালে শেষ নহয়। গতিকে দেউতাক কলোঁ।... ... ...দেউতা চিনাকী পিছত হব। এওঁ বহুত দূৰৰ পৰা আহিছে। ভাগৰ লাগিছে। আগতে হাত মুখ ধুই জিৰনি লওঁক তাৰ পিছত চিনাকী হব।

দেউতাইও বাৰু বুলি কৈ আমাক বিদায় দিলে। এইবাৰ হামিদক পায় কোনে? হাত মুখ ধুবৰ বাবে নিমন্ত্ৰণ জনালো। সি ক'লে মই গীতাৰ ঘৰতে ধুমগৈ। আপোনাৰ নিমন্ত্ৰণ ৰক্ষা কৰিহে সোমালো। যদি বেয়া নাপায় গীতাৰ ঘৰতো চিনাকী কৰিথৈ আহিব নেকি? সি মোক চিনি পায়ো এইবাৰ নিচিনাৰ ভাওঁ ধৰিলে।

মইও কম নহয়। মই কলো হ'ব বাৰু আহিছা যেতিয়া যাবা বাৰু। চিন্তা কৰিব নালাগে। মোৰ প্ৰায় হাঁহি উঠি গ'ল। সিও হাঁহি দিলে।

ভৰি হাত ধুই চাহ খাবৰ বাবে তুয়ো বহি ললো। তুয়ো ধৰা পৰি গলো। সি এপিনৰ পৰা মোৰ প্ৰশ্নৰ উত্তৰবোৰ দি গ'ল। মইয়ে প্ৰথমে আৰম্ভ কৰিলো আৰু তাৰ দুয়োধাৰে চকুপানী বাগৰি আহিল। কিন্তু সি হঠাৎ যেন স্তব্ধহৈ বৈ গ'ল।

মই স্তব্ধহৈ গলো। কিছু সময় পুনৰ প্ৰশ্ন বোধক চাৱনিৰে চাই কোনো উত্তৰ

নাপায় পুনৰ প্ৰশ্ন কৰিবলৈ বাধ্য হলো। কি হ'ল হামিদ, দাদাৰ খবৰ সোধাৰ লগে লগে যে তুমি তেনে খন কৰিছা দাদাৰ কিবা··· ··· •••।

হামিদে যেন শুই থকাৰ পৰাহে সাৰ পালে। অলপ গহীন হৈ ধৰা নপৰিবলৈ পুনৰ আৰম্ভ কৰিলে— জানা গীতা, এই পৃথিৱীখন স'চাই ৰহস্য ময়। তাৰ মাজতে ৰহস্য ময় তুমি আমিবোৰ। পৃথিৱীত যে একোকে আপুন বুলি লব নোৱাৰি। যাক লব খোজা সি মাথো খন্তেকিয়া।

মই তাৰ কথাষাৰত কিবা ৰহস্য থকা যেন পালো। সেয়েহে প্ৰকৃত কথাটো জানিবৰ বাবে পেংলাই সুৰতে কলো এইটো আকৌ তুমি কব লগা কথানে? সৃষ্টিৰ পাতনিৰ লগতে যে পতনো আছে তাক সকলোৱে জানে। তোমাৰ আকৌ তেনে কিবা— ?

সি প্ৰায় চিঞৰি উঠাৰ দৰে মোৰ কথাৰ প্ৰতিবাদ কৰি উঠিল গীতা, তুমি হয়তো নুবুজা। তুমি যিদৰে প্ৰতিটো কথা সহজভাৱে লব পাৰা থিক তেনেকৈ অন্য এজনে হয়তো খুওৱ গভীৰ ভাৱে লব পাৰে বুজিছা।

মইও তৰ্কবাদ অন্ত পৰিবৰ বাবে বিণম্ৰ সুৰত কলো বাৰু হামিদ এইবোৰ বাদ দি এতিয় প্ৰকৃত কথালৈ আঁহাছোন। দাদাৰ হ'ল কি।

সিও পুণৰ আৰম্ভ কৰিলে জানা গীতা তুমি যেতিয়া ঘৰলৈ ঘুৰি আহাঁ তাৰ থিক কিছু দিনৰ পাছতে তোমাৰ বান্ধৱী আৰেদাৰ মৃত্যু হয়।

মইওঁ প্ৰায় আচৰিত হৈ প্ৰশ্ন কৰিলো কি আৰেদাৰ মৃত্যু? ই কেনেকৈ সম্ভৱ হামিদ? আৰু তাইৰ মৃত্যুৰ লগত তোমাৰ দাদাৰ সম্পৰ্কই বা কি?

সি পুণৰ আৰম্ভ কৰিলে অ' তুমি থিকেই ধৰিছা। মইতো তাকে কব খুজি ইমান পৰে কব পৰা নাই। তেন্তে শুনা–তুমি যে দেখিছিলা আমাৰ চাৰি আলিটো তাৰ কাষেদি বৈ যোৱা পুথিমাৰী নদী খনৰ পাৰতে আমাৰ মুছলমান সম্প্ৰদায়ৰ লোকে কবৰস্থান পাতে। সিহঁত দুয়ো সেই নদী খনৰ পাৰৰ শিলবোৰতে বহি পাতে মনৰ কথা বোৰ। কালৈকো যেন ভ্ৰূক্ষেপ কৰিবৰ সময় নাই সিহঁতৰ। অৱশ্যে এই বিষয়লৈ কোনেও প্ৰতিবাদ কৰা নাছিল। দিনবোৰ পাৰ হৈ গৈ আছিল। ঈদৰ বতৰত দুয়ো গৈছিল আৰেদাৰ মোমায়েকৰ ঘৰলৈ। খোজ কাঢ়ি যাব পাৰি বাবে খোজ কাঢ়িয়ে গৈছিল সিহঁত। কাৰণ প্ৰেমেতো নামানে বা নুবুজে সাগৰ কিমান গভীৰ"। খুজ কাঢ়ি আৰেদা ভাগৰি পৰিছিল। শিমলুগছ এজোপাৰ তলত জীৱনি লব খোজোতেই হৰ্থাৎ আৰেদা হাঁহিত আত্মহাৰা হৈ দৌৰিব ধৰিছিল, তাইৰ পিছে পিছে উপায়ন্তৰ হৈ দাদাও। এটা সময়ত আৰেদা মাটিত ঢলি পৰিছিল। উশাহবোৰ ঘন হৈ আহি

একেবাৰে বন্ধ হৈ গৈছিল দাদা ভয়ত কঁপি উঠিছিল। "নিয়তিৰো যে কি নিষ্ঠুৰ পৰিনতি"। কেইজন মান অচিনাকী মানুহৰ লগ হৈ নিঠৰুৱা দেহাটি লৈ ঘৰমুৱা হৈছিল দাদা। প্ৰথম কবৰ সমাধি আৱেদাৰে। সেই দিন ধৰি দাদা পগলাৰ দৰে হ'ল জানা গীতা। যিমান ৰাতি নহওক আৱেদালৈ মনত পৰিলে দাদা স্থিৰেৰে থাকিব নোৱাৰে। হাতত এডাল মম লৈ আগবাঢ়ে "বন্ধুৰ সমাধিলৈ" জানোছা লগ পাই তাৰ হেৰুৱা আৱেদাক।

মইও হামিদক আৰু নকবলৈ কৈ জাপ মাৰি উঠিলো। আৰে সময়চোন বহুত হ'ল। ওৱাল ঘড়ীতোলৈ লক্ষ্য কৰি দেখো সময় পুৰা পাচ বাজিল। ছয় বজাত কুমাৰ ছাৰৰ ঘৰত টিউচন। বহুত দূৰ বাট। লৰা লৰিকৈ ভৰি হাত ধুই খৰ খোজেৰে বাট ললো। মনতে ভাবিলো নিশাৰ সপোনত্তো . .. ... ... ... ... .. ... ... ... .. ।

— o —

## —ঃ কৌতুক ঃ—

❋ এজন গাৱলীয়া মানুহ গুৱাহাটিত। ৰাজ পথেৰে খোজ কাঢ়ি গৈ আছিল। হঠাৎ তেওঁ খাবৰ মন গৈ তেওঁ হোটেল বুলি গুৱাহাটীৰ হাই কৰ্টত সোমাল। তাত জৰ্জে যেতিয়া অৰ্ডৰ অৰ্ডাৰ বুলি চিঞৰিলে তেতিয়া মানুহ জনে কলে একাপ চাহ আৰু এখন লুচি।

❋ চিটি বাছত ভিৰ। দীঘল দাড়িৰ এজন যাত্ৰী ৰেলিঙত ধৰি থিয় হৈ গৈ আছে। এনেতে এটা ষ্টপেজত এজন চুটি চাপৰ যাত্ৰী উঠি ধৰিবলৈ একোকে নাপাই ওখ যাত্ৰীজনৰ দাড়িতে খামুচি ধৰিলে। বাছ গৈ আছে। দাড়িৱালাই কিছুদূৰ যোৱাৰ পিছত দাড়িত ধৰাজনক খঙেৰে কলে 'হেৰি মোৰ দাড়ি এৰক'

কি, আপুনি নামেনেকি ? বাওনাই লাহেকৈ কলে।

সংগ্ৰাহক

শ্ৰীমনোজ কুমাৰ গগৈ।
উঃ মাঃ প্ৰথম বৰ্ষ।

# ঃ বেদনা ভৰা দুচকুত দুটোপাল অশ্রু ঃ

□ মৃদুল কুমাৰ বৰা
স্নাতক দ্বিতীয় বর্ষ

আঘোন মহীয়া দিন। খুওর সোনকালে সন্ধ্যা লাগে। সময় থিক তিনিমান বাজিছে বুলি অনুমান কৰিব পাৰিছো। মই অকলে অকলে আমাৰ মহাবিদ্যালয়ৰ বাৰান্দাৰ পৰা নমা খট্‌খটিৰ এচুকত বহি আছো। বাকী সকলোবোৰ ছাত্ৰ-ছাত্ৰীয়েই ঘৰাঘৰি গ'ল নিশ্চয়। এতিয়া মাত্ৰ মই অকলে বহি আছো। চাৰিওফালে বতাহৰ মধুৰ হুৰ হুৰ শব্দ। বতাহত উৰি আহি গছপাত ধুলিয়ে মোক সাঙৰী ধৰিছে। হলেও মই চিন্তা গম্ভীৰ সাগৰত ডুব গৈ আছো। যেন মোৰ পৃথিৱীৰ অন্য একো কথাকে ভাৱিবলৈ সময় নাই। মাত্ৰ মই ভাৱিছো কল্পনা কৰিছো আৰু চিন্তা কৰিয়েই আছো। হয়তো চিন্তাৰ মৰণৰ সময়লৈকে উৰেই নপৰিব।

মোৰ নাম হিমাংশু—হিমাংশু বৰুৱা। ঘৰ মহাবিদ্যালয়ৰ কাষৰে এখন গাৱত। মই আমাৰ ঘৰখনৰ একমাত্ৰ ল'ৰা। সেয়েহে ঘৰৰ সকলো দায়িত্ব মোৰ ওপৰতেই। দেউতাকো দুখীৰৰ থল নাই। সাধাৰণ চৰকাৰী চাকৰি এটা কৰি ঘৰ খনৰ সকলো জোৰা তাপলি মাৰিছে। মোৰ নামতোত সোমাই আছিল আমাৰ ঘৰৰ সদস্য সকলৰ এক ভাৱিব নোৱাৰা আশা-এক কল্পনাতিত সুন্দৰ ভৱিষ্যত। দেউতাই বহু কষ্ট কৰি মোক পঢ়ুৱাইছে। কিন্তু কি হব দেউতাৰ কষ্ট দেখি বেয়া লাগে, মই ঘৰৰ কিছু দায়িত্ব মুৰ পাতি লও। সেই বোৰতো বাদেই, আজি মোক অন্য এক চিন্তাইহে শান্তি দিয়া নাই। দুখৰ কথা ভাৱিলে মোৰ অজানিতে দুগালেদি চকুলো বাগৰি আহে।

কোৱা শুনো অন্তৰত থকা দুখবোৰ আনৰ আগত প্ৰকাশ কৰিলে বোলে বহুত শান্তি পোৱা যায়। সেয়েহে মই আজি আপোনালোকক মোৰ মনৰ কথা কৈ অলপ শান্তি লব খুজিছো।

মই তেতিয়া উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰ। প্ৰেম ভালপোৱাৰ বিষয়ে মই আছিলো সম্পূৰ্ণ অজ্ঞান। মোৰ লগৰ বোৰে মোৰ আগত সিহঁতৰ প্ৰেম কাহিনী শুনাইছিল। কিন্তু তাত মোৰ কাণসাৰ নাছিল। থিক তেনে সময়তেই মই আমাৰ মহাবিদ্যালয়ত কাষৰে হাইস্কুল এখনৰ এজনী দশম মান শ্ৰেণীৰ ছাত্ৰীৰ লগত সাক্ষাত হৈছিলো। প্ৰথম দেখাতেই

তাইক মোৰ ভাল লাগিছিল। তাইক দেখোতেই যেন মোৰ সমগ্ৰ শৰীৰত কিবা এক অজান শিহৰণ উঠিছিল। কব নোৱাৰো কেনেকৈনো মোৰ বুকুৰ মাজৰ এক গোপন স্থানত তাইৰ বাবে এডুখৰ ঠাই খালী হৈ গৈছিল। কিন্তু মই তাইৰ পৰিচয় লব পৰা নাছিলো, আগবঢ়াব নাছিলো তাইক মোৰ ভালপোৱাৰ প্ৰস্তাৱ। মই ভিতৰি ভিতৰি জ্বলি পুৰি শেষ হৈ যাবলৈ উপক্ৰম কৰিছিলো।

কিন্তু প্ৰথম তাইক দেখোতেই প্ৰতিজ্ঞাবদ্ধ হৈছিলো এদিন নহয় এদিন তাইক মই মনৰ কথা কম আৰু তাইক মোৰ প্ৰেম প্ৰস্তাৱ আগবঢ়াম। কিন্তু মই সুবিধা পোৱা নাছিলো। সেই দিনা সৰস্বতী পূজা। মোলৈ এটা ভাল সুবিধা আহিল। সিহঁতৰ বিদ্যালয়তো পূজা পাতিছিল। মই কেইজনমান বন্ধুৰ পৰা জানিব পাৰিলো তাই নাম মধুমিতা বৰা। হলেওঁ মই নিশ্চিত হব পৰা নাছিলো। মই সিহঁতৰ বিদ্যালয়লৈ কেইজন মান বন্ধুৰ লগত পূজা চাবলৈ গলো আৰু বন্ধু কেইজনৰ হতোৱাই মই মোৰ মনে বিচৰা ছোৱালী জনি অৰ্থাৎ মধু মিতাক মতাই আনিলো। প্ৰথমে ময়েই তাইক সুধিছিলো—

— তোমাৰ নামটো কি?

— মোৰ নাম মধুমিতা বৰা।

আপুনি বোলে মোক মাতিছিল। কিয় মাতিছিল মোক কবনে? তাই মোক সুধিছিল। মইয়ো তেনেকোৱা সুবিধাৰ বাবেই বাটচাই আছিলো। হলেও এইদৰে বুকুখন দুৰুদুৰুকৈ কঁপিছিল। তথাপিতো মই তাইক সুধি পেলাইছিলো। মই তোমাক ভাল পাব বিচাৰো মধুমিতা। তোমাৰ মততো জানিবৰ বাবেই মই তোমাক মাতিছিলো।

— অ' সেইটোৰেই নেকি কথা। মই আপোনাক সহায় কৰিব নোৱাৰিম। মই তেনে ক্ষেত্ৰত এতিয়াই নামিবলৈ বিচৰা নাই।

এই বুলি কৈ তাই আমাৰ ওচৰৰ পৰা আঁতৰি গৈছিল। মই ভবা নাছিলো যে তাই মোৰ ভাল পোৱাক ইমান সোনকালেই প্ৰত্যাখ্যান কৰিব। হলেওঁ মই ইমান ভাগি পৰা নাছিলো।

তাই মোক প্ৰত্যাখ্যান কৰাৰ পাছতো মই তাইৰ কথা এবাৰ নভাৱাকৈ থাকিব পৰা নাছিলো। সকলো সময়তেই তাইৰ প্ৰতিচ্ছবি মোৰ চকুৰ আগত ভাঁহি থাকিবলৈ ধৰিলে। তাইৰ প্ৰতি থকা সকলো ভালপোৱা মোৰ বুকু আৰু এলবামৰ মাজতেই সীমাবদ্ধ থাকিল।

হৰ্থাং এদিন এজন মোৰ অতি ঘনিষ্ঠ বন্ধুৰ পৰা আঁচল সত্যতো উদঘাতন কৰিবলৈ সমৰ্থ হৈছিলো। মধুমিতাই হেনোৰ মোৰ বান্ধৱী ৰুমীৰ ভায়েক জগতক ভাল পায়। মই

কথাতো শুনি সেই দিনা শান্তিৰে টুপনি যাব পৰা নাছিলো। তাই জানো মোক কব নোৱাৰিলে হেঁতেন। যে তাই জগতক ভাল পায়। তাই কোৱা হলে মই মানি নললো হেঁতেন জানো। নিশ্চয় ললোহেঁতেন। আনৰ ভাল পোৱাত প্ৰতিবন্ধক হৈ থিয় দিয়াৰ মানসিকতা মোৰ নাই। বেয়া লাগিছে ইমান দিনে মোৰ মনক শান্তি দিয়াৰ বাবেহে। তাই মোক ভালকৈ বুজি নাপালে বুজি নাপালে মোৰ ভাল পোৱাক। মোৰ ভাল পোৱাৰ প্ৰতি অলপো বিশ্বাস জানো নাই তাইৰ?

হব পাৰে তাই ধনীৰ দুলালী। হব পাৰে জগত টকাৰ ওপৰত বহি থকা এজন ডাঙৰ চাকৰিয়ালৰ পুত্ৰ। কিন্তু মোৰো জানো এখন হৃদয় নাই? নিদিলো হেঁতেন নেকি মই তাইৰ প্ৰয়োজনীয় সকলো সামগ্ৰি।

সচাঁকৈয়ে আজিৰ ভালপোৱাই টকা বিচাৰে, সচাঁ ভালপোৱা নিবিচাৰে। বিচাৰে এটা বগা বা সুন্দৰ চেহেৰাৰ প্ৰেমিক কিন্তু নিবিচাৰে এখন নিকা হৃদয়ৰ এজন প্ৰকৃত প্ৰেমিক। যিজনে ভালপোৱাৰ মুল্য ভালপোৱাৰ দ্বাৰাই দিব পাৰে। প্ৰকৃত প্ৰেমিকে বিচাৰে, সুন্দৰ ভাল পোৱাৰে ভৰি থকা এখন বিশাল হৃদয় আৰু দালাল প্ৰেমি বিচাৰে দৈহিক সম্বন্ধ। এই বোৰে জানো, কোনোবা দিনা সচাঁ ভাল পোৱাৰ এখন সুন্দৰ দাপোন সমাজত প্ৰতিষ্ঠা কৰিব পাৰিব। নোৱাৰে মোৰ বিশ্বাস কেতিয়াও নোৱাৰে।

অ' এইবোৰ মই কি কৈছো। এইবোৰ কৈ মোৰ জানো এতিয়া লাভ আছে। যি হব লগা আছিল, সেইবোৰ আগতেই হৈ গ'ল। হয়তো মধুমিতা এতিয়া মোৰ হৃদয়ৰ প্ৰৱিত্ৰতাৰে ভৰা মধুমিতা হৈ থকা নাই। তাই হয়তো এতিয়া তাইৰ হৃদয়ৰ সৰ্বস্ব ভালপোৱা উজাৰি দিয়া জগতৰ কোলাত খুটৰ শান্তিৰে শুই আছে।

কিন্তু মোৰ বিশ্বাস। তাই মোক নিশ্চয় এদিন নহয় এদিন ভালদৰে বুজি পাব। মোৰ ভালপোৱাক ডান্টেৰ দৰে মহাকাব্যৰে প্ৰকাশ কৰিব নোৱাৰিলেও মই মোৰ কথাৰে তাইক এদিন বুজাবলৈ সমৰ্থ হ'ম।

কিন্তু জানো মোৰ এতিয়া তাইক বুজাবলৈ সিমান ধৈৰ্য্য আছে। নাই নাই মই আৰু ইমান চিন্তা কৰিব নোৱাৰো। মই এদিন হয়তো পাগল হৈ যাম। তাই মোৰ ভালপোৱাক নুবুজে। মোক এদিন ভীক্ষাৰীৰ দৰে কোনোৱাই ভিক্ষা দিব আৰু মধুমিতাই তাক চাই মনৰ আনন্দত প্ৰাণখুলি হাঁহিব। নাই মই আৰু তাইক কেতিয়াও আমনি কৰিবলৈ নাযাওঁ। লাগিলে মই নিজকে শেষ কৰি দিম।

এতিয়া মই মনৰ শান্তিৰ বাবে সুৰা পান কৰো। অন্য নিচা জাতীয় দ্ৰব্যৰ সহায় লওঁ। মোৰ ইচ্ছা বৰ্তমান এই বোৰ চাবলৈ লোপোৱাকৈ এই পৃথিবীৰ পৰা আঁতৰি যোৱাৰ।

চাওঁচোন বাৰু মোৰ জীৱন নদী খনেনো কোনফালে গতি লয়। মোৰ আৰু বেছি দিন নাই, ক্ৰমান্বয়ে লই জীৱনৰ অন্তিম মুহূৰ্তটো আগবাঢ়ি আহিছো। হলেও যি কেইটা দিন জীয়াই থাকিম সেই গোটেই কেইটা দিনেই মধুমিতাই মোক ভাল নাপালেওঁ মই তাইক ভাল পায় থাকিম। কাৰণ মই এজনকহে ভাল পাওঁ যি জনক মই প্ৰথমৰ পৰাই ভাল পাই আহিছো। আৰু মধুমিতালৈ মই জীৱনৰ অন্তিম বেলালৈকে অপেক্ষা কৰিম। এদিন নহয় এদিন নিশ্চয় পাম নাপাম - জানো মধুমিতাৰ পৰা এষাৰ মিঠা মাত আৰু তাইৰ হীয়া উজাৰি দিয়া ভালপোৱা, তাইৰ প্ৰেমৰ প্ৰস্তাৱ।

— o —

# —ঃ এনাজৰি ঃ—

□ মিনু দত্ত
উঃ মাঃ ১ম বৰ্ষ

মিঃ ৰাকণ বাহাদুৰ বৰবৰুৱা গুৱাহাটীৰ পৰা অৰুণাচললৈ ঘুৰি যোৱাৰ পথতে তেখেতৰ গাড়ীৰ চকা ফুটিল। দুৰ্ভাগ্যজনক কথা তেওঁৰ স্পেয়াৰ চকাটোও তেজপুৰৰ কোনোবা এখন চকা মেৰামতিৰ দোকানত গুৱাহাটীলৈ যাওঁতে বাটতে দি যাব লগা হৈছিল। অৱশ্যে গাড়ীৰ চকা ফুটা ঠাইৰ পৰা চকা মেৰামতিৰ বাবে দি যোৱা দোকানলৈ বাৰ তেৰ কিলোমিটাৰ মান আছিল। সেইহে তেওঁ গাড়ীৰ ওচৰতে থাকি ড্ৰাইভাৰক বনাবলৈ দিয়া চকাটো আনিবলৈ পথাই দিলে।

উপাসনাই মানুহজনক তেনেদৰে ৰাস্তাত ৰদত বৈ থকা দেখি বৰ বেজাৰ পালে।
তাই মানুহজনক তেনেদৰে বৈ থকা দেখি ঘৰলৈকে মাতি আনি বহিবলৈ দিবলৈ মন গ'ল। উপাসনাই মাকক উদ্দেশ্য কলে, মা সেই মানুহজনলৈ
তেনেতে মাক বাহিবলৈ ওলাই অহা দেখি উপাসনাই মাকক উদ্দেশ্য কলে, মা সেই মানুহজনলৈ
চোৱা চোন, কেনেকৈ ৰদতে বৈ আছে। তেখেতৰ গাড়ী বেয়া হ'ল হব পায়। ওচৰত গছ
এজোপাওঁ নাই গছৰ ছাঁত বৈ জিৰাবলৈ।

মাকে উচাৎ মাৰি ভিতৰলৈ সোমাই যোৱাৰ লগে লগে কৈ গ'ল, কি কৰ কৰি থাক তই—। মই হলে এতিয়া আলহীক আলপৈচান ধৰিব নোৱাৰো। ইপিনে মিটিংলৈ দেৰি হব এতিয়া।

উপাসনাৰ মাক স্থানীয় জিলা মহিলা সমিতিৰ সভাপতি। তেওঁ ঘৰত থাকিবলৈ সময় নায়েই। কেৱল গাৱে গাৱে গৈ মিটিং গোৱা আৰু গুৱাহাটিলৈ আহ যাহ কৰা। গতিকে উপাসনাই ভাৱিলে মা ওলাই যাওঁক। তাৰ পাছত মই মানুহজনক মাতি আনি চাহ অকন মানকে খুৱাব লাগিব। ইমান দেৰি অকলে বৈ থাকি তেখেতে আমনি পাইছে ছাগে। হলেও উপায় নাই। অচিনাকী মানুহ তেওঁ ইতিমধ্যে মাক ওলাই গৈছিল। মাক ওলাই যোৱাৰ লগে লগে উপাসনাই মানুহ জনৰ ওচৰলৈ খোজ ললে।

"আপোনাৰ গাড়ী বেয়া হ'ল নেকি? উপাসনাই ভয় আৰু লাজতে সৰুকৈ সুধিলে অ' ভন্টি গাড়ীৰ চকা ফটিল। ড্ৰাইভাৰক পথাইছো তেওঁ আহি পালেই সকলো হৈ যাব"।

— হেৰি মানে যদি বেয়া নাপায় তেন্তে ড্ৰাইভাৰ অহালৈকে আমাৰ ঘৰতে জিৰণী লব নেকি। ইমান ৰদত অকলে ৰাষ্টাত বৈ থাকি আমনি লগা নাই জানো। যদি বেয়া নাপায়... "

"নাই নাই কিয় বেয়া পাম। এদিন লগ পোৱা যদিও উপাসনাকে ৰৰবৰুৱাৰ বৰ ভাল লাগিল। বাৰু তোমাৰ ঘৰত কোন কোন আছে।

বৰ্তমান কেৱল মইহে আছো মা মিটিংলৈ গৈছে।

অ' অলপ আগেয়ে ওলাই হোৱা সেয়াই তোমাৰ মা নেকি? — হয়।

দেউতা আছেনে?

দেউতা কলেজলৈ গ'ল। দেউতাই স্থানীয় কলেজ এখনৰ অধ্যাপক কৰে। বাৰু, আৰু কি? সুধিব লগা আছে ঘৰতে সুধিব। এতিয়া বলক

"তুমি বৰ আচৰিত ছোৱালী। নগলে নহয় জানো? ঘৰত দেউতা-মা থকা হলেও"......।

আপুনি মোৰ দেউতা লগৰ দেউতা। গতিকে মই থাকোতে গলেও একো অপৰাধ হব নোৱাৰে। আৰু দেউতাইও আপুনাক মাতি নি খন্তেক জিৰাবলৈ দিলে ভালেই পাব।

বাৰু ব'লা তেন্তে।

□ আহক ইয়াতে বহক।

হব হব মই এই বাৰান্দাতে খন্তেক বহো।

নালাগে ভিতৰলৈকে আহক। বৰ মই চেণ্ডেল এযোৰ আনি দিও। জোতা যোৰ খুলি দিলে আপুনি গৰমতো অলপ পাতল পাব।

— নালাগে নালাগে মই খন্তেকৰ আলহীহে।

— নহয় জোতা যোৰ খুলি মোৰ লগতে আহক। বাথৰূমত ভৰিহাত কেইটা ধুইদিলে আৰাম পাব।

— নহয় ভন্টি, ড্ৰাইভাৰ আহি পালেই যাম যেতিয়া, এতিয়া মই মুখহাত নোধোও।

— বাৰু হব। বাথৰূমলৈ যাবলৈ বেয়া পাইছে যদি মই পানী অলপ আগফালেই লৈ আহোগৈ। আপুনি খন্তেক বহক।

— তুমি পানী লৈ আহিলাই। বাৰু দিয়া তেন্তে ভৰি হাত কেইটা ধুই লওঁ।

— এইখন টাৱেল। হাত মুখ মচিলৈ ইয়াতে বহক। মই ফেন খনকে অন কৰি দিওঁ।

অলপ সময়ৰ পাছত হাতত চৰবতৰ গিলাচ লৈ উপাসনা ওলাই আহিল। চৰবতৰ ট্ৰেখন আগবঢ়াই দি খাবলৈ কলে। খন্তেকৰ নিৰৱতা ভাঙি উপাসনাই কলে আপুনি বহক। এইখন আমাক কলেজৰ আলোচনী ইচ্ছা কৰিলে চাব পাৰিব। পুনৰ তাই ভিতৰলৈ যাব খোজোতেই দেউতাকৰ মাত শুনি তাই থমকি ৰল : দেউতাক সোমাই আহি এজন অচিনাকী মানুহক

দেখি উপাসনাক তেওঁ সুধিলে উপা এখেত কোন ?

— মই বাৰুণ বাহাদুৰ বৰবৰুৱা। মোৰ ঘৰ গুৱাহাটীত। বৰ্তমান মই অৰুনাচলত থাকো। মোৰ গাড়ীৰ চকা ফুটাৰ বাবে আপোনাৰ ঘৰত সোমাব লগা হ'ল। মই ইতিমধ্যে ছোৱালীৰ পৰা আপোনাৰ পৰিচয় পাইছোৱেই। চিনাকী পৰ্ব শেষ কৰি আৰু দুই এক কথা পাতি বৰবৰুৱাই বৰুৱাৰ পৰা বিদায় ললে।

ড্ৰাইভাৰে গাড়ী অৰুনাচল অভিমুখে চলাই দিলে। বৰবৰুৱাই অজ্ঞানিতে এটা হুমুনিয়াহ পেলালে উপাসনা আৰু উপাসনাৰ মাকৰ মুখ খন দেখি।

সন্ধিয়া উপাসনাই মাক ৰূপৰেখা ঘৰলৈ অহাৰ পিছত মাকৰ আগত খন্তেকৰ চিনাকীতে কেনেকৈ বৰবৰুৱাক ইমান আত্মীয় যেন লগা হ'ল তাকেই ব্যাখ্যা কৰিব ধৰিলে।

মাকে বৰবৰুৱাৰ কথা কোৱা শুনিয়েই সুধিলে—কোন বৰবৰুৱাৰ কথা কৈছ।

কিয় মা দুপৰীয়াযে গাড়ীৰ চকা ফুটাৰ বাবে বাটত ৰৈ আছিল সেই মানুহজন। উপাসনাই তপৰাই উত্তৰ দিলে।

বৰুৱাই কলে তেখেতৰ ঘৰ গুৱাহাটী চহৰতে আছিল। তেখেতৰ আছিল মাক দেউতাকৰ একমাত্ৰ ল'ৰা সন্তান। মাক দেউতাকৰ মৃত্যু হোৱাত তেখেত তাৰ পৰা গুচি আহি বৰ্তমান অৰুনাচলত স্বাস্থ্য সেৱাশ্ৰম এখন খুলি আছে। ল'ৰা ছোৱালী এহাল। ছোৱালী জনিয়ে এইবাৰ বি, এ পাছ কৰিছে। তেখেতে আমাৰ সকলোকে অহা মংগল বাবে আশ্ৰমলৈ মাতি থৈ গৈছে। তেখেত কিমিনলৈকে আগবাঢ়ি আহি আমালৈ অপেক্ষা কৰিব।

কিন্তু মোৰ মংগলবাৰে এখন জৰুৰী মিটিং আছে। গতিকে সেইদিনাৰ প্ৰগ্ৰেম বাদ দিয়া।

— নহয় তেনে কৰিলে তেখেতে বেয়া পাব। তুমি নোৱাৰিলে মই অকলেই যাব লাগিব। কাৰণ তুমি নগ'লে উপাসনা মোৰ লগত অকলে নাযায়।

— হয় দেউতা আপুনিয়েই প্ৰথমে গৈ আহিব। তেখেতক কব আমি অন্য এদিন যাম। কাৰণ কোনো নগ'লে তেখেতে অন্তৰত বৰ দুখ পাব। যাবৰ সময়ত ইমানকৈ কৈ গৈছে তেওঁ।

মংগলবাৰে থিক বাৰ বজাৰ লগে লগে বৰুৱা আশ্ৰম পালেগৈ। বৰবৰুৱাই বৰুৱাক আথে-বেথে বঢ়িবলৈ দিলে। এনেতে ঘৰত থকা ল'ৰাতোৱে চাহ দি থৈ গ'ল। সেই সময়তেই এজন মানুহ আহি বৰবৰুৱাক আশ্ৰমলৈ মাতি যায়। বৰবৰুৱাই বৰুৱাক খন্তেক বহিবলৈ দি তেওঁ আশ্ৰমলৈ গ'ল। যাব সময়ত তেখেতে বৰুৱাক এলবাম এটা চাবৰ বাবে দি গ'ল।

বৰুৱাই এলবামটো মেলি প্ৰথমেই যি জনী ছোৱালীৰ ফটো দেখা পালে, সেইখন তেওঁৰ বৰ চিনাকী যেন লাগিল। তেওঁৰ বহু সময় ধৰি ফটো খন চাই থাকিল। বৰুৱাৰ মনত নানা প্ৰশ্নই ভুমুকি মাৰিলে। হলেও সমিধান নাপালে। তেনেদৰেই তেওঁ মনত এটা

খু-তুৰনী ভাৱলৈ অন্য মনস্ক ভাৱে এলবামৰ পাত লুতিয়াই থাকোতেই ৰবৰুৱাৰ আশ্ৰমৰ পৰা আহি পালে ৰবৰুৱা বা বহাৰ লগে লগে মনৰ খু-তুৰনীতো দূৰ কৰিবৰ বাবে বৰুৱাই সুধিলে-মিঃ ৰবৰুৱা আপোনাৰ এলবামৰ ছোৱালী ফটোখন কাৰ বাৰু ।

মিঃ বৰুৱা, তেওঁৰ ঘৰ আছিল যোৰহাটত । তেওঁৰ নাম আছিল ৰূপৰেখা । তেওঁৰ লগতে মোৰ বিয়া দেউতাই থিক কৰিছিল । কিন্তু বিয়াৰ কেই দিনমান আগতে ছোৱালীৰ ঘৰত গৈ কোনোবাই মোৰ মেমনীৰ লগত গোপন সম্পৰ্ক আছে বুলি কলে । কাৰণ সেই সময়ত উচ্চ শিক্ষাৰ বাবে মই আমেৰিকাত আছিলো । সেয়ে সেই ছোৱালী জনীৰ লগত মোৰ বিয়া নহ'ল । পিছত কোৱা শুনিলো তেওঁ বোলে কোনোবা অধ্যাপক এজনৰ লগত বিয়া হৈ গ'ল । তেতিয়াই দেউতাই মোলৈ বিয়াৰ জনাই এখন চিঠিৰ লগতে এই ফটো খনো দিছিল। এই বোৰ বহুত কথা বৰুৱা কৈ থাকিমে অন্তই নপৰে । আৰু তাৰ কেইমাহ মান পিছতে দেউতাই ইহ সংসাৰ ত্যাগ কৰে । গতিকে মইয়ো বিয়া পতাৰ আশা তেতিয়াই ত্যাগ কৰি এই আশ্ৰম খনকে সাৰথি ধৰি আছো ।

তেন্তে আপুনি যে কলে এটা ল'ৰা আৰু এজন ছোৱালী আপোনাৰ আছে ·· ···।

কৈছো কৈছো, আপোনাক নকৈ আৰু কাক কম মোৰ জীৱনৰ এই কাহিনী।

সৌ আলিবাটতোতে অলকেশ চৌধুৰী নামৰ এজন লোকে কাম কৰিছিল । পৰিয়াল বুলিবলৈ চৌধুৰীৰ পৰিবাৰ আৰু ল'ৰা-ছোৱালী এহালহে আছিল । এদিন চৌধুৰীৰ নিজা গাড়ীৰেই ফুৰিবলৈ গৈছিল ইৰাজুলিৰ কোনো বন্ধুৰ ঘৰত। বাটতে তুলু আৰু সত্যজিতক তেওঁ-লোকৰ বন্ধু উজাৰ ঘৰত এৰি গৈছিল। উজা পাহাৰীয়া জন জাতিৰ ছোৱালী আছিল যদিও তুলুমনিৰ লগত বেচ মিলামিছা আছিল। কিন্তু ··· ··· বুলি কৈ ৰবৰুৱা থমকি ৰ'ল। বৰুৱাই সুধিলে ৰবৰুৱা আপুনি কিন্তু বুলি কয় কিয় ৰৈ গ'ল ।

চৌধুৰী আৰু ঘুৰি নাহিল বৰুৱা। তেওঁৰ গাড়ী পাহাৰৰ কেকুৰীত ঘুৰাব নোৱাৰি পাহাৰ নামনিৰ অতল গহবৰত নিঃশেষ হৈ গ'ল । বৰ্তমান চৌধুৰীৰ ল'ৰা ছোৱালী হালৰ ময়েই অভিভাৱক বা পিতৃ - স্বৰূপ ।

বাৰু ৰবৰুৱা — এতিয়া সময়ো বহুত হ'ল গতিকে মইও যাওঁ। অ' ৰবৰুৱা আৰু এটা কথা কওঁ বেয়া নাপায় যেন । আপোনাৰ এলবামৰ ছোৱালী জনীৰ ফটোখন মোক দিবনে? মই লৈ যাব বিচাৰিছো যদিহে আপোনাৰ আপত্তি নাই আপত্তি কিয় থাকিব যদি আপোনাৰ প্ৰয়োজন আছে লৈ যাওঁক ।

বাৰু তেন্তে আজিলৈ আহোঁ। ৰব ৰব মই সত্যক আপোনাৰ লগত চিনাকী কৰি দিওঁ। তেওঁ ভিতৰলৈ চাই মাত লগালে সত্যজিত চাওঁ এই ফালে আহাচোন।

সত্য এখেত মোৰ বন্ধু ঘৰ তেজপুৰত। সত্যজিতে বৰুৱাক নমস্কাৰ জনায়। সত্য এখেতৰ লগতে কেতিয়াবা আমাৰ ফালে যাব। বাৰু ৰবৰুৱা মই এতিয়া যাওঁ।

☐ অ' দেউতা আহি পালেহি। তেখেতৰ কেনেকুৱা ভালনে - উপাসনাই দেউতাকক সুধিলে।

ভালেই, তইঁতক মাতি পঠাইছে। তেখেত অহা সপ্তাহত আমাৰ ইয়ালৈ আহিব। তেতিয়াই তইঁতিও গৈ আহিবি। বাৰু মাৰক মাতছোন।

— মাহঁতৰ নালাগে নিজেই আহিছো। কওঁক।

— ৰূপৰেখা এই ফালে চাওঁ। উপা তই জানছোন। মোৰ বাবে চাহ একাপ দে। উপাসনা সোমাই যায়। বৰুৱাই পকেটৰ পৰা ফটোখন উলিয়াই ৰূপৰেখাক দেখুৱাই।

— এই ফটোখন কাৰ চিনি পাইছা ?

— মোৰেই ফটো। ক'ত পালে ?

— তোমাৰ ফটোৱে ৰবৰুৱাৰ এসবামত ঠাই পালে কেনেকৈ ? বাৰু ৰূপৰেখাই ৰবৰুৱাৰ লগত হৈ যোৱা ঘটনাবোৰে বৰুৱাক বিৱৰি কলে। বাদ দিয়ক এতিয়া সেই বোৰ কথা।

— বাদ দিবই লাগিব। কিন্তু তোমালোকে তেখেতক বৰ বিশ্বাস ঘাটকতা কৰিলা। যাৰ ফলত তেখেত আজিও অবিবাহিত হৈ থাকিব লগা হ'ল। তেন্তে ল'ৰা ছোৱালী দুটা আছে বুলি কলে যে তেখেতে। বৰুৱাই ৰবৰুৱাৰ জীৱন কাহিনী অতি দুখেৰে প্ৰকাশ কৰিলে। ৰবৰুৱাৰ জীৱন কাহিনী শুনি আচৰিত হৈছিল যদিও সেই কথাৰে গুৰুত্ব নিদিয়া যেন দেখুৱাই ৰূপৰেখা ভিতৰলৈ সোমাই লগ কিন্তু তেওঁৰ অন্তৰতো একুৰা জুই নজ্বলা নহয়।

☐ এদিন হঠাতে ৰবৰুৱাই সত্যজিতকৈ বৰুৱাৰ ঘৰ ওলালহি। আহি পোৱাৰ লগে লগে উপাসনাই আহি তেওঁলোকক আগবঢ়াই নিলে। তেওঁলোক সকলো গৈ একেবাৰে ড্ৰইংৰুমত বহিলগৈ। লাজ ও সংকোচতে ৰূপৰেখা পলমকৈ ওলাই আহিছিল। তেওঁলোকে নানা কথা বতৰা পাতিবলৈ ধৰিলে। কথা বতৰাৰ মাজতে উপাসনাই চাহ আনি দিলে, চাহ খাই সত্য আৰু উপাসনা বাহিৰলৈ গ'ল। তেওঁলোক ওলাই থোৱাৰ লগে লগে ৰবৰুৱাই বৰুৱা আৰু ৰূপৰেখাক উদ্দেশ্য আৰম্ভ কৰিলে-মিঃ আৰু মিচেচ বৰুৱা মই এটা বিশেষ কথাৰ বাবে আজি আহিলো। সেই উদ্দেশ্যই সত্যজিতকো লগত লৈ আহিলো।

তেন্তে আপোনাৰ উদ্দেশ্য ৰাখ্যা কৰক। যদি সম্ভৱ হয় নিশ্চয় সফল হব। বৰুৱাই নির্ভয় দি কলে।

মই এটা কথা ভাৱিছো বৰুৱা। আপোনাৰ ছোৱালী উপাসনাক মই বোৱাৰী কৰি নিব বিচাৰো যদিহে আপোনালোকৰ কোনো আপত্তি নাথাকে।

ল'ৰা ছোৱালীৰ পছন্দ হলে আমাৰ আপত্তি কি থাকিব পাৰে। ৰূপৰেখাই কুমল ভাৱে কলে। বৰবৰুৱা আমি সত্য আৰু উপাসনা বিয়া পাতিব লাগিব কাৰণ, মিছলীয়া জন সমাজে আপোনাৰ আৰু ৰূপৰেখাৰ জীৱনৰ এনাজৰি চিঙি দিলে আৰু এতিয়া তাৰ যোৰা লগাব লাগিব উপাসনা আৰু সত্যৰ বিয়াৰ জৰিয়তে।

ৰূপৰেখাই ক্ষমা বিচাৰিলে বৰবৰুৱাৰ ওচৰত। বৰবৰুৱাই কোনো দিনেই ভৱা নাছিল যে ফটোত লগ পোৱা ছোৱালীজনী বৃদ্ধ অৱস্থাত এনেকৈ লগ পাব বুলি। ধন্য উপাসনা। তুমি বাস্তৱ পুৰা মাতি আনি আচল পথৰ সন্ধান দিলা। "সত্য সদায় জয়" বৰবৰুৱাই পুনৰ কলে।

সন্ধ্যা তেওঁলোক ঘৰমুৱা হ'ল। তেতিয়া পূৰ্ণিমাৰ জোনটোৰ পোহৰত পূৰ্ব আকাশ জলমলাই উঠিছিল।

— o —

## –ঃ কৌতুক ঃ–

⁂ দেউতাকঃ– কি কলা বাবুল? অংকত ফেইল, ইংৰাজীত ফেইল, বিজ্ঞানত ফেইল আনকি ছবি অকাঁতো ফেইল। তোমাৰ নিচিনা ল'ৰা থকাতকৈ নথকাই ভাল।

বাবুলঃ– বেছিকৈ নিচিঞৰিবা দেউতা, মায়ে শুনিব। এই খন তোমাৰেই স্কুলৰ প্ৰগ্ৰেছ ৰিপৰ্ট। পুৰণি বাকচটোৰ ভিতৰত পাইছো।

⁂ হোটেলত সোমাই এজন মানুহে খাবলৈ বহি খোৱা বস্তুত চকু ফুৰাই মেনেজাৰক কলেঃ– এনে খাদ্য জন্তুৱেও নাখায়।

মেনেজাৰে মানুহ জনলৈ চাই কলেঃ– তেনেহলে আপোনালৈ জন্তুৱে খোৱা খাদ্য অনাওঁ নেকি?

## EDITORIAL BOARD



*(From left to right)*

*Sitting* : Prof. Narayan Gogoi (*Member*), Principal Narayan Chandra Bor Guhain (*President*), Prof. Anjalika Rajkhowa (*Member*), Dr. Labanya Bora Guhain (*Adviser*)

*Standing* : *Stud.* Bhupen Chanda Borah (*Member*), *Stud.* Indra Nath (*Member*), *Stud.* Bhrigu Moni Hazarika (*Member*), *Stud.* Mridul Kumar Borah (*Secy. Magazine*), *Stud.* Trishna Kakati (*Member*), *Stud.* Manju Khatnier (*Member*).

প্ৰবন্ধ হৈছে সত্য, যুক্তি আৰু আদৰ্শৰ প্ৰতীক "সত্যক সঘনাই প্ৰচাৰ কৰি থকাটো বাঞ্ছনীয়"।
—গোটে—

# প্ৰবন্ধ

## এই সংখ্যাৰ প্ৰবন্ধ শিতানৰ নিবেদন—


১। পুঁজিৰ বহিঃ প্ৰৱাহ — শ্ৰীযুত ৰমেশ কাকতি, অধ্যাপক

২। যুৱ মানসিকতাৰ বিকৃত স্বৰূপ ৰেগিং — নৱ কুমাৰ দত্ত

৩। বৰ্তমান সমাজ আৰু যুৱ মানসিকতা — উৎপল বৰুৱা

৪। মহা কবি ডান্টে আৰু তেওঁৰ ডিভাইন কমেডি — সমৰ দাস

৫। ধৰ্ম আৰু ইয়াৰ সামাজিক ক্ৰিয়া — নয়ন নাথ

৬। বিশ্বৰ কেইবিধমান গুৰুত্বপূৰ্ণ খেল — বাজু সোনোৱাল

প্ৰৱন্ধ

# "শৈক্ষিক পৰিবেশ আৰু শিক্ষাৰ মানদণ্ড"

□ হেমেন্দ্ৰ কুমাৰ গগৈ, অধ্যক্ষ
উঃ লঃ মহাবিদ্যালয়

অলপতে India To-day ৰ এটা বিশেষ সংখ্যাত ভাৰতবৰ্ষৰ TopTen - Collages
ৰ এখন তালিকা দেখিলো। দিল্লী, কলিকতা, মুম্বাই, চেন্নাইৰ দহখন কলেজ বছা হৈছে আৰু
একে বাৰে শীৰ্ষত আছে। দিল্লীৰ চেইণ্ট ষ্টিফেনচ্ন কলেজ। কলেজ সমূহৰ এখনতো ছাত্ৰ-
ছাত্ৰীৰ সংখ্যা ৬০০ ৰ পৰা ১২০০ ৰ কম বেছি নহয়। তদুপৰি নামভৰ্তিৰ বেলিকা Cut-off
নম্বৰৰ হিচাবটো দেখিলে এনে লাগিব যেন আমাৰ অসমৰ ফালৰ ল'ৰা-ছোৱালী কদাচিতহে
ভাত পাব। এই যে বাচক - বনীয়া কলেজ বোৰ সেইবোৰে কিন্তু দেশখনৰ উচ্চ-
শিক্ষাৰ প্ৰকৃত ছবিখন কেতিয়াও দাঙি ধৰিব নোৱাৰে। ইয়াৰ মূলতে হ'ল দেশ খনৰ বিভিন্ন
ৰাজ্য সমূহত উচ্চ শিক্ষাৰ শিতানত ধৰা বাজেট সদায় বেলেগ বেলেগ হয় আৰু ইয়াৰ বাবেই
সকলো ৰাজ্যতে শিক্ষাৰ মানদণ্ড, সা - সুবিধা এই বোৰৰ সমহাৰৰ ছবি এখন ধৰা নপৰে।
ৰাজ্য চৰকাৰে উচ্চ শিক্ষাৰ বাবে দিব লগা লগা ধ্যান - ধাৰণা, বাজেট, উপযুক্ত চিন্তা চৰ্চাৰ
ক্ষেত্ৰত অসম ৰাজ্য গোটেই দেশ খনৰ ভিতৰতে নিম্নতম স্থানত থাকিব। শিক্ষাৰ নিম্নগ্ৰামী
মানদণ্ডৰ কথা ১৯৬৪ চনত শিক্ষা আয়োগেই স্পষ্ট ভাষাত উল্লেখ কৰিছিল। পৰীক্ষাৰ
ফলাফল, লোক সেৱা আয়োগৰ ৰিপৰ্ট শিক্ষক আৰু নিয়োগকাৰীৰ মতামত, গৱেষণাবোৰৰ
ফলাফলৰ এই সকলো বোৰে শিক্ষাৰ মানৰ নিম্নগ্ৰামী ধাৰাকে প্ৰতীয়মান কৰে। শিক্ষাৰ
বিস্তৃত ক্ষেত্ৰখনত দেখা যায় প্ৰচলিত পাঠ্য পুথি, Course conlint আৰু উন্নতমান এই-
বোৰ সাম্প্ৰতিক প্ৰয়োজন সাপেক্ষে বা ভৱিষ্যতৰ প্ৰয়োজন সাপেক্ষে মুঠেই আশা প্ৰদ নহয়
আৰু এয়া উন্নত দেশবোৰৰ গড়মূল্য মানৰো বহুত তলত। আটাইতকৈ ভয়লগা কথাটো হ'ল
শিক্ষাৰ মূল্যমানৰ ক্ষেত্ৰত উন্নত দেশবোৰ আৰু আমাৰ দেশৰ মাজত যি সাগৰ সংকাশ ব্যৱধান
আছে সেই ব্যৱধানৰ মাত্ৰা দিনক দিনে বাঢ়িহে গৈছে। এখন বিশ্ববিদ্যালয় শিক্ষন, গৱেষণা,
লোকসেৱা, মূলবোধৰ সৃষ্টি, জ্ঞান, সাংস্কৃতিক বিকাশ আদিত নিজাকৈ এটা মান তৈয়াৰ কৰি
লয় তথাপি জ্ঞান আন্বেষণ, জ্ঞান সাধনা আদি যিহেতু এক বিশ্বজনীন প্ৰক্ৰিয়া সেইবাবে
কোনো এখন দেশৰ বাবে বা বিশ্ববিদ্যালয়ৰ বাবেই নিজা বস্তু হব নোৱাৰে।

উচ্চ শিক্ষাৰ লক্ষ্য আদিৰ ধাৰণাৰ ক্ষেত্ৰত আমি বেয়াৰ পৰা অতি বেয়ালৈ গতি কৰি আছো। সামাজিক বিৱৰ্ত্তনৰ লগত তাল মিলাই শিক্ষা ব্যৱস্থাটো আগবাঢ়িব পৰা নাই। আমাৰ বৰ্তমান শিক্ষা ব্যৱস্থাই সামাজিক বিৱৰ্ত্তনৰ ধাৰনাতোক চিনাক্ত কৰিব পৰাকৈ আমাৰ ছাত্ৰ - ছাত্ৰী যুৱক যুৱতীক একো দিয়া নাই। একেবোৰ সা - সুবিধা, সুত্ৰ যোৱা ২৫ বছৰৰ আগতে যদি বিশ্ববিদ্যালয় বা উচ্চ শিক্ষাৰ অনুষ্ঠান সমূহত ফল প্ৰসু বুলি ভৱা হৈছিল এতিয়া পৰিবৰ্ত্তিত পৰিস্থিতিত সেইবোৰ অদকাৰী হৈ পৰিছে। শিক্ষাৰ মানদণ্ড ক্ষেত্ৰত এই ভাঁবো ব্যৱস্থাটোৰ পিৰামিডটোৰ চূড়ান্ত সু-উচ্চ মান থাকিব লাগিব যাতে তাৰ পৰা পিৰামিডৰ কেওফালে সি বিয়পিব পাৰে বা সেই পিৰামিডৰ চূড়ান্ত অৱৰোহন কৰাৰ এটা হাবিয়াস গোটেই ব্যৱস্থাটোতে থাকে। এতিয়া শিক্ষাৰ নিম্নমূখি মানৰ ক্ষেত্ৰত সততে চকুত পৰা কাৰণ সমূহ হ'ল

১) উচ্চ শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত ছাত্ৰ - ছাত্ৰীৰ সংখ্যাৰ হেঁচা।
২) শিক্ষা প্ৰদানৰ ক্ষেত্ৰত সা-সুবিধাৰ অভাৱ।
৩) শিক্ষক ছাত্ৰৰ তুথলগা অনুপাত
৪) চহৰীয়া কলেজত ছাত্ৰ - ছাত্ৰীৰ ভিৰ।
৫) ব্যক্তি কেন্দ্ৰিক শিক্ষন আৰু প্ৰশাসন
৬) অ-প্ৰচলিত শিক্ষা সুত্ৰ আৰু শিক্ষা পদ্ধতি।
৭) শিক্ষায়তনিক হতাশা আৰু নিৰাশা
৮) ছাত্ৰ - ছাত্ৰীৰ অমনোযোগিতা
৯) অশিথিল প্ৰশাসনিক ব্যৱস্থা
১০) পদ্ধতিৰ উপযুক্ত পৰিশীলনৰ বাবে প্ৰযাপ্ত সাহায্য অভাৱ।

এই বিলাকৰ ওপৰিও শিক্ষক ছাত্ৰৰ মাজত থকা সম্বন্ধৰ বিৰাট ব্যৱধান, শিক্ষায়তনিক দিশত থাকিব লগা বিভিন্ন পক্ষৰ দায় দায়িত্বহীনতা আদিয়ে গোটেই ব্যৱস্থাটোতে নিম্নমূখী সোঁতৰ সৃষ্টি কৰিছে। এই নিম্নগ্ৰামীতা নাইকীয়া কৰাৰ ক্ষেত্ৰত ৰাজ্যিক চৰকাৰ, শিক্ষাবিদ, শিক্ষায়তনিক দিশত লাগি থকা ব্যক্তি সকল একত্ৰিত হৈ এই কেইটা কথাত গুৰুত্ব সহকাৰে বিবেচনা কৰা উচিত। যথা—

১) শৈক্ষিক স্বাধীনতা : পাঠ্যক্ৰম, পৰিবৰ্ত্তিত পৰিস্থিতিৰ লগত খাপ খোৱাকৈ নতুন নতুন বিষয় বাচনি কৰা শিক্ষন পদ্ধতিৰ পৰিবৰ্তন সধা আদি কামত কিছু স্বাধীনতাৰ দৰকাৰ। শিক্ষা নুষ্ঠান, শিক্ষক বিশ্ব বিদ্যালয় সকলোকে এই স্বাধীনতাৰ দৰকাৰ।

২) স্বায়ত্ব শাসন ( Autonomy ) : পৰিবৰ্ত্তিত পৰিস্থিতিত শৈক্ষিক ব্যৱহাত সুফলবোৰ আহৰণৰ বাবে উচ্চ শিক্ষাৰ অনুষ্ঠান প্ৰতিষ্ঠান সমূহত প্ৰয্যাপ্ত স্বায়ত্ব শাসনৰ ব্যৱস্থা হব লাগিব। □

# 'পৰিৱৰ্তনৰ প্ৰাসঙ্গিকতা'

□ মুকুন্দ ৰাজবংশী, অধ্যক্ষ
লক্ষীমপুৰ বালিকা মহাবিদ্যালয়

এই বছৰৰ স্বাধীনতাৰ স্বৰ্ণ জয়ন্তী ভাৰতবৰ্ষৰ প্ৰত্যেক ঠাইতে উলহ মালহেৰে উৎযাপন কৰিছে। যিটো সময়ত ভাৰতবৰ্ষ স্বাধীন হৈছিল, প্ৰায় সেই সময়তে দুখন দেশ নিঃশেষ হৈ গৈছিল। ২য় মহাসমৰত বিধ্বস্ত হোৱা এই দেশ দুখন হ'ল জামান আৰু জৰ্মানী। নিঃশেষ হৈ যোৱা দুয়োখন দেশে, ৰাষ্ট্ৰীয় পূৰ্ণ নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল, স্বাধীন ভাৰত জন্ম হোৱাৰ সময়ৰে পৰা। আজি আমেৰিকা আদি উন্নত দেশবোৰক চেৰ পেলাই দুয়োখন দেশে, অৰ্থ সামাজিক বিজ্ঞান প্ৰযুক্তি আৰু ন ন ইলেক্ট্ৰনিকচ্ৰ সামগ্ৰি আৱিস্কাৰৰ দিশত বিশ্বক চমক খুৱাইছে।

কিন্তু ভাৰতবৰ্ষৰ অৱস্থা আজি সম্পূৰ্ণ বিপৰীত অৰ্থাৎ অধোমুখী। ৬ বছৰৰ পৰা ১০ বছৰৰ ভিতৰৰ মুঠ ১০ $\frac{1}{2}$ কোটি ল'ৰা-ছোৱালীৰ ৩ কোটি ৩০ লাখ স্কুললৈ নাযায়। ১৯৫১ চনত আমাৰ দেশত দুখিয়া মানুহৰ সংখ্যা আছিল ১৬ কোটি ৪০ লাখ, কিন্তু এতিয়া হ'লহি ৩১ কোটি ২০ লাখ। অহা ২১ শতিকাত নিৰক্ষৰৰ সংখ্যা প্ৰায় ৫০ কোটি হবগৈ। অৱশ্যে কেইটামান দিশত দেশৰ উন্নতি উল্লেখযোগ্য। ১৯৫১ চনত ৫ কোটি টন খাদ্য উৎপাদনৰ বিপৰীয়ে এতিয়া ১৯ কোটি টনলৈ বৃদ্ধি পাইছে। প্ৰযুক্তি বিজ্ঞান, কম্পিউটাৰ বিজ্ঞান আৰু মহাকাশ বিজ্ঞানত ভাৰতৰ অৱদান সন্তোষ জনক। টেলিফোনৰ সংখ্যা আগৰ ডেৰলাখৰ পৰা বাঢ়ি এতিয়া ১ কোটিৰো অধিক হ'ল।

অন্যহাতেদি অপৰাধপ্ৰৱণতা বিয়পি পৰিছে তৃণমূল পৰ্য্যায়ৰ পৰা শীৰ্ষপৰ্য্যায়লৈ। প্ৰসংগক্ৰমে নিৰ্বাচনী আয়ুক্ত জে, ভি, জি কৃষ্ণমূৰ্ত্তিয়ে আগবঢ়োৱা এটি পৰিসংখ্যা উল্লেখ কৰিব পাৰি—দেশখনৰ ৪০৭২ জন বিধানসভাৰ সদস্যৰ ভিতৰত ৭০০ জন আৰু ৪০ জন সাংসদৰ অতীত অপৰাধমূলক কাৰ্য্যকলাপেৰে ভাৰা ক্ৰান্ত। তদুপৰি যোৱা নিৰ্বাচনত প্ৰতিদণ্ডিতা কৰা ১৩, ৯৫২ জন প্ৰাৰ্থীৰ ১৫০০ জনৰ বিৰুদ্ধে ধৰ্ষণ, ডকাইতি, জোৰ জুলুমকৈ টকা আদায় কৰা আদি বিভিন্ন অভিযোগ আছে। এই সকলৰ কৱলৰ পৰা দেশে ৰক্ষা পাব পাৰিবনে? পাৰিব। কেৱল শিক্ষাৰ সহায়েৰে ভাৰতবৰ্ষৰ বৰ্তমান শিক্ষাৰ আমূল পৰিৱৰ্তন ঘটাব

লাগিব। এইখন ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থা হৈছে লৰ্ড মেকোলেৰ ইয়াৰ এটি আমূল পৰিবৰ্তন নঘটালে, ভাৰতবৰ্ষৰ চহকী সংস্কৃতি চহকী ঐতিহ্য-থুকি অহা সোঁত টান হৈ পৰিব। আমাক লাগে মানুহ গঢ়া শিক্ষা, চৰিত্ৰ গঢ়াৰ শিক্ষাৰ আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ শিক্ষা। ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণণে তেখেতৰ "The foundation of civilisation" নামৰ কিতাপখনত এই দৰে লিখিছে "Education, in the broadest sense, of the term, has a very vital coutribution in developing the higher mind, its couscience and its vision. Only the right kind of education can help us attain an insight in to the good, gain wisdom to welcome change and not shy away from it."

ভাৰত স্বাধীন হোৱা দিনৰে পৰা বৰ্তমানলৈকে শিক্ষাক্ষেত্ৰত সংখ্যাগত বৃদ্ধি হৈছে। নিম্ন উল্লেখিত তালিকাৰ পৰা আমি ভাৰতবৰ্ষৰ এটি বিদ্যায়তনিক প্ৰতিচ্ছবি পাওঁ—

| | ১৯৫৭ | ১৯৯৫ |
|---|---|---|
| বিশ্ববিদ্যালয়— | ৩০ খন | ২০৭ খন |
| মহাবিদ্যালয়— | ৫০০ " | ৯২৭৩ " |
| ছাত্ৰছাত্ৰী— | ৬৩,০০০ জন | ৫০৮ নিযুত |
| নিৰক্ষৰ— | ৩.২৯ লাখ | ৪.১৫ কোটি |

কিন্তু গুণগত দিশত আশানুৰূপ ফল দেখুৱাব পৰা নাই। অৰ্থাৎ আমি বিচাৰো প্ৰায় বোৰ অনুষ্ঠানেই উৎকৰ্ষৰ সাধনাৰ কেন্দ্ৰলৈ ৰূপান্তৰীত হওঁক। ছান্দোগ্য উপনিষদতে সুন্দৰকৈ ব্যাখ্যা কৰিছে ঃ— "যা দেব বিদ্যায়া কৰোতি, শ্ৰদ্ধয়া উপনিষদ, তোদেৱ বিৰ্য্যবন্তৰম ভৱতি"। অৰ্থাৎ এজন ব্যক্তিয়ে শ্ৰেষ্ঠত্ব লাভ কৰিবলৈ বিদ্যা মানে জ্ঞান, শ্ৰদ্ধা আৰু উপনিষদৰ (প্ৰজ্ঞা) ৰ প্ৰয়োজন।

আমি যদি প্ৰশ্ন কৰো ভাৰত বৰ্ষত এনেকুৱা কেইখন উৎকৰ্ষ সাধনাৰ কেন্দ্ৰ বা অনুষ্ঠান আছে? ইয়াৰ উত্তৰত "India To-day" আলোচনীয়ে অলপতে আগবঢ়োৱা এটা সমীক্ষাৰ লৈ আগুলিয়াব পাৰি, যাৰ ফলাফল "Top Ten Collages" নামৰ প্ৰবন্ধটিত সন্নিবিষ্ট কৰা হৈছে। সমীক্ষা চলাওঁতে প্ৰধানকৈ তিনিটা দিশত গুৰুত্ব দিয়া হৈছিল—

কলেজৰ বোৰৰ কৰ্মপদ্ধতি

আদৰ্শ আৰু

সৰ্ব ছাত্ৰছাত্ৰীৰ জীৱনৰ শুদ্ধ লক্ষ্য নিৰ্ণয়ত অৰিহণা আৰু লগতে আন ৭টা দিশ বিবেচনা কৰা

হৈছিলে— ১। ছাত্ৰ-ছাত্ৰীৰ দক্ষতা ২। বিভাগ বোৰৰ দক্ষতা ৩। ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত লাভ কৰা নম্বৰ ৪। গৱেষণাৰ ফলাফল ৫। কলেজ বোৰৰ কাথামো ৬। পাঠ্য ক্ৰমৰ উপৰিঞ্চি কাৰ্য্যক্ৰম আৰু ৭। পাঠ্যক্ৰমৰ গুণগত দিশ। এই জৰীপমতে ভাৰতবৰ্ষৰ প্ৰথম ১০ খন কলেজ হৈছে ( ক্ৰম অনুসৰি ) (1) St. Stephen College, Delhi ; (2) Pre-Sidency College. Calcutta ; (3) Lady SriRam College, Delhi ; (4) St. Xavier's College, Mumbai ; (5) Loyala College, Chennai ; (6) SRCC Coll-ege, Delhi ; (7) St. Xavier's College, Calcutta ; (8) Stella Maris, Che-nnai ; (9) Hindu College, Delhi ; (10) Vivekanandra College, Chennai ; ভাৰতবৰ্ষত সৰহ সংখ্যক কলেজৰ অৱস্থা পয়া লগা হোৱাৰ আন এটি প্ৰধান কাৰণ হৈছে - আৰ্থিক অনাতন। চৰকাৰী অনুদান মুঠেই সন্তোষজনক নহয়। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে এইবাৰ বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগ ( UGC ) ক নৱম প্লেনৰ বাবে লাগে মুঠ ৯৩৫ কোটি টকা ; কিন্তু চৰকাৰে দিছে প্ৰায় ৪০০ কোটি টকা। সেই দৰে গৱেষণা আৰু উন্নয়ন বিভাগ ( R&D ) ত খৰচ কৰা টকা তুলনা মূলক ভাৱে অতি নগণ্য। কিয়নো, আমেৰিকাই প্ৰতি বছৰে ব্যয় কৰে ১৭০ বিলিয়ন ডলাৰ, জাপানে খৰচ কৰে ১০০ বিলিয়ন ডলাৰ ; অন্যহাতেদি ভাৰতে কৰে ১ বিলিয়ন ডলাৰতকৈ কম। সেই কাৰণে "Can we Save Sciences in India" প্ৰবন্ধটোত বিখ্যাত বিজ্ঞানী ড° চি, এন, আৰ, ৰাৱে প্ৰত্যাহ্বান জনাই কৈছে যে এইদৰে বিশ্বৰ লগতে সমানে গতি কৰিবলৈ টান হ'ব যদিহে আৰ্থিক সাহাৰ্য্য একেদৰে অব্যাহত থাকে।

আজিৰ যুগটোক জ্ঞানৰ বিস্ফোৰণৰ যুগ বুলি অবিহিত কৰিছে। বিজ্ঞান আৰু প্ৰযুক্তি-বিদ্যাই মানৱ জাতিৰ ধ্যাণ ধাৰণা, জীৱন ধাৰণা সম্পূৰ্ণ সলনি কৰি দিছে। জ্ঞানৰ বিস্ফোৰণ ইমান দ্ৰুত গতিত হৈছে যে কালিৰ স্নাতকে যদি আজিৰ জ্ঞানৰ লগত পৰিচিত নহয়, তেন্তে কাইলৈ তেওঁ নিৰক্ষৰ হব। প্ৰতি ১০ বছৰে জ্ঞান দুগুণকৈ বৃদ্ধি হৈছে।

জ্ঞানৰ বিস্ফোৰণত প্ৰধান ভূমিকা লৈছে কম্পিওতাৰ আৰু ইন্টাৰনেটে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ন-ন বিষয়ৰ প্ৰসাৰত কম্পিওতাৰে লোৱা ভূমিকাৰ। ফলশ্ৰুতিত উন্নত দেশবোৰে শিক্ষাৰ আমূল পৰিবৰ্তন ঘটাইছে আজি অৰ্থনীতি, ইতিহাস বা পদাৰ্থ বিজ্ঞান ৰসায়ন আৰু গণিত আদি বিষয়বোৰ পোন পতীয়াকৈ পঢ়াৰ যুক্তি-যুক্ততা হেৰায় গৈছে। ইয়াৰ সলনি বায়' টেকন'-লজি, জেনেটিক ইঞ্জিনীয়াৰিং, মেনেজমেণ্ট বিজ্ঞান, সংবাদ প্ৰযুক্তি, গাণিতিক অৰ্থনীতি আদি বিষয়-

বোৰে বৰ্তমান যুগৰ চাহিদা পূৰণ কৰিছে।

আকৌ, জীৱনৰ মূল্যবোধৰ অধ্যয়ন শিক্ষাৰ অন্যতম দি হোৱাটো বাঞ্ছনীয়। ব্যক্তি-কেন্দ্ৰিক ব্যক্তিয়ে সমাজ এখনৰ, উন্নতিত কোনো অৰিহণা যোগাব নোৱাৰে জীৱনৰ আদৰ্শ কি? আদৰ্শ ব্যক্তি বা আদৰ্শ সমাজ এখন কেনে হোৱা উচিত? শিক্ষাচাৰ আৰু ভণ্ডামীৰে ভৰপুৰ বুদ্ধিজীৱি সকলক লৈ গঠন কৰা সমাজ এখন কোনটো দিশত গতি কৰিব এই বোৰ প্ৰশ্ন অমূলক নে বৰ্তমান যুগত ইয়াৰ প্ৰাসঙ্গিকতা আছে? বৌদ্ধিক বিকাশৰ লগতে নৈতিক চৰিত্ৰৰ উন্নতি সৰ্বদা প্ৰয়োজন। ইয়াৰ বিকল্প পথ থাকিব নোৱাৰে "The meaning of culture" কিতাপত লিখক জন কাউপাৰ পয়িছিয়ে কৈছে "Goodnees is greater tham Cutlure; So Boddha is Profounder than socrates"।

গতিকে শিক্ষা জগতত এটি বৈপ্লৱীক পৰিবৰ্তন ঘটাই বৰ্তমানৰ প্ৰত্যাহবানৰ লগত সন্মুখিন হব নোৱাৰিলে, ভাৰতবৰ্ষৰ চহকী সংস্কৃতি, চহকী পৰম্পাৰাৰ পুনৰুত্থান নঘটিব; আৰু নঘটিব জীৱনৰ অৰ্থবহ দৰ্শনৰ বিকাশ।

— o —

— মহৎ লোকৰ বাণী —

"মানুহে তোমাক নাজানে বুলি আক্ষেপ নকৰিবা। এনেভাৱে কাম কৰি যোৱা, যাতে তুমি মানুহে জানিবৰ যোগ্য হোৱা" — ডাৰ্জিল —

সংগ্ৰাহক
শ্ৰীপ্ৰবীন কুমাৰ বৰা।
স্নাতক ২য় বৰ্ষ।

— মহৎ লোকৰ বাণী —

"হে ডেকা বন্ধু সকল, তোমালোক স্বাধীন হোৱা। কুকুৰৰ প্ৰচণ্ড ভুক ভুকনিয়ে আমনি কৰিলেও তোমালোক জাগা, উঠা আৰু কাম কৰা।" — স্বামী বিবেকানন্দ —

সংগ্ৰাহক
শ্ৰীবিষ্ণু সোনোৱাল।
স্নাতক ১ম বৰ্ষ।

# "ছাত্ৰ সমাজৰ পৰিচয় পৰ্ব আৰু কিছু প্ৰাসঙ্গিক চিন্তা"

□ জি, চি বৰা, অধ্যক্ষ,
ডায়েট, আজাদ লক্ষীমপুৰ।

ডকাইট ডকাইট, ঠগ, প্ৰৱঞ্চক, গুণ্ডা, মদপী,
"ধৰ ধৰ, মাৰ মাৰ, চোৰ চোৰ, ডকাইট ডকাইট, ঠগ, প্ৰৱঞ্চক, গুণ্ডা, মদপী, যুৱক যুৱতীৰ অত্যাধুনীক
ভঙ্গুৰা, মদ খাই মাতলামি, ড্ৰাগচ, যুৱতী বোৱাৰী ধৰ্ষণ, হত্যা, লুণ্ঠণ, যুৱক যুৱতীৰ অত্যাধুনীক ভঙ্গুৰা, মদ খাই মাতলামি, ড্ৰাগচ, যুৱতী বোৱাৰী ধৰ্ষণ, হত্যা, লুণ্ঠণ, কাৰ্যালয়, সঞ্চালকালয়, সচিবালয়, পৰিবহন,
নাঙঠ সংস্কৃতি, অসাধু ব্যৱসায়, ভেজাল আদালত, কাৰ্যালয়, সঞ্চালকালয়, সচিবালয়, পৰিবহন, ইত্যাদি ইত্যাদি বাতৰি কাকতৰ প্ৰকাশ– গৰ্ডণ
বিদ্যুত, জলসিঞ্চণ, বাননিয়ন্ত্ৰণ, পশুপালন, গ্ৰামোন্নয়ন ইত্যাদি ইত্যাদি বাতৰি কাকতৰ প্ৰকাশ– উদ্ধাৰ কৰিছে। এই সংক্ৰান্তত
স্কুলৰ সন্মুখৰ পৰা চুৰ কৰি নিয়া মাৰুতি কাৰ খন পুলিচে উদ্ধাৰ কৰিছে। এই সংক্ৰান্তত — ... ...
পুলিচে আতক কৰা তিনিজন যুৱকৰ দুজন বানিজ্য মহাবিদ্যালয়ৰ আৰু আনজন
মহাবিদ্যালয়ৰ ছাত্ৰ। ৰেগিং ৰেগিং ... ... ... মহাবিদ্যালয়ৰ ৰূপলীমা নামৰ ছাত্ৰী এগৰাকী
ছাত্ৰী নিবাসৰ পৰা অপহৰণ কৰি নি ধৰ্ষণ কৰা ঘটনাৰ লগত জড়িত দুজন যুৱক ও এগৰাকী পুলিচে
আটক কৰিছে। যুৱক দুজন-মহাবিদ্যালয়ৰ আৰু যুৱতী গৰাকী উক্ত মহাবিদ্যালয়ৰ ছাত্ৰী বুলি পুলিচে
চিনাক্ত কৰিছে। ছালফা আৰু আলফা সংগঠনৰ নামত ধন সংগ্ৰহৰ অভিযানত দুজন ইঞ্জিনিয়াৰিং মহা-
বিদ্যালয়ৰ আৰু এজন — ... বিশ্ববিদ্যালয়ৰ ছাত্ৰক পুলিচে আটক কৰিছে। যোৱা নিশা মহানগৰীৰ
হোটেল সমূহত পুলিচে অভিযান চলাই অসামাজিক কাৰ্য্যৰ লগত জড়িত থকা কেইবাজনো
ব্যক্তিৰ লগতে চাৰি গৰাকী মহাবিদ্যালয়ৰ ছাত্ৰীৰ আতক কৰিছে। ... ... ... ... চৰকাৰী
বাচ আস্থানত দুগৰাকী ছাত্ৰীৰ বেগ সমূহত পুলিচে সন্দেহজনক ভাৱে তালাচী চলাই প্ৰায়
১ লাখ টকা মূল্যৰ ড্ৰাগচ উদ্ধাৰ কৰিছে। তিনি আলিৰ চুকত, দলঙৰ মুৰত আড্ডা মাৰি
থকা যুৱকৰ দল এটাক সন্ধিয়া অকলশৰীয়া পথযাত্ৰী এগৰাকী মহিলাক অশালীন ব্যৱহাৰ
কৰাৰ বাবে পুলিচে লাঠি চালনা কৰি চত্ৰভংগ দিয়াই। পৰীক্ষাত নকল ধৰাৰ কাৰণে
মহাবিদ্যালয়ৰ এগৰাকী অধ্যাপক, এগৰাকী অধ্যাপিকা আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ এগৰাকী
শিক্ষকক ৰাস্তাত উক্ত মহাবিদ্যালয় ও উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ কেই জনে অশালীন
ব্যৱহাৰ কৰাৰ বাবে পুলিচে আতক কৰিছে। কোনো যুৱক সংঘ, নাট্যবিকাশ কেন্দ্ৰৰ সভাপতি।
সম্পাদক বা কোষাধ্যক্ষই সংগৃহিত ধন আত্মসাত কৰাত ৰাইজ আদালতৰ কাষ চাপিছে।
মহিলা সমিতিৰ সম্পাদিকাই সকলো আত্মসাত কৰাত ৰাইজ, মন্ত্ৰী, বিধায়কৰ ওচৰ চাপিছে, ইত্যাদি।

ইত্যাদি।

আকৌ ৰাজনীতি। অসমত ৰাষ্ট্ৰীয় আৰু আঞ্চলীক দল মিলি প্ৰায় ১৫ টা মান দল আছে। কোনো দলৰে নিজা অস্তিত্ব ধৰি ৰাখিব পৰা দাৰ্শনিক ভিত্তি বহলাংশে নাই। সকলোতে স্বাৰ্থন্বেষী। নিৰ্বাচনৰ প্ৰাগমূহুত্তৰ গোষ্ঠীগত সংঘৰ্ষত, ৰাজ্যখনৰ সাৰ্বজনীন সমস্যা সমূহত এই দল সমূহৰ স্বৰূপ বিলাক জনসাধাৰণৰ আগত ধৰা দিয়ে। সাধাৰণতে নেতা পালিনেতা সকলে সকলো স্বাৰ্থৰ মূলতে যুৱক-যুৱতী সকলকে হাঠিয়াৰ হিচাপে ব্যৱহাৰ কৰে। ক্ষুদ্ৰ স্বাৰ্থত প্ৰলোভিত হৈ যুৱক-যুৱতী সকলে ৰাজনৈতিক কাৰ্য্য কলাপ সমূহত জপিয়াই পৰে। চাকৰি, ঠিকা, ব্যৱসায় বাণিজ্য আদিৰ বাবে নেতা সকলৰ আশ্বাসত প্ৰলোভিত হৈ হত্যা, সংঘৰ্ষ আদি কাৰ্য্যত জড়িত হৈ পৰিবলৈকো কুণ্ঠাবোধ নকৰে। এই যুৱক-যুৱতী সকলৰ খুওব কম শতাংশইহে জনসাধানণৰ সামূহিক কল্যাণৰ যেনে বানপানী ৰাস্তাঘাট, শিক্ষা ব্যৱস্থা আৰ্থিক সমস্যা সমাধান ইত্যাদিৰ বাবে ৰাজনৈতিক পৰিশ্ৰম কৰে। নেতা সকলৰ কথা সকলোৱেই বা প্ৰকৃততে এই যুৱক-যুৱতী সকল কোন? এই সকল আমাৰে প্ৰাক্তন ছাত্ৰ ছাত্ৰীৰ লগতে বৰ্তমান অধ্যয়নৰত মহাবিদ্যালয়ৰ বিশ্ব-বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল নহয় জানো?

ওপৰত আলোচিত সকলোবোৰ ঘটনাৰাজিৰ বা বিষয়বস্তু ব্যঙ্গাত্মক হলেও জনসাধৰণৰ আৰ্থসামাজিক, ৰাজনৈতিক, শৈক্ষিক আদি দৈনন্দিন জীৱনত ঘটি থকা নিৰ্ঘাট সত্য ঘটনা আৰু ঘটনা ৰাজি বিলাকত সৰ্ব্বাত্মক ভাৱে ক্ষতি গ্ৰস্ত গৈছে সৰ্ব্বসাধাৰণ ৰাইজ। আৰক্ষী বা সামৰিক বাহিনীৰ দ্বাৰা নিৰীহ যন্তনা, হত্যা, কোনো আন্দোলন, সংগঠনৰ বন্ধ, হৰতাল, হত্যা, অত্যাচাৰ— এই সকলো বিলাকৰ বলি সৰ্ব সাধাৰণ প্ৰজা। ভেজাল ব্যৱসায়ী, গ্ৰামোন্নয়ণ, জলসিঞ্চন, বানপানী নিয়ন্ত্ৰণ, পশুপালন ৰাস্তা ঘাট নিৰ্মান আদি বিলাকত কৰা ব্যাপক দুনীতিৰ ফলত পোন পটীয়াকৈ গাওঁ অঞ্চলত জনসাধাৰণৰ ক্ষতি গস্ত হৈ আছে আৰু কোনো লোক ক্ষতি গ্ৰস্তৰ এনে নিমুস্তৰত পৰিলগৈ যে জীৱনত উদ্ধাৰ হোৱাৰ আৰু কোনো দিনে আশা নাই। আজিৰ পৰা ১৭/১৮ বছৰৰ আগতে গাওঁ অঞ্চলত খেতি পথাৰে, ভাতে ভঁৰালে স্বচ্ছল প্ৰানোদীপ্ত লোক আজি হাতত ভিক্ষাৰ জোলোঙা লৈ ঘুৰি ফুৰিছে। সৰ্বসাধাৰণ মানুহৰ জীৱনৰ মাজ বাটতে এই ছবিখন কাৰ সৃষ্টি? এই সকল সাধাৰণ লোকৰ সাধাৰন হিচাপে জন্ম লৈ গাওঁ অঞ্চলত বসবাস কৰাতো অপৰাধ নেকি? আদালত, কাৰ্য্যালয়, সঞ্চালাকালয়, সচিবালয়, বিদ্যুৎ, পৰিবহন এই বিলাকত কৰা ব্যাপকহাৰত দুনীতি শোষন আৰু ৰাজহুৱা সম্পদৰ ধ্বংস আৰু আত্মসাং কাৰ্য্যই কাৰ বেছি ক্ষতি সাধন কৰিছে? এতিয়া বিষয় বস্তুৰ প্ৰসঙ্গ ও ভাৱাৰ্থ বিচাৰি চোৱা যাওঁক। ধৰি লোৱা হওঁক সমুদায় কাৰ্য্য সংঘটিত কৰিছে ১০০ জন ব্যক্তিয়ে। ইয়াৰে ভাৰতীয় কিন্তু অনা অসমীয়া লোক ২৫ শতাংশ,

## প্ৰবন্ধ

বহিৰাগত ৫ শতাংশ, বিদ্যালয়ৰ মুখ নেদেখা গাওঁ চহৰৰ লোক ৫ শতাংশ, প্ৰাক্তন ছাত্ৰ ২০ শতাংশ, ২০ শতাংশ প্ৰাপ্তবয়স্ক দুস্কৃতি কাৰী লোক মুঠ ৭৫ শতাংশ। এতিয়া বাকী ২৫ কোন? সহজেই অনুমেয় হৈছে যে এই ২৫ শতাংশ লোক আন কোনো নহয়, অধ্যয়নৰ নামত শিক্ষানুষ্ঠানত থকা কোনো বিশেষ ছাত্ৰ-ছাত্ৰী। হয়তো কোনো জন পৰিবেশৰ কাৰণে, কোনোজন বাধ্যত পৰি, কোনো জন লগৰীয়াৰ লগত পৰি, কোনোজন দেখাক-দেখি, কোনোজন সোৰাদ লবৰ মনেৰে আৰু কোনোখন ছাত্ৰ অৱস্থাতে লাখপতি হোৱাৰ মানসেৰে সকলো বিলাক দুস্কৃতি কাৰ্য্যৰ লগত জড়িত হৈ পৰিছে বুলি সন্দেহ প্ৰকাশ কৰা হৈছে। অৱশ্যে ইয়াৰ বাবে প্ৰকৃত জগৰীয়া কোন সংক্ষেপতে কৈ দিব নোৱাৰিলেও বিশ্লেষণ কৰি চালে দেখা যায় যে অভিভাৱক, ছাৰিও ফালৰ পৰিবেশ, বয়োজেষ্ঠ লোক সকল, শিক্ষক-শিক্ষয়ত্ৰী, সমাজ, শিক্ষানুষ্ঠান সমূহৰ কতৃপক্ষ প্ৰশাসন, চৰকাৰ, ৰাজনৈতিক নেতা আদি সকলোৱেই জগৰীয়া ? আনহাতে বঞ্চিত নিৰ- ম্বুৰা "সমস্যা অন্য এটা কাৰণ হিচাপে দেখা দিলেও মূলত আমাৰ শিক্ষানুষ্ঠান সমূহত চলি থকা পাঠ্য ক্ৰম সমূহত যথেষ্ঠ আসোৱাহ আছে। বৰ্তমান অধ্যয়ৰত অৱস্থাত থকা ছাত্ৰ-ছাত্ৰী সকল সাধাৰণ পাঠ্য ক্ৰমৰ উপৰিও অবিদ্যায় তনিক বিষয় সমূহৰ লগত ( Non scholastic Subjects ) ৰুটিন বা খতিয়ান অপৰিহাৰ্য্য সহ পাঠ্য ক্ৰমিক হিচাপে জড়িত হোৱা উচিত আৰু উক্ত বিষয় সমূহ মহাবিদ্যালয় বা বিদ্যালয় কতৃপক্ষই উপযুক্ত ভাৱে মুল্যায়ণ কৰি মূল্যমান নিৰ্ণয় কৰা উচিত। ধৰি লোৱা হওঁক লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ত ৭০০ ছাত্ৰ-ছাত্ৰী আছে। ১০০ জন ছাত্ৰ-ছাত্ৰীৰ শৰীৰ চৰ্চ্চা, এথলেটিক্স, খেলা-ধূলা এই বিলাকত পূৰ্ণ দক্ষতা নহলেও আংশিক দক্ষতা আৰু ৰাপ আছে। এই সকলক নিয়ম মতে অভ্যাস কৰোৱা, মাজে সময়ে কোনো প্ৰশিক্ষনৰ দ্বাৰা প্ৰশিক্ষন দিয়া, মুল্যায়ণ কৰি খতিয়ান দাঙি ধৰা, পূৰ্ণ প্ৰশিক্ষণ দিয়া। এনে ব্যৱস্থা সমূহ নিয়ম মতে কৰি যাব পাৰিলে দেখা যাব যে প্ৰথম দুবছৰৰ পাছত এই মহাবিদ্যালয়ৰ পৰাই মহকুমা ভিত্তিত প্ৰতি- যোগিতাত নামিব পাৰিছে। দ্বিতীয় বছৰত অন্তত জিলা ভিত্তিত আৰু তৃতীয় বছৰত অন্তত ৰাজ্যিক পৰ্য্যায়ত প্ৰতিযোগী হোৱাৰ দক্ষতা অৰ্জন কৰিছে। ঠিক তেনেদৰে চিত্ৰ শিল্পী বা কণ্ঠশিল্পীৰ শাৰীত ১০০ জনৰ অভ্যাস আৰম্ভ কৰিলে শেষান্তৰত নিশ্চয় কিছুসংখ্যক প্ৰতিভা- ৱান শিল্পীৰ আৱিস্কাৰ হব। সাহিত্যৰ দিশত যেনে গল্প, কবিতা, নাটক, ৰঙ্গ ৰচনা, ইত্যাদি সমূহৰ বৈশিষ্ট জনাৰ উপৰিও, সঘন অভ্যাস, মুল্যায়ণ পৰামৰ্শাৱলী আদিৰে আৰম্ভ কৰি গৈ থাকিলে এটা দৰ্শকৰ অন্তত এইখন জিলাতে কিছুসংখ্যক নবীন লিখক-লিখিকাৰ জন্ম নহবনে? আকৌ ধৰি লোৱা হওঁক মহাবিদ্যালয়ৰ ২০ বিঘা আবাদী মাটি এনেয়ে পৰি আছে। ঋতু

অনুযায়ী ৰবি শষ্য, ফলমূল, শাক-পাচলিৰ বাগান আৰম্ভ কৰিব লাগে। সমাজ সেৱাৰ বিভা-
গৰ ২০ জন ছাত্ৰ-ছাত্ৰীয়ে আগভাগ ললে সময়ত সকলোৱেই জড়িত হৈ পৰিব। সকলো
উপাৰ্জন "ছাত্ৰ ঐক্য পুঁজি" বা ছাত্ৰ সমবায়লৈ আহি জমা হ'ব। আলোচিত এই বিষয়
বিলাক দেখাত সাধাৰণ সৰু বা অৱহেলিত যেন লাগিলেও ইয়াৰ মূল্যবোধৰ গুৰুত্ব অত্যান্ত বেছি
আৰু প্ৰয়োজনীয়। পাচঁ বছৰীয়া মহাবিদ্যালয়ৰ শিক্ষাৰ অন্তত যি সকলে সু-দক্ষ হিচাপে
উত্তীৰ্ণ হব নোৱাৰে, সাধাৰণ শিক্ষাৰে সাধাৰণ ভাৱে উত্তীৰ্ণ হৈ চাকৰি বা স্বাৱলম্বনৰ কাৰণে
যেতিয়া হাবাথুৰি খাব লগীয়া হয়, যাৰ বৃত্তিগত শিক্ষাত একো নাই, তেতিয়াহে অনুভৱ হয়
যে শিক্ষা লোৱা হ'ল যদিও একোৱেই নহ'ল। "বোলে মোৰ পো মাছলৈ গ'ল লোকক
খুজিবলৈও আভায়ী হ'ল"। স্নাতক ডিগ্ৰী এটা লোৱাৰ পাছত সেই সময়ত বয়স অনুযায়ী
জীৱনলৈ আহিব লাগে সৌন্দৰ্য্য, সৌষ্ঠৱ ব্যস্ত আৰু কৰ্মময় দিন, কিন্তু বৰ্তমান শতকৰা ৭০
জনৰ জীৱনলৈ আহে ধাম মুখীয়া, হতাশা আৰু পৰিয়াল ভঙ্গৰ ক্ৰন্দন ইত্যাদি। আৰু তাৰ
পাছত বহুজনৰ জীৱন আৰম্ভ হয় অন্ধকাৰ নগৰীত।

অপকৰ্ম বা দুস্কৃতি কাৰ্য্যকৰি ধনী হব পাৰি বা নামতো বাতৰি কাকতত প্ৰচাৰ হব পাৰে,
কিন্তু সেইজন কোনো কাৰণেত্তে শ্ৰেষ্ঠ বা বিখ্যাত হব নোৱাৰে। আৰু মাত্তি আনে জীৱনৰ
মাজ বাটতে সামৰণি অনুষ্ঠান। ৬০ ৰ দৰ্শকত স্মাগলিং, সুন্দৰী যুৱতী ধৰ্ষণ, হত্যাৰে পৃথিৱীত
আলোড়ন সৃষ্টি কৰা চাৰ্লচ শোভৰাজ আনন্দ দিল্লীৰ তিহাৰ জেলত কুৰি বছৰ কটাই সৌ
সিদিনা ওলাই যোৱাৰ পাছত পুনৰ এতিয়া ফৰাচী দেশৰ কাৰাগাৰত। ফলাফল? দুহে-
জাৰ হাতী আৰু এশজন লোকক হত্যা কৰি তামিলনাডু আৰু কৰ্ণাটক চৰকাৰৰ টোপনি
নষ্ট কৰা, চন্দন কাঠৰ ডকাইত বীৰাপ্পান, বহুকোটি টকাৰ গৰাকী হলেও বসবাস, বদ-বতাহে
নোপোৱা দুৰ্গম জংঘল। আত্মসমৰ্পন নকৰিলে পুলিচৰ হাতত পৰিবলৈ আৰু বেছি দিন নাই।
এইদুস্কৃতি কাৰ্য্যৰ বাবে ভাৰতবৰ্ষত কাৰ কি লাভ হৈছে? আনহাতে মাডাৰ টেৰেছা?
বৰ্তমান শাৰীৰিক ভাৱে অক্ষম হলেও বিশ্বৰ শান্তি প্ৰতিষ্ঠা আৰু সাধাৰণ লোকৰ উপকাৰৰ
বাবে কৰা গঠণ মূলক চিন্তা ও কাৰ্য্যকলাপৰ বাবে বিশ্ববৰেণ্যা ও ভাৰত ৰত্ন, বিজয়িনী
যোৱা ৩১ আগষ্টত পেৰিচত এক ভয়াবহ পথ দুৰ্ঘটনাত মৃত্যুক আকোৱালী লোৱা ইংলেণ্ডৰ
যুৱৰানী "ডায়েনা" ধন সম্পদ বা কেৱল সৌন্দৰ্য্যৰ বাবে নহয় তেওঁ আছিল পেচাত এগৰাকী
শিক্ষয়িত্ৰী আৰু সমাজ সেৱিকা, বিশ্বত লেণ্ড মাইনৰ বিৰোধিতা কৰা প্ৰথম গৰাকী মহিলা।
ভাৰতবৰ্ষলৈ আহি কোনো বন্ধুৰ লগত অৱসৰ বিনোদন কটোৱাৰ বাবে নহয়, কলিকতাৰ এখন

কুষ্ঠৰোগীৰ চিকিৎসালয় পৰিদৰ্শন কৰি ৰোগিক নিজহাতেৰে চুই সজ পৰামৰ্শ দিয়াৰ বাবে আদৰ্শ সমাজ সেৱিকা হৈ থাকিল। ছাত্ৰ-ছাত্ৰী সমাজে সমাজত শান্তি প্ৰতিষ্ঠাৰ বাবে আদ- শৰান হৈ উঠাৰ প্ৰয়োজনীয়তা নকৈ দোহৰাৰ নি-প্ৰয়োজন। অন্ততঃ যিসকলৰ শিক্ষানুষ্ঠান সমূহত নিজৰ ভূমিকা নাই — সেই সকলে সৰস্বতী পুজা, শঙ্কৰ মাধৱৰ তিথি আদিৰ বাবে ৰাইজকে মাধমাৰ দি চান্দা পইচা উঠাই ৰাস্তাৰ কাষত ৰভা চালি দি উৎসৱ সমূহ পতাৰ নামত ৰাতি সুৰাৰ শৰাই পাতি মাইক, ড্ৰেক, হিন্দী, ইংৰাজী গীতৰ জংঘলী হুলস্থুল কৰাতকৈ কাষতে থকা প্ৰাথমিক বা মজলীয়া বিদ্যালয়ৰ কন কন ছাত্ৰ-ছাত্ৰী সকলৰ লগতে লগাই উক্ত উৎসৱ সমূহ কেনেকৈ পাতিব লাগে, কিয় পাতিব লাগে বা পাতিলে কি লাভ হয় ইত্যাদি কথাবোৰ শিকালেও এই সৰু সৰু কথা আৰু আদৰ্শবোৰৰ পৰাই ভৱিষ্যতে অগ্ৰজ সমাজৰ মহৎ উপকাৰ হ'ব। চমুকৈ "আজিৰ ছাত্ৰই কালিলৈ দেশৰ ধৰণী হোৱা উচিত তাৰ পৰিৰ্বতে আজিৰ ছাত্ৰ কালিলৈ অভিভাৱক, সমাজ, প্ৰশাসন ও দেশৰ বোজা হোৱা অনু- চিত"। প্ৰসঙ্গত উল্লোখ নকৰি নোৱাৰিলো "সঞ্জয় ঘোষ মৃত্যু হ'ল যদিও সাধাৰণ জনগণৰ কাৰণে তেওঁৰ কৃতিত্ব অমৰ হৈ থাকিল"। সৌ দিনাৰ কথা পশ্চিমবঙ্গৰ মেদিনীপুৰ চহৰৰ কোনো এখন মজলীয়া বালিকা বিদ্যালয়ৰ কতৃপক্ষই বিদ্যালয়ৰ চৌহদত থকা গছ কেইজোপা- মান কাটিবলৈ লোৱাৰ প্ৰতিবাদত কন কন ছাত্ৰ-ছাত্ৰী সকলে শ্ৰেণী বৰ্জন কৰি গোটেই দিন- তো গছ কেইজোপাতে সাৱত মাৰি থাকিল। এনেবোৰ ত্যাগ আৰু আদৰ্শ সদায় সজীৱ হৈ থকাৰ কামনা কৰিলো।

"Education has to contribute to the development of spiritual man"—

—Sankara charya.—

প্ৰবন্ধ

# ছাত্ৰৰ চিন্তা আৰু মনন

□ক্ষীৰদা কাকতী
আজাদ, উঃ লং

যুগ সলনি হয়, সলনি হয় সময়। সলনি হয় মানুহৰ জীৱনধাৰা। মানুহ ওপজে আৰু মৰে। কিন্তু প্ৰমানিক নহলেও ধাৰণাৰে কিছুলোক হয় স্বৰ্গী বা বৈকুণ্ঠগামী আৰু প্ৰায়বোৰ মৰে। মৰণৰ সিপাৰৰ ভাগ কেইটা মানুহে মানুহৰ শাস্ত্ৰমতে নিৰ্ণয়ৰ ব্যৱস্থা ৰাখিলে। হিন্দু শাস্ত্ৰৰ মতে এই কৰ্মফলকে লৈ পুনৰ জন্ম গ্ৰহণ কৰি কৰ্মফল ভোগ কৰে।

"কৰ্ম তুখে যিবা জন্ম হৈও সংসাৰত বয়স অনুপাতে, জীৱনৰ প্ৰতিতো স্তৰত"। কিছুমান কাম জীৱন ব্যাপী বেলেগ বেলেগ শিক্ষাই মানুহক সলনি কৰে, সলনি সময়ক। সলনি কৰে বেয়াৰ পৰা ভাললৈ। শিক্ষাই পাহৰিবলৈ নিদিয়ে নিজৰ দায়িত্ব বোধক, নিজৰ কৰ্তব্যবোধক। যি শিক্ষাৰ দ্বাৰা বিজ্ঞানৰ ন-ন উপহাৰেৰে, ভৰুণ কৰিব বিচৰা হৈছে পৃথিৱীক, নিতে সেউজ বুলীয়া কৰাৰ সপোন দেখা হৈছে মানৱ জাতিক।

"ছাত্ৰানাং অধ্যয়নং তপঃ" এই কথাশাৰী শিৰোগভ কৰি ছাত্ৰই অন্যান্য সমূহ চিন্তা আঁতৰাই অধ্যয়নৰ জৰিয়তে এজন সম্পূৰ্ন সং মানুহ হোৱাৰ সাধনা আগত ৰখা উচিত।

"শ্ৰদ্ধাবান লভতে জ্ঞানম"। এই খিনিতে শ্ৰদ্ধাবান, আদৰ্শবান, তৃক্ষ্ণ বুদ্ধিৰ এজন ছাত্ৰৰ শিক্ষকৰ প্ৰতি থাকিব লগা অন্তৰৰ ভক্তি খিনিৰ এখন চিত্ৰ দাঙি নধৰি নোৱাৰি।

অসম মাতৃৰ সুযোগ্য সন্তান, এজন ছাত্ৰ। যিজনে প্ৰাথমিক পৰ্য্যায়ৰ পৰাই কেৱল প্ৰথম হৈ হৈ লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা ডি, লিট, আৰু পদ্মশ্ৰী, বিদ্যাবিনোদন উপাধি লাভ কৰিছিল। অসম সাহিত্য সভাৰ সন্মানীয় গৌৰোহিত্য কৰিছিল, শিক্ষাদান আছিল পেশা আৰু সাহিত্য চৰ্চা আছিল যাৰ নিচা। অসমীয়া সাহিত্যৰ ভড়াল ঘি চহকী কৰি থৈ গৈছে তেনেজন সৰস্বতীৰ পুত্ৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্ণধাৰ উপাচাৰ্য্য ৰূপে কাৰ্য্যনিৰ্বাহ কৰি আছিল। কথা, এদিন এই পণ্ডিতজনে আৱেলি নিজৰ ঘৰৰ বাৰান্দাত বহি আছিল। আৰু সেই সময়ৰে তেনেতে দেখিলে শুকুলা চুলিৰে সাধাৰণ ধুতি পাঞ্জাৰী পৰিহিত এজন বৃদ্ধ খটখটি, বগাই তেখেতৰ বাৰান্দাটো উঠি আহিছে। গহীন মাতেৰে তেখেতে আগন্তোক কলে — "মই কিন্তু আপুনাক চিনিব পৰা নাই।

মই এজন
আপুনি কাক বিচাৰিছে " ? আগন্তুকে তেখেতৰ মুখত চাৱনি ঢালি মৰমৰ বোল সানি কলে " মই এজন
শিক্ষক আছিলো, ঘৰ ন-গাঁৱত" । আগন্তকৰ কথাষাৰ শুনাৰ লগে লগে সেই মহান ব্যক্তি জনে, যাক
অসমৰে গৌৰৱ বুলি কোৱা হয় তেনেজনে তপকৈকৈ চকীৰ পৰা উঠি আগন্তুকৰ ভৰি চুই সেৱা
কৰিলে । আনন্দত, হেঁপাহত মুৰতে লমনে কান্ধতে থবনে কৰি আদৰ সাদৰকৈ বহুৱাই চাহ-
জলপান খুৱাই, এৰাতি নিজৰ ঘৰতে ৰাখি পিচদিনা গোটেই গুৱাহাটিখন নিজৰ গাড়ীৰে দেখু-
ৱাই, নিজৰ ধনেৰে টিকট কাটি, গাড়ীত উঠাই, বিদায় পৰত সেৱা কৰি চকুপানী টুকিছিল ।
সেই ছাত্ৰ জন আছিল ড° সূৰ্য্যকুমাৰ ভূঁঞা । আগন্তুক জন আছিল তেখেতৰ প্ৰাথমিক
বিদ্যালয়ৰ শিক্ষয়ক । শিক্ষকজনৰ আগত ড° সূৰ্য্যকুমাৰ ভূঁঞা, কেৱল ছাত্ৰ । গুৰুশিষ্যৰ যি
মধুৰ সম্পৰ্ক, তাত শিক্ষাৰ অহংকাৰ, বৰ মানুহ হোৱাৰ বৰ গপ লেখমাত্ৰাও নাছিল ।
বিদ্বান সূৰ্য্যকুমাৰ ভূঁঞাই জানিছিল – "নাহাংকাৰাং পৰো ঃ ৰিপু" । বিদ্যাৰ অহংকাৰে বিদ্যাৰ বিনাশ
ঘটাই বুলি । শিক্ষকজন ধন্য হৈছিল । শিক্ষকতাৰ আনন্দকন বৰ বেছিকৈ উপলব্ধি কৰিছিল । শিক্ষকে
চেচুকৰ মূঢ়ানি ভাঙি ৰোৱা ফুলনী ভৰাৰ এপাহি সদ্য প্ৰস্ফুটিত পুষ্প আলফুলে এবাৰ নিজেই
কাষৰ পৰা চাবলৈ অহা বাসনা তেখেতৰ পূৰ্ণ হৈছিল । ছাত্ৰৰ উন্নতি শিক্ষকৰ মনৰ আকুটি ।
শিক্ষকে তেতিয়াই বিপুল আনন্দ লাভ কৰে যেতিয়া ছাত্ৰ-ছাত্ৰী সকলে পঢ়া শুনাৰ উন্নতিৰ
লগতে নৈতিক চৰিত্ৰৰে চৰিত্ৰবান, গুৰু শিষ্যৰ সম্পৰ্ক ৰক্ষা কৰিব পৰা একোজন মানুহ
হিচাপে দেখে মানুহ শব্দটোৰ অৰ্থ অতি মহান । শিক্ষকে ছাত্ৰক একোজন প্ৰকৃত মানুহ
হিচাবে পাবলৈ বিচাৰে । কাৰণ শিক্ষকৰ বিমল আনন্দ তাতেই, সেয়াই বিট্ ।

" কাক চেষ্টা, বকো ধ্যানম
স্বাণ নিদ্ৰা, অলপ হাৰী
গৃহ ত্যাগী বিদ্যাৰ্থী পথৰ লক্ষনম" ।

উপৰোক্ত এই পাচঁতা লক্ষণ ছাত্ৰ জীৱনৰ আদৰণীয় হোৱা উচিত ।
জীৱনৰ উন্দতি লাভৰ কাৰণে "পল পল দণ্ড কৰি সময় গৈছে উৰি, পাখিলখা
কাড়ৰ নিচিনা" কথা যাৰ ছাত্ৰই সদায় মনত ৰখা উচিত কাৰণ সময়ৰ সমষ্টিয়েই জীৱন । ছাত্ৰই অধ্যয়ন ব্ৰতী হৈয়ো সামাজিক আৰু গৃহ সেৱা আগবঢ়াব পাৰে । যিটো
সচেতন নাগৰিকৰ পূৰ্ব লক্ষণ ।

যুগৰ পৰিৱৰ্তনে ছাত্ৰ আৰু অধ্যয়নৰে পৰিৱৰ্তন আনিছে । দেশ, জাতি, সমাজ,
সংস্কৃতি, শাসন পদ্ধতি আদিৰ প্ৰতি চেতনা জগাই কৰ্ম্মঠ, উদ্যোগী, নাগৰিক ৰূপে গঢ় দিয়াৰ
উদ্দেশ্য আগত ৰাখি বৰ্তমান শিক্ষানীতি পৰিৱৰ্তন ঘটোৱা হৈছে । ছাত্ৰ জীৱনেই যিহেতু
ভৱিষ্যত জীৱনৰ ভেটি এই অৱস্থাতে ৰিশেষকৈ পৰীক্ষা গৃহক আচৰণ, শিক্ষা গুৰুৰ প্ৰতি

আচৰণ, পাঠ্যপুথিৰ বাদেও বিভিন্ন পুথি, বাতৰি, অতীত বুৰঞ্জী অধ্যয়ন আদিৰ প্ৰতি সদা সচেতন হোৱা উচিত। নহ'লে ভুল পথে পৰিচালিত হোৱাৰ ফল নিজৰ লগতে দেশে ভোগ কৰিব লাগিব।

স্বাধীনতাৰ সোণালী জয়ন্তীৰ মাজেদিয়েই দেশে বহুত হেৰুৱালেও বহুত পালে। দৰিদ্ৰতা দূৰীকৰণৰ চেষ্টাতে চৰকাৰে কোটি কোটি টকা খৰচ কৰিছে। দুখীয়া ৰাইজ বহু উপকৃতো হৈছে। বৰ্ত্তমান পৰ্য্যায়ত চিকিৎসা মহাবিদ্যালয়ৰ নিচিনা ব্যয়বহুল শিক্ষানুষ্ঠানেই ১৬২ খন পাইছেগৈ। তথাপি এমুঠি ছাত্ৰৰ বাদে বিপুলভাৱে আজিৰ অসমত নিৰনুৱা সমস্যাই দেখা দিছে। অসমৰ প্ৰাকৃতিক সম্পদ আৰু অনান্য দিশ লক্ষ্য কৰি চৰকাৰে উদ্যোগ ব্যৱস্থা হাতত নললে কৰ্ম বিহীন শিক্ষানীতিয়ে অসমৰ, ছাত্ৰক অৰ্থ অভাৱৰ চিন্তাই ঢৌৱাই নিব পাৰে। অসম ৰত্নগৰ্ভা হোৱাৰ সত্বেও অসম তথা সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল সেই অতীতৰে পৰা অৱহেলিত হৈয়েই আছে। বানপানীৰ সমস্যা স্থায়ী কৰণ নকৰিলে দ্ৰাৰিদ্ৰৰ সেৱাৰ নামত প্ৰতি বছৰে কৰা নিৰ্দিষ্ট সহায়েৰে অসমৰ দুখ দুৰ নহয়।

সচেতন ছাত্ৰ সকল সেয়ে বিভিন্ন সময়ত, বিভিন্ন কাৰণত বিপ্লৱত নামিব লগা হয়। এনে কৰিবলৈ যাওতে জীৱনকে হেৰুৱাই। সেয়ে ছাত্ৰ সকলে আজিৰ পাঠ আওৱাওতে কালিলৈৰ কথা সাৱধানে চিন্তা কৰা উচিত।

চৰকাৰে বিভিন্ন উপায়েৰে সেউজ বিপ্লৱৰ সূচনা কৰিলেও কল্যাণকামী গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিবৰ কাৰণে সকলো প্ৰকাৰৰ প্ৰচেষ্টা গ্ৰহণ কৰিলেও, এচাম লোকক ক'লা টকাৰ বেহাই দৰিদ্ৰ জনগণক মূৰ ভাঙিব নোৱাৰা কৰিছে। একোজন কৃতী ছাত্ৰয়ো অভাৱত স্বভাৱ নষ্ট কৰি ক'লা টকাৰ ব্যৱসায়ীৰ ভৰিৰ তলত চট্‌ফটাব লগা হৈছে।

অতীত ভাৰতৰ দৰে অভিৰুচি আৰু যোগ্যতা অনুসৰি বৃত্তি গ্ৰহণৰ ব্যৱস্থা শিক্ষানীতিত প্ৰৱৰ্ত্তন কৰক নকৰক ছাত্ৰই নিজে অভিৰুচি ঠিক কৰি অগ্ৰসৰ নহলে নিৰনুৱা দলতে সংখ্যা বঢ়াব লাগিব। ইয়াৰ মাজতে আমাৰ মাজৰে বহুজনে "কণকাঁৱৰ" "কৰ্মবীৰ" "দেশ ভক্ত" "লোকপ্ৰিয়" "ক'লাগুৰু" "অপ্ৰমাদী কবি" "কাব্য ভাৰতী" "সাহিত্য সম্ৰাট" আদি সন্মানৰ মুকুট স্বতঃস্ফুৰ্ত ভাৱেই লাভ কৰিছিল। এই মহান ব্যক্তি সকলৰ আগত ৰাখি বৰ্ত্তমান ছাত্ৰ সকলে অধ্যয়ন ব্ৰতী হোৱাৰ লগতে মাতৃ মঙ্গলৰ ব্ৰতত, জনকল্যাণৰ সেৱাত মনোনিৱেশ কৰিব পাৰিলে খ্যাতি লাভ কৰাৰ লগতে বহুকালৰ কু-প্ৰভাৱৰ পৰা হাত সাৰি থাকিব। শঙ্কৰ মাধৱে হৃদয় সাৰুৱা কৰি যোৱা প্ৰতিজন মানুহৰ দ্বাৰা সৃষ্টি আজিৰ ছাত্ৰই নিজৰ লগতে সমাজকো এখন নিকা কাপোৰত পৰিণত কৰাৰ আশা সদায় পুহি ৰাখিছে। □

# BOTTLE GARDEN

*B. Hazarika, Lecture.*
Deptt, of Botan.,

Among the innovative ideas of growing indoor plants Bottle garden seems to be a very intereting method of indoor gardening. Bottle garden is nothing but growing plants inside glass bottle or Con-tainery. A bottle garden adds much beauty as compared to any other in door plants. In fect such minigardens are much easier to make, requires less attention and very interesting.

The special feature of this type of gardening is that the Com-munity of plants inside the glass containers ars almost, selt supporting ars re-cycled by the plants themselnes. Mainly the water absorbed by the plants is ginen off as vapour through the leaves. Alony with, the Vapour from the soil Condenses in to droplets on the walls and the rorf of the glass containers to trickte down to the soil. As Such water is less utilised ahd watering is required to be done ofter long intervals. The plants absorbs $Co_2$ during day time and give up Oxygen and rexerses the process at night. Thus the atmosphere is balanced in that closed environment.

For bottle garden glass Carboys ( big mouthed bottle ) is generaly used as larged number of plants can be grown in it and gives a better specicle. unused aqurariums, fish bowl, or any other glass containery may also be used for this purpose. But plastic containers are not used as condensation obscures the view. Bat these containers Should have

a Suitable lid or coner to make the container a partially closed envi ronment. Such big sized bottle with wide mouth may be obtained form, chemical Stores or hospitales. But prior to use they should be cleaned throughly, coloured bottles are however not suitable for this purpose

The plants generalhy used for bottle gardeny depends upon the shape, size of the container and also on availability. The plants generally used for this purpose must firstly be small in size with small leaves and they must be attractive. The plants generally used for this purpose are — Cryptanthus, Hedera, Helix, Maranta, Pilea, Adiantnmj, Selaginella, Polypodium Vulgare, Acorusgramineus, Moss, Sansevieria, small ferns etc.

The requirement for making bottle garden is very meagre. It consists of a compost ( sterilized ) madeup of loam soil, leaf mould, Some gravel, Charcoal and a few improvisel implements. The planting mixture should be sterilized by autoclaning or drenching with 5 percent formalin. Sphagnum moss in the planting mixture can be use. It prevents algal growth, Organic manures and fertilizers increase the rate of plant growth, and hence should not be added. The implements including a big size funnel for directing the soil in to the container, a thin rod for making holes in the soil, a bobbin fined to the end of a stick for firming the soil, a forcep, a small knife etc.

At first the container to be used should be washed thoroughly to clear off any strained regions. Then the gravel should be placed in to the container slowly sbout 5 c, m, The layer of gravel should be conered with a thin layer of Charcoal. Then the compost should be laid over it with the help of the funnel, The compost is set properly with the help of the bobbin and small holes are made in the compost

by the rod, The selected plants as mentioned carlier should be trimmed to proper shape and with the help of the forcep they are planted, The bobbin is again used tor firming the soil arround them,

So have a proper bottle garden, plants of different types, sizes and patterns should be planted, However flowing plants are not to be planted as picking up of dead flowers would create prdolems, Moss may also be used in bottle gardening but it is simply a matter of test.

Regording caring of bottle gardens the most important thing to be considered is the watering process watering should be done by the side of the container to drain off undesirable particles. Direct application of water over the plant may disturb the plant to a greater esetent. Moreover overwatering should be checked as there is no drainage for extra water, Mainly watering should be done when the compost gets dry only,

For enjoyment bottle gardening may be kept in side the house by the side of a window or at a place where piffused light may be available for healthy plant growth A proper bottle garden can be made provided extre care and interest is given to it, □

"কবিতা মানুহৰ ভাষাত লিখা হয়। ভাষা হৈছে সমাজৰ উপাদান, ই এটা মাধ্যম যাৰ দ্বাৰা মানুহে ভাব বিনিময় কৰে আৰু পাৰস্পাৰিক বুজা-বুজি গঢ়ি তোলে। গতিকে দেখা যায় যে অধ্যয়নৰ পৰা নিলগত ৰাখি কবিতাৰ উৎস অধ্যয়ন কৰিব নোৱাৰি।

—ক্রীষ্ট'ফাৰ ক'ডৱেল।

# কবিতা

## এই সকল কবিৰ কলমত এই সংখ্যাৰ কবিতাই প্ৰাণ পালে—


| | নাম | পৃষ্ঠা |
|---|---|---|
| কবিতা | পৰশ গোস্বামী, প্ৰৱক্তা | ১ |
| আলোকৰ সন্ধান | ভাৰত হাজৰিকা, প্ৰৱক্তা | ২ |
| প্ৰতীক্ষা | উৎপল বৰুৱা | ৩ |
| সমস্যা | জগত চুতীয়া | ৪ |
| অনুভৱ | ৰূপজ্যোতি দত্ত | ৫ |
| আকাশ, নাৰী...ইত্যাদি | অজয় বিপ্লৱ নাথ | ৬ |
| জীয়া মানুহৰ অন্বেষণ | দিব্যজ্যোতি শইকীয়া | ৭ |
| প্ৰতীক্ষা | প্ৰদীপ দত্ত | ৮ |
| ভিতৰলৈ আৰু ভিতৰলৈ | মিনাক্ষী বৰা | ৯ |
| তোমাৰ বাবেই কবিতা | মনোজ কুমাৰ গগৈ | ১০ |
| এদিন এটি মূহুৰ্ত্তৰ বাবে | | ১১ |
| দুটি কবিতা | তৰুন দাস | |
| তোমালৈ | " " | |
| তুমি দেশ প্ৰেমিক | | |

# ঃ আলোকৰ সন্ধান ঃ

☐ পবন গোস্বামী, প্ৰৱক্তা
ৰাজনীতি বিজ্ঞান বিভাগ

এতিয়া ইয়াত নিজম নিশা
চৌদিশে শ্মশানৰ নিস্তব্ধতা।
ক্ষমতাৰ লালসাত মোহান্ধ দানৱৰ
মানৱতাৰ দেহত বৰ্বৰ প্ৰহসন ॥
সকলোৰে আহোৰাত্ৰী যাত্ৰা
গহ্বৰৰ পৰা গহ্বৰলৈ ॥
গণতন্ত্ৰৰ মহামন্ত্ৰ — ... ...
ন্যায়, স্বতন্ত্ৰতা আৰু সমতা
ৰঙা ঘৰৰ পোতাশালত বন্দী।
বাক স্বাধীনতা, বোবা যান্ত্ৰনাত চট্‌ফট্‌
যেন অসহায় শিশুৰ ক্ৰন্দন ॥
শেষযাত্ৰীৰ ফেঁচাৰ চিঞঁৰত
একৈশঁ শতিকাৰ পদধ্বনী।
ভোগবাদত নিমৰ্জিত নেতৃত্বত
জনতাৰ হাতৰ মুঠিত শিথিলতা ॥
জনতাক নতুন শতিকাৰ,
দ্বাৰ ৰক্ষকৰ সন্ধান কোনে দিব ?
অনাকাংক্ষিত বানে পেপুৰা কৰা
জনতাক জ্যোৎস্নাভৰা শৰতৰ
শেৱালীৰ সুবাস কোনে দিব ???

এতিয়া ইয়াত লাগে — ...
মহিসাসুৰ বধৰ আখৰা।
মহাভাৰতৰ ভাতৃঘাটি সংঘাটৰ
সংলাপ বন্ধ হবৰ হ'ল।
মুখাপিন্ধা সৰিসৃপৰ
অবাধ বিচৰণক
শিকলিৰে শৃংখলিত কৰিবৰ হ'ল ॥
নহ'লে সময়ে কাকো ক্ষমা নকৰে ☐

# প্ৰতীক্ষা

ভাৰত হাজৰিকা
প্ৰৱক্তা,
উদ্ভিদ বিজ্ঞান বিভাগ

প্ৰতিটো দিন, প্ৰতিটো ঘন্টা
প্ৰতিটো মিনিট
আৰু প্ৰতিটো চেকেণ্ড,
প্ৰবাহমান হয়,
মোৰ আকাংক্ষিত হৃদয়ৰ মাজেৰে
আৰু হৃদয়ৰ একোণত
আঁকি যায়-
চিন্তাৰ এটি বিশাল উপত্যকা।
এতিয়া,
মই আছো
মাথো এটি শুভদিনৰ প্ৰতীক্ষাত ... ...
কিন্তু দুঃ সময়ে যে,
সেই প্ৰতীক্ষাকো
গ্ৰোগাসে গিলি পেলাইছে !
তথাপি প্ৰতীক্ষা কৰিছো
এটি শুভদিনৰ !
দিন, মাহ, বছৰ বছৰ ... ...
অতিবাহিত কৰিছো
মাথো আশানিষ্ট,
স্বপ্নৰ মাজেৰে ... ... ...

আশাৰ সমুদ্ৰগৰ্ভত
লীন নোহোৱাকৈ জানো
মাথন সাৰ্থক হৈছে ?
এতিয়া মই
সন্দেহিত হওঁ
মইনো কিহৰ বাবে জীয়াই আছো
মৃত্যুৰনে ... ... ...
এটি শুভদিনৰ প্ৰতীক্ষাত ! !

# সমস্যা

□ উৎপল বৰুৱা
স্নাতক ২য় বৰ্ষ

আজি মই শিক্ষিত মানুহ
মন মোৰ হৈছে সংস্কৃত
পুৰণিক ভৰিৰে মোহাৰি
নিজকে ভাৱিছো গৰ্ব্বিত।
বিন্দু মই সিন্ধুৰ মাজত
চেষ্টা কৰো অসাধ্য সাবিধ
পাৰো জানো খুঁৰাৰ ভেকুলী
আকাশৰ মহিমা বুজিব ?
সিমায়িত মোৰ ক্ষুদ্ৰ জ্ঞান
তাতে পুনো খেলি মেলি ধৰা,
পুৰণিক নকৰো বিশ্বাস
নতুনো:য সংশয়ে ভৰা।
দেখা পাই আজিৰ জগত
চকুত লাগিছে জলগ,
পাপ পুণ্য হ'ল একাকাৰ
ইয়াতেই স্বৰ্গ নৰক।
চলি আছে ধৰ্মৰ শাসন
তাতো বান্ধে তুলিয়ে চাত্তি,
বিজ্ঞানৰ ৰিত চকু পিন্ধি
যাওঁ মই নিজকে পাহৰি।

বিজ্ঞানৰ দেখি বাহাদুৰী
মৰনো যে হ'ল কম্পমান,
তথাপিতো মুল সমস্যা
হ'ল জানো কিবা সমাধান।
অন্ধকাৰ দুৰ্গম পথত
পোহৰৰ নেপাওঁ সন্ধান,
অসীমৰ সিমাৰ বাহিৰে
বিজ্ঞানো যে নিজেই অজ্ঞান
তাতে মই মুৰ্খ আজি
সচাঁ বুলি একোকে নাযানো,
পাৰি দিও সময়ৰ সোঁতত
কেনি যাওঁ তাকে যে নাজানো।
মুৰকত খপজপ কৰি
জোলোঙাত খেপিয়াই চাওঁ,
দিবলৈ ঘাটত টকা
ফুটাকড়ি এটাক নাপাওঁ।
গৰাকীয়ে সাধিব যেতিয়া
কিনো বুলি দিম সমাধান,
সমস্যাৰ মাজতে মই
উটিবুৰি হলো অনাস্থাধ। □

# ঃ অনুভৱ ঃ

□ জগত চুতীয়া
স্নাতক তৃতীয় বৰ্ষ

মোৰ বুকুৰ মাজত
হাতখন ৰাখিলেই
অনুভৱ হয়,
মই যেন এটা ৰনোৱা ঘুৰাৰ দৰে
সুহৃৰ মেৰুৰ পৰা
কণ্যা কুমাৰীলৈকে
মাথোঁ দৌৰিছো
আশ্ৰয়হীন ভাৱে।
টোপনীৰ চকামকাত
যেতিয়াই সাৰ পাওঁ
অনুভৱ হয়,
মই যেন বন্দী হৈ আছো
দক্ষিণ আফ্ৰিকাৰ সেই কাৰাগাৰ বোৰত
য'ত হাজাৰ মেণ্ডেলাৰ
হাতত লোৰ শিকলি পিন্ধাই
অট্টহাস্য কৰিছে বগা বান্দৰ বোৰে।
কেতিয়াবা মোৰ কলিজাতো
অজানিতে কঁপি উঠে ;
আৰু তেতিয়াই অনুভৱ হয়
মোক যেন এটা অক্টোপাছৰ দৰে
মেৰিয়াই ধৰি আছে।
সেই ইজৰাইল আৰু আফগানৰ
অত্যাচাৰী শাসক দলে !
যত নিৰিহ জনতা আজি
পদে পদে মৃত্যুৰ
দুৱাৰ দলীত। □

# আকাশ, নাৰী... ইত্যাদি

□ ৰূপজ্যোতি দত্ত, স্নাতক ২য় বৰ্ষ
সমাজ শাস্ত্ৰ বিভাগ

আকাশলৈ চাই তুমি
কেনেকৈ ক'বা
আকাশৰ ৰং নীলা,
নে শুকুলা
আকাশৰ যিহে চঞ্চল মন
মন গলেই তাই
ক্ষণে, ক্ষণে সলাই থাকে আৱৰণ
প্ৰকৃততে আজি কালি
একো কথা ন দি
নোকোৱাই ভাল।
ক্ষণিকৰ বিজয় অৰ্থবা সন্মানে
কেতিয়াবা পিছলৈ
হৈ পৰে বিষময়।
তোমাৰোতো একেই
লিচু যেন ওঁঠত
তোমাৰ হাঁহিটি
সুৰভিত সপ্ৰাণ
বিশাল।
পিছে হৃদয় ধ্বনিত
হাতথৈ গম পালো
বুকুখন তোমাৰ
কন্টকাকীৰ্ণ
জয়াল। □

# জীয়া মানুহৰ অন্বেষণ

□ অজয় বিপ্লৱ নাথ
স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ

জীয়া মানুহ,
তুমি বাৰু আমাৰ খবৰ ৰাখানে ?
সভ্যতাৰ উচ্চতাই উলংগ কৰা
আমিবোৰৰ খবৰ ?
শীতৰ আলিংগনত জৰ্জৰীত হোৱা,
বুভুক্ষাত হৃদয়স্পন্দম স্তব্ধ হব খোজা
আমিবোৰৰ খবৰ ?
আচলতে কি জানা
আমি প্ৰায়বোৰেই মৃত।
দেখিও নেদেখা, শুনিও নুশুনা জীৱ লগা ক্লীৱ।
সেয়ে অন্বেষণ কৰোঁ আহাঁ তোমাৰ চিনা
এমুঠি জীয়া মানুহ
বিশুদ্ধ তেজৰ এমুঠি জীয়া মানুহ।

## ঃ প্ৰতীক্ষা ঃ

□ দিব্য জ্যোতি শইকীয়া
স্নাতক ১ম বৰ্ষ

ভীষণ কণ্টকাকীৰ্ণ পথ। কাঁইটিয়া। পিছল।
খুপি খুপি দুৱাৰমুখ পাইছোহি
তথাপিও বুকুত
ধপধপনি
সাৱধানে টোকৰ দি ৰৈ আছো আশাৰে।
চৌদিশে
ভীষণ নিৰৱতা
প্ৰেমময় আহিনৰ আকাশত হাচনাহানা
তীব্ৰ আকুলতা
কাঁচৰ খিৰিকিৰে সৰকি গ'ল ভিতৰলৈ
অবোধ দৃষ্টি ঃ "হীৰা কি মুকুতা জ্বলে"
ৰহস্যঘন ৰহস্যময়তা
কলিজা আকুহি নিয়া চুম্বকত্ব
ৰং চাইছা নেকি তুমি কবিক জ্বলাই ?
কবি ভাগৰি নপৰে প্ৰেমিকৰ দৰে
যেনেকৈ কাহানিও সময়
অথবা ... ...
প্ৰেমৰ বোৱতী স্মৃতি।
□

## ॥ ভিতৰলৈ আৰু ভিতৰলৈ ॥

□ প্ৰদীপ দত্ত
গ্ৰন্থাগাৰিক

ভৰ দুপৰীয়াতো বুকুত বান্ধি শুই আছিলো
সাৰপাই দেখিলো
অপাৰেশ্যন টেবুলৰ ৰোগী সদৃশ
উন্মাদ যৌৱনৰ এগৰাকী যুৱতী,
বোবা হৈ হাত দুটি মেলি দিছিলো।

নিঃ শব্দে খোজদি সন্ধিয়াটো পাৰ হলো
বহুত দিন হ'ল কাৰো লগত কথা নপতা
খপজপাই ফুৰা ভৰি দুটি

এতিয়া
শিথিল হৈ পৰিল
ভয়ানক যন্ত্ৰনা
এনেকৈয়ে বাৰু কিমান দিন পাৰ কৰিম।
দুকুৰি বছৰ পাৰ হৈ গ'ল,
কোনো দিনাই চিঞৰা নাছিলো

দুটি হাত চপাই কুচাই
বুকুত সোমোৱাই ৰৈ থাকিম। □

# তোমাৰ বাবেই কবিতা

□মিনাক্ষী বৰা
স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ

তোমাৰ বাবেই কবিতা।
তোমাৰ দুভাগ ৰাতিৰ কবিতাত;
শব্দও যৌৱনা হয়,
নিনাদি উঠে, ভিন্ন সুৰত,
প্ৰকাশি উঠে হেজাৰ অস্ফুট শব্দ।
মৌনতাৰ, হৃদয়তাৰ;
আৰু বহুত কিবাৰ ... ...।
সাৰ পাই জীপলৈ উঠে;
বাস্তৱৰ কঠিনতা সানি
গোলাপী;
সেউজী,
সোনালী ॥ □

# এদিন এটা মুহূৰ্তৰ বাবে

□মনোজ কুমাৰ গগৈ
উঃ মাঃ প্ৰথম বৰ্ষ

এদিন এটা মুহূৰ্তৰ বাবে
মই তোমাৰ প্ৰেমীক হলো
শাওনৰ দুপৰীয়া, তেওঁ সুদীৰ্ঘ ছাঁত
ৰাখিলো দুহাত।
হাতৰ মুঠিত অনুভৱ কৰিলো দুখৰ গোলাপ
কাণে কাণে তেওঁ কলে
প্ৰেম, সময়ৰ প্ৰলাপ অপ্ৰলাপ।
এদিন এটা মুহূৰ্তৰ বাবে
কালি পেলালো নীলা আকাশ
খহি পৰিল সূৰ্যাস্তৰ চকলা চকল আন্ধাৰ
আহত মোৰ কলিজা। □

# দুটি কবিতা

তৰুন দাস
উঃ মাঃ প্ৰথম বৰ্ষ
বিজ্ঞান শাখা

## ॥ তোমালৈ ॥

তোমালৈ যেতিয়া মনত পৰে তেতিয়া,
যেতিয়া ...
সন্ধ্যা শেৰালীৰ পাপৰী বোৰ
ন-গাভৰু হয় ।
আৰু !
যেতিয়া
আনমনা ৰজনী গন্ধাৰ আঁচলত
বা-দি পাৰহৈ যায়
শীতৰ সেমেকা ঋতুবোৰ ॥
বসন্ত !
আকৌ আহিছে হৈ ৰাংচালী
মই তোমাৰ অপেক্ষাত
তুমি আহিলা, ?
সযতনে ৰাখা মোৰ হৃদয়খন
তোমাক উপহাৰ দিম ॥

## ঃ তুমি দেশ প্ৰেমিক ঃ

বেদনাৰ কবচ চকুত থৈ
ওঠত হাঁহি বিৰিঙাই,
মাঘ মহীয়া কুৰলীৰ আৰে-আৰে,
তোমাক আগবঢ়াইছিলো
আইৰ উশাহৰ স্বাধীনতাৰ বাবে।
শৰবৃদ্ধ সময়তো তুমি
প্ৰতিধ্বনী তুলিছিলা
"তেজৰ বিনিময়ত তোমাক
স্বাধীনতা লাগে" ।
গৰ্বত মোৰ কনমানি বুকুখন
ফুলি উঠিছিল ... ... ...
শুনিছো এতিয়া তুমি সুখী
ঘৰ, মাটি, অত্যাধুনীক গাড়ী
গেটত "কুকুৰৰ পৰা সাৱধান
ফলকেৰে তুমি
আজি সঁচা দেশপ্ৰেমিক" ।

## SECRETARY STAFF



**Nitul Saikia**
*Vice President*



**Sri Jayanta Borah**
*General Secretary*



**Sri Bolin Borah**
*Major Game Secretary*



**Bhaba Nath**
*Minor Game Secretary*



**Mridul Kumar Borah**
*Magazine Secretary*



**Bhaba Rajkhowa**
*Music & Cultural Secretary*



**Pradeep Dutta**
*Debating & Symposium Secy.*



**Babul Dutta**
*Social Service Secy.*



**Hemalata Nath**
*Girls Common Room Secy.*



**Bina Gogoi**
Best Actress, HS 2nd yr.



**Bornali Borah**
Best Player (Girls) HS 2nd yr.



**Minakhi Borah**
Best Social Worker



**Hirakanta Hazarika**
Best Actor, TDC 2nd yr.



**Trailokya Sanowal**
Best Hero, HS 2nd yr.



**Babul Borah**
Best Director, HS 2nd yr.



**Bhobani Prasad Borah**
Short Runner 3years, TDC 1st



**Bipul Nath**
Best Player Boys, TDC 1st yr.

# উপ-সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণীতে দেশ আৰু জাতিৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণ আহুতি দিয়া জ্ঞাত-অজ্ঞাত শ্বহীদ সকলৰ প্ৰবিত্ৰ স্মৃতি আৰু মই তেওঁলোকৰ আত্মাৰ অবিনাশী শান্তিৰ বাবে সৃষ্টি কৰ্ত্তা পৰম পিতাৰ শ্ৰীচৰনত শ্ৰদ্ধাঞ্জলী নিবেদিছো ।

লক্ষীমপুৰ তেঃ কঃ মহাবিদ্যালয়ৰ উপ-সভাপতি হিচাপে বিনা প্ৰতিদণ্ডিতাৰে ১৯৯৬-৯৭ চনৰ নিৰ্বাচিত কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱী সকললৈ মোৰ আন্তৰীক অভিনন্দন জ্ঞাপন কৰিলো ।

লঃ তেঃ কঃ মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধাৰ অধ্যক্ষ শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বড়গোহাঁই দেৱ তথা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ মোৰ আন্তৰীক কৃতজ্ঞতা জ্ঞাপন কৰিলো ।

নিৰ্বাচনৰ পিছতেই কাৰ্য্যভাৰ গ্ৰহণ কৰি মহাবিদ্যালয় খনিৰ কিমান সেৱা আগবঢ়াব পাৰিলো নাজানো । আমাৰ মহাবিদ্যালয় খন ১৯৭৭ চনৰ ২২ আগষ্টৰ দিনা এই অঞ্চলৰ কিছু সংখ্যক বিৰ্শিষ্ট ব্যক্তিৰ প্ৰচেষ্টাত গঢ়ি উঠা । লঃ তেঃ কঃ মহাবিদ্যালয় খনৰ আজি ২০ বছৰ পূৰ্ণ হ'ল । অতি দুখেৰে কব লগীয়া হৈছে যে আজিলৈকে অধ্যক্ষ মহোদয়ে ছাত্ৰ-ছাত্ৰীৰ বাবে আজি পৰ্য্যন্ত জিৰণী কোঠা ছাত্ৰ একতা সভাৰ কাৰ্যালয় স্থায়ী নিৰ্মাণ কৰি দিব পৰা নাই। এই সম্পৰ্কত আমি বহুবাৰ মহাবিদ্যালয়ৰ কৰ্তিপক্ষক অৱগত কৰিছিলো কিন্তু কোনো সু-ফল নোপোৱাত প্ৰতিবেদনৰ যোগেদিয়েই পুনৰ বাৰ জনাও যে অতি সোনকালে ছাত্ৰ-ছাত্ৰীৰ জিৰণী কোঠা আৰু ছাত্ৰ একতা সভাৰ কাৰ্যালয়তোৰ এটি সু-ব্যৱস্থা কৰি দিয়ে যেন ।

আমাৰ মহাবিদ্যালয়ৰ সমস্যাৱলী ঃ—

১। মহাবিদ্যালয়ৰ সন্মুখত এখনি স্থায়ী তোৰণ নিৰ্মাণ ।
২। পুথিভঁৰাল স্থায়ী ভাবে নিৰ্মাণ কৰক । তদুপৰিও পুথিভঁৰালও সকলো ধৰণৰ পুথিৰ যোগান ধৰক ।
৩। বিজ্ঞান ভৱন স্থায়ী ভাৱে নিৰ্মাণ কৰি বিজ্ঞানৰ সকলো ধৰণৰ সা-সজুলিৰ যোগান ধৰক।
৪। ছাত্ৰ-ছাত্ৰী সকলৰ অনুপাতে শ্ৰেণী কোঠাৰ সংখ্যা বৃদ্ধি কৰক ।
৫। মহাবিদ্যালয়ত পানী যোগানৰ ব্যৱস্থা কৰক ।
৬। মহাবিদ্যালয়ৰ খেল পথাৰ খন উন্নতি কৰক ।

৭। ছাত্ৰ-ছাত্ৰী অনুপাতে প্ৰস্বাৱগাৰ আৰু শৌচাগাৰ নিৰ্মাণ কৰক।

৮। ছাত্ৰ-ছাত্ৰীৰ আবাস গৃহ ( Hostel ) নিৰ্মাণ কৰক।

আপোনালোকক জনাবলৈ পাই সুখি হৈছো যে ইং ২৩/৯/৯৭ তাৰিখে আমাৰ মহাবিদ্যালয়লৈ লক্ষীমপুৰ জিলা সাংসদ সদস্য ড' অৰুণ শৰ্মা দেৱ আহি আমাৰ মাজত উপস্থিত হৈছিল। তেখেতক আমি এখন ১৪ দফীয়া স্মাৰক পত্ৰ প্ৰদান কৰিছিলো। তেখেতে আমাক উক্ত অভাৱসমূহ পূৰণ কৰি দিয়াৰ সহাৰি জনাইছিল।

প্ৰতিবেদনৰ শেষ মূহুত্বত মোৰ মনলৈ এটা কথা আহি তোলপাৰ লগাইছে। আপোনালোকৰ বৰ্তমান অসমৰ পৰিস্থিতিৰ কথা সকলোৰে জ্ঞাত।

যোৱা ইং ১৯/৪/৯৭ তাৰিখে আমাৰ মহাবিদ্যালয়ৰ সন্মুখতে এই অশুভ পৰিস্থিতিৰ উদ্ভৱ হয়। অজ্ঞাত লোকে এটা বোমা বিস্ফোৰণ ঘটায়। সেই সময়ত স্নাতক ২য় বাৰ্ষিকৰ পৰীক্ষা চলি থকা অৱস্থাত ছাত্ৰাবাসত থকা কেইজনমান ছাত্ৰক সেনাই ধৰি নিৰ্মম অত্যাচাৰ কৰে। লগতে আমাৰ মহাবিদ্যালয়ৰ এজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীকো ধৰি নিয়ে। মই আৰু আলোচনী সম্পাদক শ্ৰীমৃদুল কুমাৰ বৰাই উত্তৰ লক্ষীমপুৰ আঞ্চলীক ছাত্ৰ সন্থাৰ সহযোগত উক্ত ছাত্ৰ কেইজনক বহু কষ্টেৰে আৰক্ষী জিম্মাৰ পৰা উলিয়াই আনিবলৈ সক্ষম হওঁ। সেনাৰ অতিশৰ্য্যক আমি তিব্ৰ ভাৱে গৰিহণা দিওঁ।

সদৌ শেষত মোৰ অজানিতে হোৱা ভূল ক্ৰুতিৰ বাবে শিক্ষাগুৰু তথা ছাত্ৰ ছাত্ৰী, বন্ধু বান্ধৱী সকলৰ ওচৰত ক্ষমা ভিক্ষা মাগিলো।

লঃ তেঃ কঃ মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যতৰ কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

জয়তু লঃ তেঃ কঃ মহাবিদ্যালয়।

জয় আই অসম।

ধন্যবাদেৰে

শ্ৰীনিতুল শইকীয়া,

উপ- সভাপতি

ছাত্ৰ একতা সভা

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভনীতে স্বদেশৰ কাৰণে যি সকল বীৰ বিৰাংগনাই স্বাধীনতা কঢ়িয়াই আনিবলৈ হাঁহি হাঁহি নিজৰ প্ৰাণ বিসৰ্জন দি গ'ল তেখেত সকল মহান শ্বহীদলৈ মোৰ শ্ৰদ্ধাঞ্জলী অৰ্পণ কৰিছো। শ্ৰদ্ধাৰ অধ্যক্ষ দেৱ, চিৰপূজ্য শিক্ষাগুৰু সকল আৰু ছাত্ৰ - ছাত্ৰী তথা বন্ধু-বান্ধৱী সকললৈ শ্ৰদ্ধা ও প্ৰীতি নিবেদিছো। ১৯৯৬ - ৯৭ বৰ্ষৰ লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত যি সকল ছাত্ৰ - ছাত্ৰী ও সতীৰ্থই সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি আপোনালোকৰ সেৱা আগবঢ়াবলৈ সুবিধা দিলে তাৰ কাৰণে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী সতীৰ্থলৈ মোৰ অশেষ ধন্যবাদ জ্ঞাপণ কৰিছো।

মোৰ মাত্ৰ এবছৰীয়া কাৰ্য্যকালত সামান্যতম্ অভিজ্ঞতাৰে উপলব্ধি কৰিব পাৰিছো যে ১৯৭৭ চনতে প্ৰতিষ্ঠিত হোৱা এই মহাৰিদ্যালয় খনি পুৰ্ণাংগ ৰূপ পাবলৈ হয়তো এতিয়াও বহুত সময়ৰ প্ৰয়োজন। এই অনুষ্ঠানটো গঢ় দিয়াত তেলাহী মৌজাৰ সকলো ৰাইজে যি একাগ্ৰতা আৰু নিঠাৰে কাম কৰি বৰ্তমান অৱস্থাটোত উপনীত কৰালে সেই সকলৰ মাজৰে মইয়ো এজন হৈ যিমান খিনি সেৱা আগবঢ়াব লাগিছিল সেইয়া দিব পাৰিলোনে নোৱাৰিলো আপোনালোকৰ বিচাৰ্য্য বিষয়।

এই মহাবিদ্যালয় খনি উন্নতিৰ পথত আগবঢ়াই নিবলৈ বহুতো অভিলাস সামান্যতম্ অভিজ্ঞতাহে লভিলো। কিন্তু মোৰ এবছৰীয়া কাৰ্য্যকালত মহাবিদ্যালয় খনৰ প্ৰগতিৰ পথত আগবঢ়াই নিয়াত মহাবিদালয়ৰ কতৃপক্ষৰ পৰা যিমান খিনি সহায় সহযোগিতা আৰু সা-সুবিধা পাব লাগিছিল সেই সহায় সহযোগিতা পোৱা হেঁতেনো হয়তো মোৰ শ্ৰমেৰে আপোনালোকক কৃতাৰ্থ কৰিব পাৰিলো হেঁতেন।

সাধাৰণ সম্পাদকৰ গধুৰ দ্বায়িত্ব ভাৰ গ্ৰহন কৰাৰ পিছতেই মোৰ প্ৰথম পদক্ষেপ হিচাপে পাচঁদিনীয়া কাৰ্য্যসূচীৰে "বাৰ্ষিক ক্ৰীয়া সপ্তাহ" পালন কৰি ছাত্ৰ-ছাত্ৰী সকলৰ শাৰীৰিক, মানসিক তথা বৌধিক দিশৰ প্ৰতিভা বিকাশৰ সুযোগো দিয়া হয়। ইয়াৰ পিছত যথাক্ৰমে— "শ্ৰীশ্ৰী সৰস্বতী পূজা" "শ্ৰীশ্ৰী শঙ্কৰ দেৱৰ তিথি" আৰু মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ ওপৰিও ন-পুৰণি ছাত্ৰ–ছাত্ৰী সকলক সম্ভাষণ জনাবৰ বাবে ২২ আগষ্ট তাৰিখে নবাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়।

মোৰ কাৰ্য্য কালত লক্ষীমপুৰ জিলাৰ মহাবিদ্যালয় সমূহৰ সম্পাদক ও উপ-সভা-

## প্ৰতিবেদন

পতি সকল একত্ৰিত হৈ শংকৰদেৱ মহাবিদ্যালয়ত মহাবিদ্যালয় সমূহৰ জ্বলন্ত অভাৱ অভি-যোগ সমূহ পূৰণ কৰিবৰ কাৰণে "LAKHIMPUR DISTRICT COLLEGE DEVELOPMENT COMMITEE" নামেৰে এখন কমিটি গঠন কৰা হয় (৪ আগষ্টত)। আশা ৰাখিছো সেই কমিটিখনে ছাত্ৰ-ছাত্ৰী সকলক তথা মহাবিদ্যালয় খনিক আশানুৰূপ ফল দিব।

দ্বিতীয়তে, ১৯৯৭ চনৰ ২৩ চেপ্তেম্বৰ তাৰিখে লক্ষীমপুৰ জিলাৰ সংসদ সদস্য (M.P) মাননীয় ড' অৰুণ শৰ্মা দেৱক নিমন্ত্ৰণ কৰি মহাবিদ্যালয় খনিৰ অভাৱ অভিযোগ সমূহৰ বিষয়ে অৱগত কৰা হয়। সাংসদ গৰাকীয়ে অভাৱ অভিযোগ সমূহ পুৰণ কৰাত চেষ্টা অব্যাহত ৰাখিব বুলি আশা দিয়ে।

চাওঁতে চাওঁতে মোৰ এবছৰীয়া কাৰ্য্যকালৰ শেষ সীমাত উপনীত হৈছোহি। এই সময় ছোৱাত সম্পাদকীয় দায়িত্ব পালন কৰি যোৱাত শ্ৰদ্ধাৰ অধক্ষ্য আৰু চিৰপূজ্য শিক্ষা-গুৰু সকলৰ পৰা যি সহায় সহযোগিতা লাভ কৰিলো তাৰ বাবে সকলোৰে ওচৰত মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মোৰ বন্ধু দিব্যজ্যোতি, মহেশ, ইন্দ্ৰ, অনুপম, অমৃতজ্যোতি, প্ৰভাত, প্ৰবীন, জিতু, মাখন, আকাশ, বেদ, জ্যোতি প্ৰসাদ, জিতেন্দ্ৰ, নিৰু, অঞ্জুমনি, সীমা, জয়া, মিনাক্ষী, কবিতা আদিয়ে যি সহায় সহযোগিতা আগবঢ়ালে তাৰ বাবে তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ।

সদৌ শেষত মোৰ এবছৰীয়া কাৰ্য্যকালত মোৰ বক্তব্যই কাৰোবাৰ অন্তৰত যদি আঘাত দিছিলে, সেই সকলৰ ওচৰত মই সাধাৰণ সম্পাদক হিচাপে ক্ষমা ভিক্ষা মাগি লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু লঃ তেঃ কঃ মহাবিদ্যালয়।

জয় আই অসম।

বিনীত

শ্ৰীজয়ন্ত কুমাৰ বৰা।

সাধাৰণ সম্পাদক।

ছাত্ৰ একতা সভা

# বহিঃ ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে মোৰ নমস্কাৰ গ্ৰহণ কৰিব। প্ৰতিবেদনৰ প্ৰাকমুহূৰ্ত্তে যি সকল মহান ব্যক্তিয়ে নিজৰ অমূল্য জীৱনক দেশৰ বাবে উছ'গা কৰিলে আৰু যি সকল ব্যক্তিৰ অসীম ত্যাগৰ বিনিময়ত মহাবিদ্যালয় খন আজিৰ এই অনুষ্ঠানত উপনীত হৈছেহি সেই সকল মহান ব্যক্তিক ভক্তিপূৰ্ণ শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিছো, লগতে লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বৰ্হি ক্ৰীড়া শাখাৰ সম্পাদক হিচাপে ১৯৯৬-৯৭ চনৰ বছৰটোৰ বাবে যি সকল ছাত্ৰ-ছাত্ৰীয়ে এই অভাজনক নিৰ্বাচিত কৰি আপোনাসৱক অকনমান সেৱা আগবঢ়াবলৈ সুবিধা দিলে, তেওঁলোকলৈ মোৰ আন্তৰীক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ছাত্ৰ জীৱনত কেৱল পুথিগত শিক্ষাই যথেষ্ট নহয়, শিক্ষাৰ লগতে আমাক লাগিব খেল-ধেমালী. খেল-ধেমালীয়ে মানুহৰ মন প্ৰফুল্ল কৰি তোলে আৰু ঐক্য শান্তি গঢ়ি উঠাত সহায় কৰে। ই মানুহৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক দিশত অৰিহণা যোগায়। শিক্ষাৰ দ্বাৰা এজন মানুহে যি দৰে অন্ধকাৰ দুৰ কৰে, ঠিক তেনেদৰে খেল-ধেমালীয়ে জ্ঞানৰ আলোক বিৰ্কষিত কৰিব পাৰে।

এইটো দুখৰ বিষয় যে — লঃ তেঃ কঃ মহাবিদ্যালয়ৰ প্ৰতিযোগিতা সমূহত প্ৰতি- যোগিৰ সংখ্যা তেনেই নগণ্য। যি কি নহওঁক যি সকল ছাত্ৰ-ছাত্ৰীয়ে নিজৰ প্ৰতিভা বিকাশৰ বাবে প্ৰতিযোগিতাত অংশ গ্ৰহন কৰিলে তেওঁলোকৰ প্ৰতি মোৰ আন্তৰীক ধন্যবাদ থাকিল। লঃ তেঃ কঃ মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীকে মোৰ তৰফৰ পৰা অনুৰুধ জনাওঁ যে যাতে খেলৰ দিশটোক হেয় জ্ঞান নকৰি বৰং মনোযোগ দিয়ে।

মোৰ কাৰ্য্যকালৰ "মহাবিদ্যালয় সপ্তাহ"ত মই যেনে দৰে ভাৱিছিলো ঠিক তেনে ধৰণেৰে উপকৃত হ'ব নোৱাৰিলো। আমাৰ মহাবিদ্যালয়ত খেলৰ সামগ্ৰি তেনেই কম, তথাপিও মই পৰাপক্ষত প্ৰায়বোৰ খেলেই খেলাইছিলো। উক্ত খেল সমূহত মই কেইবাজনো প্ৰতিভাৱান ও আগ্ৰহী খেলুৱৈ দেখিবলৈ পাইছিলো। আমাৰ মহাবিদ্যালয়ত খেলাৰ সামগ্ৰীবোৰ কম হোৱাৰ বাবে তেওঁলোকৰ প্ৰতিভা বিকাশত বাধাৰ সৃষ্টি হৈছে। সেই হেতুকে মই অধ্যক্ষ মহোদয়ক অনুৰুধ জনাইছো যাতে মহাবিদ্যালয়ৰ অভাৱনীয় খেলাৰ সামগ্ৰী সমূহ যোগান ধৰি ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা বিকাশত সহায় কৰে।

# প্ৰতিবেদন

বিগত বছৰত চলি অহাৰ দৰে মহাবিদ্যালয় সপ্তাহ ইং ১।১২।৯৬ তাৰিখৰ পৰা আৰম্ভ হয় আৰু ৫।১২।৯৬ তাৰিখে সামৰণি পৰে। মহাবিদ্যালয়ৰ সপ্তাহ শুভ উদ্বোধন কৰে আজাদৰ স্বাস্থ্য বিষয়া ডাঃ জ্যোতি দাসদেৱে। প্ৰতিযোগিতা সমূহ চলাই নিয়াত সহায় ও সু-পৰামৰ্শ দিছিল অধ্যাপক শ্ৰীযুত বিদ্যুত চুতীয়াদেৱে আৰু অধ্যাপক শ্ৰীযুত বদন কলিতা-দেৱে। শ্ৰীযুত শিলাদিত্য দত্ত ( অধ্যাপক ), শ্ৰীযুত বসন্ত দত্ত ( অধ্যাপক ) আৰু মহাবিদ্যালয়ৰ অন্য অধ্যাপক অধ্যাপিকা সকলৰ লগতে কৰ্মচাৰী সকলৰ সহায়ৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰো। তেখেত সকলৰ সময়োপযোগী দিহা বুদ্ধি পৰামৰ্শতে মোৰ কাৰ্য্যকাল সু-কলমে চলাই যোৱাত সৰ্বতো প্ৰকাৰে কৰা সহায়ৰ বাবে মই তেখেত সকলৰ ওচৰত চিৰঋণী হৈ ৰ'ম!

মোৰ কাৰ্য্যকালত মোৰ বন্ধু ভুপেন, ভৱ, দীপেন, প্ৰেমানন্দ, প্ৰদীপ, লক্ষীন্দ্ৰ, ৰাজু, মহেন্দ্ৰ, ভৰত আদিয়ে যি মোক সহায় সহযোগিতা আগবঢ়ালে, তেখেতলোকৰ ওচৰত মই মোৰ আন্তৰীক কৃতজ্ঞতা যাছিলো। লগতে যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোৰ কাঁষত থাকি মোক সহায় কৰিছিল তেওঁলোকৰ ওচৰত মই কৃতজ্ঞতা স্বীকাৰ কৰিছো।

সদৌ শেষত মোৰ কাৰ্য্যকালত হৈ যোৱা অনিচ্ছাকৃত ভুল ক্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। শেষাস্তত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় খনিয়ে আমাৰ এই অতি পিছপৰা অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সমূহৰ বাবে যাতে গৌৰৱ কঢ়িয়াই আনিব পাৰে সেই কামনা কৰি মোৰ এই অতি চমু প্ৰতিবেদন খনি সামৰণি মাৰিলো।

জয়তো লঃ তেঃ কঃ মহাবিদ্যালয়।
জয়তু লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা
জয় আই অসম

ধন্যবাদেৰে
শ্ৰীবলিন বৰা।
বৰ্হিঃ ক্ৰীড়া সম্পাদক।
ছাত্ৰ একতা সভা।

# আভ্যন্তৰীণ ক্ৰীড়া শাখাৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে বিশ্বৰ ইতিহাসৰ ৰেখাপাত হোৱা, অসম মাতৃৰ অস্তিত্ব ৰক্ষা কৰি আন্দোলনত যি সকল অসমী আইৰ বীৰ সন্তানে কলিজাৰ কেঁছা তেজ দি শ্বহীদ হৈ গ'ল সেই সকল জ্ঞাত অজ্ঞাত ব্যক্তি ও যি সকল কৰ্মবীৰৰ আপ্ৰাণ চেষ্টাৰ জৰিয়তে মহাবিদ্যালয় খন প্ৰতিস্থা হ'ল সেই সকলৰ আত্মাৰ চিৰশান্তি কামনা কৰিলো।

লক্ষীমপুৰ তেলাহী কলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা আভ্য-ন্তৰীণ ক্ৰীড়া শাখাৰ সম্পাদক হিচাপে আৰু লগতে যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ চেষ্টাৰ জৰিয়তে আপোনালোকক অকণমাণ সেৱা আগবঢ়াবলৈ সুবিধ দিলে তেওঁলোকলৈ মোৰ আন্তৰীক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

নিৰ্বাচনৰ পাছতেই মাননীয় অধ্যক্ষ মহোদয়ৰ অনুমোদন মৰ্মে ইংৰাজী ১৯৯৬ চনৰ ২৪ আগষ্টৰ দিনা সাধাৰণ সভাত শপত গ্ৰহণ কৰিলো।

পৰম্পৰাগত ভাৱে চলি অহা মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীয়া সপ্তাহত মই যি ধৰণেৰে উপকৃত হ'ম বুলি ভাবিছিলো সেই ধৰণেৰে আগবাঢ়িব নোৱাৰিলো। যিহেতু আমাৰ মহাবিদ্যালয়ত প্ৰতিযোগিৰ সংখ্যা সৰহ কিন্তু খেলাৰ সামগ্ৰী কম সেয়েহে প্ৰতিযোগী সকলে মুকলিকৈ খেল-সমূহ খেলিবৰ বাবে অসমৰ্থ হয়। তথাপি মই পৰাপক্ষত প্ৰায় বোৰ খেল খেলিবলৈ প্ৰতিযোগী সকলক সুবিধা দিছিলো। সেয়েহে মই অধক্ষ্য মহোদয়ক অনুৰুধ জনাও যে মহাবিদ্যালয়ৰ অভাৰনীয় খেলৰ সামগ্ৰি সমূহ যেন ছাত্ৰ-ছাত্ৰীক যোগান ধৰে আৰু মই আশাৰাখিছো প্ৰত্যেকজন ক্ৰীড়াপ্ৰেমি ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ৰ খেল সমূহত অংশ গ্ৰহণ কৰি নিজৰ পাৰ-দৰ্শিতা প্ৰকাশ কৰি মহাবিদ্যালয়ৰ নাম উজ্জ্বল কৰে।

আনহাতে সকলো দিশতে দিহা পৰামৰ্শৰে সহায় কৰি তথা আন্তঃ ক্ৰীড়া বিভাগৰ উপদেষ্টা শ্ৰীযুত বসন্ত দত্ত দেৱে আৰু অধ্যাপক শ্ৰীযুত বদন কলিতা, শ্ৰীযুত বিদ্যুত চুতীয়া, শ্ৰীযুত পৰশ গোস্বামী, আৰু শ্ৰীযুত শিলাদিত্য দত্ত দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা যাছিলো। দাদা সত্যেন্দ বৰগোহাঁই, পলাশ চেতীয়া, চন্দ্ৰ দাস আৰু বন্ধু হিচাপে ফনীন্দ, লোহিত, অতুল, ভৱানি, বিপুল, ৰমেশ, কৃষ্ণমনি, জীৱনৰ ওচৰত মই আন্তৰীক কৃতজ্ঞতা জনাইছো।

প্ৰতিবেদন

ভুল শুদ্ধৰ মাজেৰেই মানুহৰ জীৱন অতিবাহিত হয় গতিকে মোৰ এবছৰীয়া কাৰ্য্যকালত অজ্ঞাতে বহুতো ভুল হব পাৰে তাৰ বাবে মই সকলোৰে ওচৰত ক্ষমা মাগিলো।

সদৌ শেষত লঃ তেঃ কঃ মহাবিদ্যালৰ উজ্জ্বল ভৱিষ্যও কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো।

জয়তু লঃ তেঃ কঃ মহাবিদ্যালয়।

জয় আই অসম।

ধন্যবাদেৰে—

শ্ৰীভৱ কান্ত নাথ

আভ্যন্তৰীণ ক্ৰীড়া সম্পাদক

ছাত্ৰ একতা সভা।

# তৰ্ক ও আলোচনা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

বুকুত এজাক ধুমুহা সদৃশ সাহস আৰু সু-উচ্চ হিমালয়ৰ দৰে দৃঢ়তা লৈ জননীৰ দুৰ্যোগৰ বেলিকা পৃথিৱীৰ শ্ৰেষ্ঠতম, মুল্যবান সম্পদ, প্ৰাণকো বিসৰ্জন দিব পৰা মহান শ্বহীদ সকললৈ প্ৰতিবেদনৰ আৰম্ভণীতে আমাৰ অশ্ৰুসিক্ত প্ৰণিপাত জনাইছোঁ। সহস্ৰজনৰ ভৱিষ্যতৰ বাবে যি সকলে নিজৰ ভৱিষ্যত চুৰমাৰ কৰি পংগু হৈ ৰ'ল সেই সকল বীৰ পুৰুষক আমাৰ গভীৰ শ্ৰদ্ধা যাচিছোঁ।

এষাৰ কথা আছে "কথাতে বটা পায়, কথাতে কটা যায়"। এই বাক্যফাঁকি যুগ ধৰি সচাঁ হৈ আহিছে। শুদ্ধ উচ্চাৰণ সুমধুৰ শব্দ আৰু সু-সলিত ভাৱে কথা কব পৰাটোত এটা স্বকীয়া সৌন্দৰ্য্য আছে। দৰাচলতে এই প্ৰতিযোগিতাৰ যুগটোত ইও এটা শিল্প, অৱশ্যে সুন্দৰকৈ কথা কলেই বিষয় বস্তু এটা ফুটি নুঠে। বক্তাৰ জ্ঞান আৰু যুক্তিৰ অৱতাৰনাইহে তাক পৰিস্ফুত কৰে। বৰ্তমান তৰ্ক প্ৰতিযোগিতাবোৰে সুন্দৰকৈ যুক্তি নিষ্ঠভাৱে তৰ্ক কৰিব পৰাটোক এটি কলালৈ ৰূপান্তৰিত কৰিছে। তৰ্ক প্ৰতিযোগিতা সমূহ আজি এটি জনপ্ৰিয় অনুষ্ঠানলৈ পৰিবৰ্ত্তিত হৈছে। সচাঁ কথাত এই অনুষ্ঠানটো হ'ল বৰ্তমান যুগত এজন স্পৰ্শবাদী ৰাজনীতিবিদ গঢ়াৰ আধাৰ।

# ছাত্ৰ জিৰণী কোঠা সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ জিৰণী কোঠাৰ বিভাগৰ জৰিয়তে কৃতজ্ঞতা জনালো। মহাবিদ্যালয় তথা ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলে সেৱা কৰিবলৈ যি অপৰিসীম হেঁপাহ আছিল তাক সম্পূৰ্ণ সহাৰি জনালে তেখেত সকলক ১৯৯৬-৯৭ চনৰ বাবে লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক হিচাপে মোক নিৰ্বাচিত কৰিলে তাৰ বাবে এই সন্ধিক্ষণতে সকলোলৈকে আন্তৰিক কৃতজ্ঞতা ও ধন্যবাদ জ্ঞাপন কৰিলো।

মোৰ প্ৰতিবেদনৰ আৰম্ভণীতে সেই সকলক শ্ৰদ্ধাৰে প্ৰণিপাত যাচিছো যি সকলে অসমী আইৰ জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত চিৰ দিনৰ বাবে আমাক কন্দোৱাই যোৱা জ্ঞাত অজ্ঞাত শ্বহীদলৈ অশ্ৰু অঞ্জলীৰ লগতে তেখেত সকলৰ আত্মাৰ সদ্‌গতি কামনা কৰিছো।

ছাত্ৰ জিৰণী কোঠাৰ বিষয়ে লিখিবলৈ দুখ লাগে। কাৰণ মই মোৰ দায়িত্ব বহন কৰাৰ পিছত ছাত্ৰ জীৰণী কোঠাত খেলাৰ সামগ্ৰি, বাতৰি কাকত, আলোচনী যোগান ধৰিছিলো কিন্তু জিৰণী কোঠা নোপোৱাত মোৰ লগতে অন্য সম্পাদক সকলেও অধ্যক্ষ মহোদয়ৰ লগত আলোচনা কৰিছিল। কিন্তু অধ্যক্ষ মহোদয়ে কৈছে যে অস্থায়ীকৈ জিৰণী কোঠা বনাই নিদিও স্থায়ীকৈ বনাই দিম। কিন্তু আজিলৈকে অধ্যক্ষ মহোদয়ে জিৰণী কোঠা বনোৱাৰ কোনো যো-জা নকৰিলে।

সদৌ শেষত দুখেৰে কব বিচাৰো যে মই কিমান আশা আৰু সাহস বুকুত বান্ধিলৈ জিৰণী কোঠাক বহুত উন্নত ভাৱে আগুৱাই লৈ যাম বুলি ভাবিছিলো। কিন্তু মই ছাত্ৰ সকলক জিৰণী কোঠাত কোনো সুবিধা দিব নোৱাৰাৰ বাবে মই দুখিত।

অৱশেষত লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ভৱিষ্যতে উন্নতি হোৱাৰ কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো।

জয়তু লঃ তেঃ কঃ মহাবিদ্যালয়
জয়তু লঃ তেঃ কঃ মঃ ছাত্ৰ একতা সভা
জয় আই অসম

ধন্যবাদেৰে
শ্ৰীবিপুল গগৈ, ছাত্ৰ জিৰণী কোঠৰ সম্পাদক
ছাত্ৰ একতা সভা

# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

" সুন্দৰৰে আশীষ বিচাৰি আমি যাম আগবাঢ়ি
মন্ত্ৰ স্বৰেৰে সুৰ মালা গাঠি
তোমালৈ আনি দিম হিয়াৰ শুকতি
হে সুন্দৰ চিৰ জাগ্ৰত
লোৱা পুঁজা উপচাই। "

প্ৰতিবেদনৰ বাটচৰাতেই শ্ৰদ্ধাৰে সোঁৱৰিছো এই মহাবিদ্যালয়ৰ জন্মৰ পৰা বৰ্তমানলৈকে বিভিন্ন সময়ত সহায়ৰ হাত আগবঢ়াই আহি কালৰ আহ্বানক স্বাগতম জনাই স্বৰ্গগামী হোৱা বিদেহী আত্মাৰ গৰাকী সকলক। তাৰ পাছতেই সোঁৱৰিছো মোৰ শিক্ষাগুৰু সকলক। যি সকলে অশেষ কষ্ট সাধন কৰি লাভ কৰা জ্ঞান বৃক্ষৰ ফল সমূহ আমাৰ এই পৱিত্ৰ মন্দিৰও বিনা মূল্যে অশেষ ত্যাগেৰে বিতৰণ কৰি মহাবিদ্যালয় মন্দিৰটিৰ নাম লবলৈ সুবিধা দিলে।

এই মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধাৰ মাননীয় অধ্যক্ষ শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰগোহাঁই দেৱলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

এই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ - ছাত্ৰীলৈ মোৰ হীয়া ভৰা স্নেহ যাচিছো। আপোনাসৰে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে আপোনাসৱক সেৱা আগবঢ়াবলৈ যি সুবিধা দিলে তাৰ বাবে আপোনালোকৰ ওচৰত মই চিৰকৃতজ্ঞ।

ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে কাৰ্য্যভাৰ লোৱাৰ দিনৰে পৰা মনতে ভাবিছিলো মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণী কোঠাটি কিবা এটি নতুনত্ব প্ৰদান কৰিম। ছাত্ৰীৰ সংখ্যা অনুপাতে এই ক্ষুদ্ৰ কোঠাটিৰ সীমিত সুবিধাৰে ছাত্ৰী সকলক কেতিয়াবা বিতুষ্ট কৰি তোলা মোৰ দৃষ্টি গোচৰ হৈছিল। ইয়াৰ বাবে মই মহা বিদ্যালয়ৰ কতৃপক্ষক নীতিগত ভাৱে হেঁচা দিছিলো যদিও অৰ্থনৈতিক দিশটোৰ কথা ভাৱি থমকি ৰৈছিলো। মোৰ আশা ও কামনা আমি এৰি অহা আধাৰুৱা কামবোৰ আমাৰ নবীন প্ৰবিন সকলে কানপাতি লৈ পূৰণ কৰিব।

পৰম্পৰা গত ভাৱে নীতি অনুসৰি ১৯৯৬-৯৭ চনৰ মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ সপ্তাহত বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাতো এক আকৰ্ষণীয় দিশ বুলি কব পাৰি। বাৰ্ষিক সপ্তাহৰ প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰি

## প্ৰতিবেদন

মহাবিদ্যালয়ৰ সৌষ্ঠৱ বৃদ্ধি কৰা সকলো প্ৰতিযোগিলৈকে মোৰ হৃদয়ৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলো।

শেষত মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰগোহাঁই চাৰ, অধ্যাপক শ্ৰীযুত বদন কলিতা চাৰ, অধ্যাপিকা শ্ৰীযুক্তা সম্পূৰ্ণা চলিহা বাইদেউ আৰু অধ্যাপক শ্ৰীযুত শিলাদিত্য দত্ত চাৰলৈ কৃতজ্ঞতা যাচিলো।

প্ৰতিবেদন লিখাৰ প্ৰতিটো মূহুৰ্ত্তে মোৰ মনত পৰিছে বন্ধুবৰ দিগন্ত, নবেন, অনু, লিলী, মনালিছা, কেশৱ, কল্পনা, অৰ্চনা, ৰিজুমণি, মৃদুললৈ। তেওঁলোকৰ সু-দিহা পৰামৰ্শই কাৰ্য্য পৰিচালনা কৰাত মোক যিখিনি অৰিহণা যোগাইছিল তাক মনত নেপেলালে মোক অকৃতজ্ঞতাৰ দুখে চুব।

সদৌ শেষত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকললৈ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে মহাবিদ্যালয় খনিৰ উজ্বল ভৱিষ্যত কামনা কৰি মোৰ এই সুক্ষ্ম প্ৰতিবেদন খনিৰ সামৰণি মাৰিলো।

জয়তু লঃ তেঃ কঃ মহাবিদ্যালয়

জয়তু লঃ তেঃ কঃ মঃ ছাঃ এঃ সভা।

জয় আই অসম।

ধন্যবাদেৰে
শ্ৰীমতীহেমলতা নাথ
ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা।
ছাত্ৰ একতা সভা।
লঃ তেঃ কঃ মহাবিদ্যালয়।
১৯৯৬-৯৭ চন।

# ১৯৯৬-৯৭ চনৰ মহাবিদ্যালয় ক্ৰীড়া সপ্তাহৰ
## ফলাফল সমূহ ঃ—

### বহিঃক্ৰীড়া বিভাগ

**ল'ৰাৰ ১০০ মিটাৰ দৌৰতঃ—**

১ম শ্ৰীভৱানী প্ৰসাদ বৰা
২য় ,, বাবুল দত্ত
৩য় ,, ৰমেশ নাথ

**ছোৱালী ১০০ মিটাৰ দৌৰতঃ—**

১ম শ্ৰীমতী ৰাণুমনি লাহন
২য় ,, বৰ্ণালী বৰা
৩য় ,, কবিতা সন্দিকৈ

**ল'ৰাৰ ২০০ মিটাৰ দৌৰতঃ—**

১ম শ্ৰীবিপুল নাথ
২য় ,, বাবুল দত্ত
৩য় ,, জ্যোতি প্ৰসাদ বৰুৱা
,, লোকেন গগৈ

**ছোৱালীৰ ২০০ মিটাৰ দৌৰতঃ—**

১ম শ্ৰীমতী বৰ্ণালী বৰা
২য় ,, ৰাণুমনি লাহন
৩য় ,, কবিতা সন্দিকৈ

**ল'ৰাৰ ৪০০ মিটাৰ দৌৰতঃ—**

১ম শ্ৰীবাবুল দত্ত
২য় ,, বিপুল নাথ
৩য় ,, ৰমেশ নাথ

**ছোৱালীৰ ৪০০ মিটাৰ দৌৰতঃ—**

১ম শ্ৰীমতী বৰ্ণালী বৰা
২য় ,, ৰাণুমনি লাহন
৩য় ,, কবিতা সন্দিকৈ

**ল'ৰাৰ ৮০০ মিটাৰ দৌৰতঃ—**

১ম শ্ৰীজ্যোতি প্ৰসাদ বৰুৱা
২য় ,, বাবুল দত্ত
৩য় ,, বিপুল নাথ

**ছোৱালীৰ ৮০০ মিটাৰ দৌৰতঃ—**

১ম শ্ৰীমতী ৰাণুমনি লাহন
২য় ,, কবিতা সন্দিকৈ
৩য় ,, মিনাক্ষী দাস

**ল'ৰাৰ ১৫০০ মিটাৰ দৌৰতঃ—**

১ম শ্ৰীজ্যোতি প্ৰসাদ বৰুৱা
২য় ,, বিপুল নাথ
৩য় ,, ৰমেশ নাথ
বলীন বৰা

**ল'ৰাৰ ২০০০ মিটাৰ দৌৰতঃ—**

১ম শ্ৰীবিপুল নাথ
২য় ,, বলীন বৰা
৩য় ,, বিপিন নাথ

ল'ৰাৰ হাই জাম্পঃ—

১ম শ্ৰীৰমেশ নাথ
২য় ,, মহাজিত দলে
৩য় ,, জ্যোতি প্ৰসাদ বৰুৱা
,, জিতুমনি শইকীয়া

ছোৱালী হাই জাম্পঃ—

১ম শ্ৰীমতী বৰ্ণালী বৰা
২য় ,, ৰাণুমনি লাহন
৩য় ,, কবিতা সন্দিকৈ

ল'ৰাৰ লং জাম্পঃ—

১ম শ্ৰীভৱানী প্ৰসাদ বৰা
২য় ,, ডিম্বেশ্বৰ বৰা
৩য় ,, বাবুল দত্ত

ছোৱালীৰ লং জাম্পঃ—

১ম শ্ৰীমতী বৰ্ণালী বৰা
২য় ,, ৰাণুমনি লাহন
৩য় ,, কবিতা সন্দিকৈ

ল'ৰাৰ ডিচ্কাচ্ঃ—

১ম শ্ৰীবিপুল সোনোৱাল
২য় ,, নিৰঞ্জন সোনোৱাল
৩য় ,, অনন্ত বৰুৱা

ছোৱালীৰ ডিচ্কাচ্ঃ—

১ম শ্ৰীমতী ফুলেশ্বৰী চেতীয়া
২য় ,, বৰ্ণালী বৰা
৩য় ,, লিপিকা দত্ত

ল'ৰাৰ জেভলিনঃ—

১ম শ্ৰীযোগানন্দ বৰগোহাঁই
২য় ,,ভৱানী প্ৰসাদ বৰা
৩য় ,, যোগেন দত্ত

ছোৱালী জেভলিনঃ—

১ম শ্ৰীমতী ফুলেশ্বৰী চেতীয়া
২য় ,, কবিতা সন্দিকৈ
৩য় ,, মিমু দত্ত

ছোৱালী চট্‌ফুটঃ—

১ম শ্ৰীমতী বৰ্ণালী বৰা
২য় ,, ফুলেশ্বৰী চেতীয়া
৩য় ,, কবিতা সন্দিকৈ

ল'ৰাৰ ৰিলে দৌৰঃ—

১ম দল শ্ৰীৰমেশ নাথ
,, ভৱানী প্ৰসাদ বৰা
,, বিপুল নাথ
,, বাবুল দত্ত

২য় দল শ্ৰীজ্যোতি প্ৰসাদ বৰুৱা
,, ডিম্বেশ্বৰ বৰা
,, যোগেন ফুকন
,, লোকেন গগৈ

৩য় দল শ্ৰীবাতুল দত্ত
,, সঞ্জীৱ দত্ত
,, বিনন্দ্ৰ নাথ
,, অনিল গগৈ

আভ্যন্তৰীণ ক্ৰীড়া বিভাগঃ—

বেডমিণ্টন (একক)

১ম কুমুদ ৰৰপাত্ৰ গোঁহাই

২য় সত্যেন্দ বৰ গোঁহাই

৩য় পলাশ ৰঞ্জন চুতীয়া

বেডমিণ্টন (দ্বৈত):—

১ম পলাশ ৰঞ্জন চুতীয়া
সত্যেন্দ ৰৰগোঁহাই

২য় কুমুদ ৰৰপাত্ৰ গোঁহাই
টিকেন গগৈ

৩য় দিব্যজ্যোতি শইকীয়া
ঋতুপৰ্ণ ৰৰগোঁহাই

কেৰম (একক):—

১ম ঋতুপৰ্ণ বৰ গোঁহাই

২য় নিতেন গগৈ

৩য় তুলন গোস্বামী

কেৰম (দ্বৈত)

১ম চন্দ্ৰ কান্ত দাস
কৃষ্ণমণি বৰা

২য় টিকেন গগৈ
নিতেন গগৈ

৩য় সত্য বাজখোৱা
সোনমণি বৰা

ল'বাৰ ডবা খেলঃ—

১ম প্ৰেমানন্দ বৰা

২য় জ্যোতি প্ৰসাদ বৰা

৩য় মহাজিত দলে

চাইনিজ চেগাৰঃ—

১ম লুকু দাস

২য় ডিম্বেশ্বৰ বৰা

কৃষ্টি শাখাঃ—

শ্ৰেষ্ঠ গায়ক - শ্ৰীত্ৰৈলোক্য সোনোৱাল

„ অভিনেতা - শ্ৰীহীৰাকান্ত হাজৰীকা

„ অভিনেত্ৰী - শ্ৰীমতী বীণা গগৈ

„ পৰিচালক - শ্ৰীবাবুল বৰা

„ নাটক - "নাটক হলেও নাটক নহয়"

„ ২য় „ - "ঈষাৰ কণ্টক"।

„ ৩য় „ - "অধুনা ক্ৰান্তি কাল"।

„ নাটকৰ পাণ্ডুলিপি - „ „ „ „।

তৰ্ক ও আলোচনা বিভাগঃ—

কুইজঃ—

১ম শান্তনু বৰা
যোগানন্দ বৰগোঁহাই

২য় ভাস্কৰ জ্যোতি সোনোৱাল
সঞ্জীৱ দত্ত

৩য় অমৃত বৰা
দেৱজিত শইকীয়া

নিচুকণি দিব্যজ্যোতি গোস্বামী
মিনাক্ষী বৰা

আকস্মিক বক্তিতাঃ—

১ম ভাস্কৰ জ্যোতি সোনোৱাল
২য় দেৱজিৎ শইকীয়া
৩য় ডিম্বেশ্বৰ বৰা

সাহিত্য প্ৰতিযোগিতাঃ—

চুটিগল্প:—

১ম বিশ্বজিৎ দত্ত
২য় অনুপ্ৰভা নাথ
৩য় নিতুল চন্দ্ৰ নাথ

কবিতাঃ—

১ম উৎপল বৰুৱা
২য় ফিজু দত্ত
৩য় মুকুট চক্ৰৱৰ্তী

প্ৰবন্ধঃ—

নিচুকনি - শ্ৰীউৎপল বৰুৱা

ৰচনা প্ৰতিযোগিতাঃ—

১ম অমৃত বৰা
২য় সত্যজিত সন্দিকৈ
৩য় খনিন্দ্ৰ দত্ত

কবিতা আবৃত্তি ( অসমীয়া )ঃ—

১ম বসন্ত চেতীয়া
২য় অমৃত বৰা
৩য় দিব্যজ্যোতি গোস্বামী

কবিতা আবৃত্তি ( ইংৰাজী )ঃ—

১ম বসন্ত চেতিয়া
২য় যোগানন্দ বৰগোহাঁই
৩য় অমৃত বৰা
„ প্ৰসন্ন দত্ত

সমাজ সেৱা বিভাগঃ—

সামাজিক কৰ্ম প্ৰতিযোগিতাঃ—

১ম শ্ৰীগনেশ শইকীয়া
„ ঘনকান্ত নাথ
„ দিলীপ নাথ
„ ভৱানী প্ৰসাদ বৰা
„ ৰমেশ নাথ
„ চিদা দত্ত
২য় শ্ৰীমতী ফুলেশ্বৰী চেতীয়া
„ „ গীতা বৰা
„ „ কবিতা সন্দিকৈ
„ „ লিপিকা দত্ত
„ „ গীতাশ্ৰী দত্ত
২য় শ্ৰীজ্যোতি প্ৰসাদ বৰা
„ পাপুল শইকীয়া
„ প্ৰাঞ্জল সন্দিকৈ
„ খনিন্দ্ৰ দত্ত
„ ডিম্বেশ্বৰ বৰা
„ সঞ্জিৱ দত্ত

নিচুকনি প্ৰাপ্তঃ—

শ্ৰীপ্ৰসন্ন দত্ত

শ্ৰী দীপ বায়িক
,, লক্ষীন্দ্ৰ সোনোৱাল
,, হৰি প্ৰসাদ গগৈ

বছৰৰ শ্ৰেষ্ঠ সমাজ সেৱকঃ—

শ্ৰীঘন কান্ত নাথ

বছৰৰ শ্ৰেষ্ঠ সমাজ সেৱিকা—

শ্ৰীমতী মিনাক্ষী বৰা

## ছাত্ৰ জিৱণী কোঠা বিভাগঃ—

ছাইনিচ ছেগাৰঃ—

১ম শ্ৰীমতী তৃষ্ণা কাকতি
২য় ,, ,, ফুলেশ্বৰী চেতীয়া
৩য় নাই

লডুঃ—

১ম শ্ৰীমতী ভৱানী বৰা
২য় শ্ৰীমতী ফুলেশ্বৰী চেতীয়া
৩য় ,, ,, হেমলতা নাথ

চকী খেলঃ—

১ম শ্ৰীমতী গীতাশ্ৰী দত্ত
২য় ,, ,, অঞ্জুমণি দত্ত
৩য় ,, ,, ৰিঞ্জুমণি বৰা

ৰুমাল চিলাইঃ—

১ম শ্ৰীমতী মিনাক্ষী বৰা
২য় ,, ,, অঞ্জুমণি বৰা
৩য় ,, ,, গীতা বৰা

ডবা খেলঃ—

১ম শ্ৰীমতী ফুলেশ্বৰী চেতীয়া
২য় ,, ,, মিণু দত্ত
৩য় নাই